# Assam
# Legislative Assembly
# Debates

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## NO. 20

The 9th April, 1992

Price, Rs: 35·75

## CONTENTS

BUDGET SESSION

No. 20

Dated, the 9th April, 1992


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1–55 |
| 2. | Discussion During Zero Hour | 56 - 76 |
| 3. | Breach of Privilege Motion | 77–96 |
| 4. | Call Attention Notice | 97–103 |
| 5. | Matter Under Rule 301 | 103–106 |
| 6. | Consideration and Passing of Government Bills | 107—171 |
| 7. | Adjournment | 172 |
| 8. | Annexures - I to III | 173–178 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 9th April, 1992

**The Hous met at 9 A. M. of the Clock in the Assembly Chamber, Dispur with Sri Jiba Kanta Gogoi, Speaker in the Chair.**

## STARRED QUESTIONS AND ANSWERS

( To which oral answers were given )

Mr. Speaker : Now, Starred Question No. 359, Hon'ble Member Shri Sasha Kamal Handique.

**বিষয় : অসমৰ চাহ বাগিছাৰ আইন ।**

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

★ ৩৫৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত মুঠ কিমানখন ক্ষুদ্ৰ (৫ হেক্টৰতকৈ কম কালিৰ) চাহ বাগিছা আছে ?

(খ) উক্ত বাগিছা সমূহত কাম কৰা মুঠ শ্ৰমিকৰ সংখ্যা কিমান ?

(গ) এই বাগিছা সমূহত চৰকাৰে নিৰ্দ্ধাৰিত কৰি দিয়া নিম্নোতম হাজিৰা সমূহ প্ৰযোজ্য কৰাৰ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৩৩ খন ।

(খ) ১৮২ জন ।

(গ) এই বাগিছা সমূহত চৰকাৰে নিৰ্দ্ধাৰিত কৰি দিয়া নিম্নতম হাজিৰা সমূহ প্ৰযোজ্য কৰাৰ বাবে চৰকাৰী ক্ষেত্ৰ বিষয়া সকলক নিৰ্দ্দেশ দিয়া হৈছে ।

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে কি নিৰিখত হাজিৰা ঠিক কৰি দিছে মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীদিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, চাহ বাগিছা সমূহৰ যি নিম্নতম মজুৰী এই নিম্নতম মজুৰী চাহ বাগিছা কৰ্ম্মীক দিব লাগে ।

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ১৭.৬৮ পইচা চাহ বাগান বিলাকত দিছে। কিন্তু মন্ত্ৰী মহোদয়ৰ ঘৰৰ ওচৰত এনে ধৰণৰ কিছুমান বাগান আছে সেই বাগান বিলাকত ১০ টকা হাৰত শ্ৰমিক সকলক কামত খটুৱাই আছে, আনহাতে ক্ষেত্ৰ বিষয়া সকলক ব্যৱস্থা লবলৈ চৰকাৰে নিৰ্দ্দেশ দিছে অন্যান্য ডাঙৰ বাগানত মিনিমাম ওৱেজ ভায়োলেট কৰিছে । যিখিনি বাগানৰ প্ৰতিনিধিত্ব কৰিব বিচাৰে, ক্ষেত্ৰ বিষয়াই প্ৰতিনিধিত্ব কৰিব পাৰে বুলি দিব নেকি ?

★ শ্ৰীদিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমাৰ মাননীয় শ্ৰীসন্দিকৈ ডাঙৰীয়াই যিটো উৎথাপন কৰিছে সেইটো সত্য । বহুত বাগান আছে, তেখেতসকলক চাহ বাগিছাৰ প্ৰয়োজনীয় নিম্নতম মজুৰী দিয়া নাই । তেওঁলোকক ১২/১৪ টকা দি আছে । চৰকাৰ এই সম্পৰ্কে অবগত আৰু মই ব্যক্তিগত ভাৱে এই দায়িত্ব লোৱাৰ পিচত চাহ বাগিছাৰ মালিক সকলক ভিনিচুকীয়ালৈ মাতি আনি শ্ৰমিক সকলক নিম্নতম মজুৰি দিব লাগে বুলি মৌখিক ভাবে জনাইছিলো । আমাৰ চাহ শ্ৰমিক সকলৰ অৰ্থনৈতিক অৱস্থা ভাল নহয়, তালৈ লক্ষ্য ৰাখি সময় দিব লাগে । দুবছৰৰ ভিতৰত নিম্নতম মজুৰি দিয়াৰ বাবে তেখেতসকলক আহ্বান জনাইছো । তেখেত সকলে কৰিম বুলি প্ৰতিশ্ৰুতি দিছে ।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, নিম্নতম মজুৰি সীমাবদ্ধ নাৰাখি তেওঁলোকক অধিক সুবিধা দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগে । তেওঁলোকক জুই, পানী, কাঠ, চাউল আদিৰ জৰিয়তে এইবিলাক লৈ এই নিম্নতম মজুৰি হৈছে । কৃষি শ্ৰমিকৰ ক্ষেত্ৰত নিম্নতম মজুৰি দিব

★ Speech not corrected

নেলাগে। ক্ষুদ্র চাহ বাগান বিলাকত নিষ্ঠুৰ ভাবে শোষন কৰিছে। এই ক্ষেত্ৰত সঠিক সিদ্ধান্ত লব আৰু আন কথা বিলাকও চাব লাগিব। তেওঁলোকক এন চিঅৰ কৰিব লাগিব। এইটো যাতে ইমপ্লিমেণ্ট হয় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো। ইয়াৰ লগতে নিম্নতম মজুৰিৰ সিদ্ধান্ত ললে সেই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লব নে নলয় এইটো মই জানিব বিচাৰিছো।

★ শ্ৰীদিলেশ্বৰ তাঁতী : অধ্যক্ষ মহোদয়, চাহ খেতিয়ক সকলৰ অৰ্থনৈতিক অৱস্থাৰ কথাটো বিবেচনা কৰিহে তেওঁলোকৰ নিম্নতম মজুৰি দিব লাগিব। তেখেতসকলৰ আশ্বাস মতে কাম নকৰে।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, এইটো অৱস্থাৰ কথা নাহে। ইয়াত কোৱা হৈছে নিম্নতম মজুৰি কৰিবৰ কাৰণে অৰ্থনৈতিক ভাবে চাব লাগিব। এই ক্ষেত্ৰত এন্‌চিঅৰ কৰিব লাগিব, এইটো আইন ইমপ্লিমেণ্ট কৰিব লাগে। তাক ভায়োলেট কৰিব দিয়াতো উচিত নহয়। বাগানৰ যি ওৱেজ আছে, তাক এন্‌চিঅৰ কৰিব লাগে। ইয়াত এবছৰ বা দুবছৰৰ কোনো কথা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো এন্‌চিঅৰ কৰিব নে নকৰে ?

★ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে ব্যৱস্থা লোৱা হব।

★ শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, যি ৩৩ খন বাগিছা আছে আৰু কৰ্ম্মীৰ নিৰিখ ১৮২ জন আছে। এই ৩৩ খন বাগিছা গোটেই অসমৰ নে তিনিচুকীয়া জিলাৰ ? যি ১৮২ জন কৰ্ম্মী আছে বুলি কৈছে এই ক্ষেত্ৰত মই কবলৈ বিচাৰো যে অসমৰ চাহ মজদুৰৰ সংখ্যা কাৰ্য্যক্ষম ১৪ খন বাগিছাত পাচ হেজাৰ শ্ৰমিকে কাম কৰি আছে।

★ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যি ৩৩ খন বাগিছাৰ হিচাব দিয়া হৈছে ৫ হেক্টৰৰ কম মাটি থকা বাগিছা থাকে আৰু শ্ৰম

★ Speech not corrected

বিভাগে পৰীক্ষা কৰি ব্যৱস্থা লৈছে। সেই খিনি হিচাব দিয়া হৈছে। অৱশ্যে শ্ৰম বিভাগে বহুত বাগিছা পৰীক্ষা কৰিবলৈ আছে। তিনি-চুকীয়া আৰু ডিব্ৰুগড় জিলাত কিছু সংখ্যক চাহ বাগিছা হৈছে। শ্ৰম বিভাগে পৰীক্ষা কৰি এইখিনি ব্যৱস্থা লবলৈ বাকী আছে।

★ শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, ১৯৯০ চনৰ হিচাব মতে তিনিচুকীয়াত ৪৫ খন বাগিছা আছে, মাৰ্ঘেৰিটাত ৫ হেজাৰ ৮শ আছে। মন্ত্ৰী মহোদয়ক ভূল তথ্য দাখিল কৰিছে। গতিকে মই অনুৰোধ কৰিছো যাতে এইটো পুনৰবাৰ তদন্ত কৰি ব্যৱস্থা লব নেকি ?

★ শ্ৰীদিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৫ হেক্টৰ মাটিৰ তলৰ বাগিছা যি খিনি শ্ৰম বিভাগে পৰীক্ষা কৰিছে, সেইখিনিৰ কথাহে কৈছো। ৫ হেক্টৰৰ ওপৰত থকা বাগিছা আছে, হয়তো সৰু সৰু বাগিছা বহুত আছে। কিন্তু মই এতিয়া ৩৩ খন বাগিছাৰহে হিচাব দিছো, মাননীয় সদস্যগৰাকীৰ যিটো কৈছে তাক মই অস্বীকাৰ কৰা নাই।

★ শ্ৰীমধুসূদন তেয়ারী : মাননীয় অধ্যক্ষ মহোদয়, আমি শ্রম মন্ত্রী মহো-দয়ের কাছ থেকে জানতে চাই যে ব্রহ্মপুত্র উপত্যকা এবং বরাক উপত্যকার চা মজদুরদের মধ্যে মজুরীর ক্ষেত্রে যে তফাৎ রয়েছে তা দূর করার জন্য কোন ব্যবস্থা গ্রহণ করবেন কি ?

★ শ্ৰীদিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, চাহ বাগিছাৰ নিম্নতম মজুৰী চৰকাৰে ফিক্স কৰিছে। আগৰ পৰাই ইকোনোমিক জোন হিচাবে বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ পাৰ্থক্য আছে। এই ৰেটৰ পাৰ্থক্যৰ যি প্ৰশ্ন উঠিছে তাক দূৰীকৰণৰ চেষ্টা কৰা হব।

Mr. Speaker : Starred Question No. 360, Hon'ble Member Shri Dildar Rezza.

---

★ Speech not Corrected

বিষয় : তেধাৰা উত্তোলিত জলসিঞ্চন আঁচনি।

শ্ৰীদিলদাৰ ৰেজ্জায়ে সুধিছে :

★ ৩৬০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

(ক) বৰপেটা জিলাৰ তেধাৰা উত্তোলিত জলসিঞ্চন আঁচনি সম্প্ৰসাৰণৰ কাম ১৯৯২-৯৩ আৰ্থিক বছৰত কৰা হবনে ?

(খ) বৰপেটা জিলাৰ আলোপতি, মাজৰচৰ, বাঘপাৰা আৰু খোলাবন্ধাত জলসিঞ্চন আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে চৰকাৰৰ প্ৰস্তাৱ আছেনে ?

(গ) যদি আছে, উক্ত আঁচনি সমূহ কেতিয়া কাৰ্য্যকৰী কৰা হব ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯২-৯৩ চনত লোৱাৰ প্ৰস্তাৱ নাই।

(খ) হয়, চৰ অঞ্চলত অ-গভীৰ নলী-নাদ আচঁনি কাৰ্য্যকৰী কৰাৰ প্ৰস্তাৱ আছে।

(গ) প্ৰয়োজনীয় ধনৰ আৱণ্টন পালে ১৯৯২-৯৩ চনত আচঁনি সমূহৰ কাম আৰম্ভ কৰা হব।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, ৩৬১ নং প্ৰশ্নটো খাদ্য সম্পৰ্কে জড়িত হৈ আছে। আপুনি এইটো কিয় চাব জুডিচ বুলি কৈ গাপ দি ৰাখিব খুজিছে।

মাননীয় অধ্যক্ষ : শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া, আপুনি এজন চিনিয়ৰ সদস্য। আপুনি জানেই যিটো বিষয় চাব-জুডিচ হৈ আছে সেই বিষয়ে সদনত It is lying in the High Court. How can I take it up in the House. কিছুমান কথা এনে হৈ গৈছে। অধ্যক্ষই কোনো এটা বিষয়ৰ ওপৰত কোৱাৰ পিচত আপোনালোকে এনেকুৱা কৰিব নেপায়। The House cannot discuss any matter

★ Speech not corrected

which is Sub-judice যোৱাকালিৰ আৰু এটা কথাত মই দুখ পাইছো। আজি ৰাতিপুৱা কাগজত পঢ়িছো। অধ্যক্ষই ৰুলিং নিদিয়াৰ কাৰণে সদস্যই সদন ত্যাগ কৰিছে। It is perogative of the Hon'ble Speaker ৰুলিং বাধ্যতামূলক নহয়, ইয়াৰ কাৰণে প্ৰতিবাদ কৰিব নোৱাৰে Time and again I have been telling that the dignity of the House should be maintained. এই বিলাক কথাত সাবধান হব লাগে honour of the Chair must be maintained. If it is not done where lies the dignity of the House. গৌৰী শংকৰ ভট্টাচাৰ্য্যও এজন আমাৰ এই বিধান সভাৰ সদস্য আছিল। পেটাৰচন, আদিও পাৰলিয়ামেণ্টৰ ভাল সদস্য। আমাৰ সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে এই বিলাক কথা জানে। You are representing one lakh of people. আজি এই চেয়াৰ খনক অবমাননা কৰা হৈছে। মই আগতে কৈ আহিছো আমাৰ বিধান সভা চলি থাকিবৰ সময়ত ১ চেকেণ্ডত ২০ হেজাৰ টকা খৰচ হয়। প্ৰত্যিজন সদস্যই ১ লাখ মানুহৰ প্ৰতিনিধিত্ব কৰিব লাগে। If the fatner is not there what will happen to the Children. মই যি খন চেয়াৰত বহি আছো সেই চেয়াৰখনক অৱমাননা কৰা হয়। It is the Chair, not Jiba Gogoi who is custodian. অধ্যক্ষই কৈ আছে তাত পইন্ট অৱ অডাৰ হয় নেকি?

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয় প্ৰশ্ন আছে কাৰণে With due regards to the Chair. আপুনি কৈছে যেতিয়া মই ৰহিম। মই এটা কথা দুখেৰে জনাইছো যে আপুনি কিতাপত লিখাৰ কথা কৈছে মই পঢ়িছো। মোৰ প্ৰশ্নটো যিটো মন্ত্ৰীয়ে চাব-জুডিচ হৈ থকাৰ কথা কলে, ল মেকিং কৰা হয়, ফ্ৰেম কৰা হয়, আদালতৰ ওপৰত House is the Law-making body. এতিয়া মোৰ কথাটো হল

★ Speech not corrected

আৰু মই কব খুজিছো আৰু এনেকুৱা বিলাক হৈছে এই যেহুঁ, নিমখ আৰু চাউল এই বিলাকৰ বিষয়ে সদনত হবলগীয়া আলোচনা উচিৎ মতে নহয়। My submission is made on behalf of the down-trodden people of Assam. নিমখৰ কথা অনা হৈছিল কিন্তু নাহিল। এনেকৈ বহুত কথা অনা হয় কিন্তু নাহে, উৎথাপন কৰা নহয়। চাৱ জুডিচ কৰা হয়। এই বিলাক কাৰণতে মই ৫ মিনিটৰ কাৰণে অকলে সদন 'বয়কট' কৰি যাম।

Mr. Speaker : I am quoting Rule 37(9) of the Rules of Procedures and Conduct of Business in the Assam Legislative Assembly, which says "It shall not ask for information on a matter which is under adjudication by a Court of Law having jurisdiction in any part of India. How can you or can I allow the matter to be raised in the House which is under adjudication ? You must allow me to go through this rule as I am bound to abide by this rule. I must conduct the proceedings of the House as per procedure as laid down in the Rules. I seek you co-operation to smoothly conduct the proceedings of the House. পাটোৱাৰী ডাঙৰীয়া মই আপোনাক ভাল পাওঁ। আপুনি মিছাকৈ দোষাৰোপ নকৰিব। আপুনি এই প্ৰশ্ন নানিব।

★ Shri Holiram Terang : Sir, I agree very much with you that the matter is subjudiced before a Court of Law and that the matter cannot be raised in the House as per procedures laid down in the Rules.

★ Speech not corrected

But, Sir, I feel that you are totally satisfied that the matter is very serious and has public importance. The question was already admitted but subsequently withdrawn: What I think, Sir, is that although the matter is subjudiced there should not be any harm in discussing the priciple. তাৰ পিছত কোন কোন মিলত কিমান ধেঁছু দিয়া হ'ল- এই ক্ষেত্ৰত এইটো চাব-জুডিচ হ'ব নোৱাৰে। যদিও কোৰ্টৰ কথাটো আহিছে। সকলো কথাই আহিব। কেতিয়া আহিব ? কোন প'ৰচন আহিব ?

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকল, আপোনালোকে জানে যে সদনত অধ্যক্ষই যেতিয়া এটা ৰায় দান দিয়ে, তাক যদি আপোনালোকে মানিব নোখোজে তেতিয়া হলে এই অধ্যক্ষৰ আসন খনক অৱমাননা কৰা হয়। কাৰণ অধ্যক্ষই নিউট্ৰেলত থাকিহে ৰায় দান কৰো। সেয়েহে এইটো আৰ্গুমেণ্ট হ'ব নেলাগে। মই অনুৰোধ কৰিছো পাটোৱাৰী, আপুনি কথাটো বুজা বুজিলৈ আহক।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো চাব্-জু ডচ্ হ'ব নালাগিছিল, কিন্তু অধ্যক্ষ মহোদয়ে এই বিষয়টো এৰাই ফুৰিছে। গতিকে মই সঠিক উত্তৰ নোপোৱাৰ পৰিপ্ৰেক্ষিতত পাচঁ মিনিটৰ কাৰণে সদন ত্যাগ কৰিলো। এই প্ৰশ্ন পিছত মই পুনৰ উলিয়াম। ইয়াৰ উত্তৰ অচিৰেই দিব লাগিব।

(শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, জাতীয় স্বতন্ত্ৰ মঞ্চৰ সদস্য গৰাকীয়ে বিধান সভা কক্ষ ত্যাগ কৰে।)

(Starred Question No. 361 was not put being subjudiced ).

Mr. Speaker : Now Starred No. 362, Hon'ble Member Shri Rameswar Dhanowar.

---

★ Speech not corrected

বিষয় : কাৰখানাৰ পঞ্জীয়ন।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

★ ৩৬২। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখলৈকে অসমত কিমান খন কাৰখানা পঞ্জীয়ন কৰা হৈছে ?

(খ) কাৰখানা আইনৰ ধাৰা অনুযায়ী কাৰখানা শ্ৰমিক সকলৰ ওয়েল ফেয়াৰৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহন কৰিছে ?

শ্ৰীদিলেশ্বৰ তাঁতী ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৯১ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখলৈকে অসমত ২৬৭২ টা কাৰখানা ১৯৪৮ চনৰ কাৰখানা আইন অনুসৰি পঞ্জীয়ন কৰা হৈছে।

(খ) কাৰখানা শ্ৰমিকৰ কল্যানৰ অৰ্থে কাৰখানা আইনৰ শ্ৰমিক কল্যান ধাৰাসমূহ কাৰখানাৰ মালিক তথা পৰিচালক মণ্ডলীয়ে নিয়মিত ভাবে বলবত কৰিছে নে নাই সেইটো সুনিশ্চিত কৰাৰ কাৰণে জিলা কাৰখানা পৰিদৰ্শকৰ দ্বাৰা নিয়মিত ভাবে কাৰখানা পৰিদৰ্শন কৰোৱা হয়। এই ব্যৱস্থাৱলীত কিবা আসোঁৱাহ পালে পৰিদৰ্শকে সেই বিলাক দূৰ কৰিবৰ কাৰণে পৰিচালক বা মালিকক নিৰ্দ্দেশ দিয়ে। পৰিদৰ্শকৰ নিৰ্দ্দেশ নামানিলে আইন অনুযায়ী ব্যৱস্থা লোৱা হয় আৰু শ্ৰমিকৰ কল্যাণ ব্যৱস্থা সমূহ কাৰখানাত নিশ্চিত কৰা হয়।

★ শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে এই ২৬৭২ টা কাৰখানা ১৯৪৮ চনৰ কাৰখানা আইন অনুসৰি পঞ্জীয়ণ ভুক্ত কৰিছে তাত কিমান জন স্থায়ী আৰু কিমান জন অস্থায়ী শ্ৰমিক আছে ?

★ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই কাৰখানা বিলাকত স্থায়ী বা অস্থায়ী বুলি তেনেকুৱা শ্ৰমিক নাই। মোটা মুটি

★ Speech not corrected

সংখ্যা এটা আছে। তাৰ ভিতৰত ডিব্ৰুগড়ত ১৬ হেজাৰ ৪শ ৪৮ জন, শিৱসাগৰত ১০ হেজাৰ ৮শ ১১ জন, যোৰহাটত ৯ হেজাৰ ৯শ ১২ জন, গোলাঘাটত ৮ হেজাৰ ৮শ ২৩ জন, নগাওঁত ৬ হেজাৰ ৭শ ৫৯ জন, ধুবুৰীত ২ হেজাৰ ৩শ ১৯ জন, কোকৰাঝাৰত ২ হেজাৰ ২শ ১৩ জন, গোৱালপাৰাত ১ হেজাৰ ৩শ ৮ জন, কামৰূপত ১২ হেজাৰ ৩শ ২ জন। সৰ্ব্ব মুঠ ১২৪ হেজাৰ ২শ ৮৩ জন।

★ শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা আচল উত্তৰটো নেপালো। গতিকে মন্ত্ৰী মহোদয়ে জনাবনে যে এজন অস্থায়ী শ্ৰমিকে কিমান দিন কাম কৰিলে স্থায়ী হয়? আৰু শ্ৰমিক কল্যাণ আঁচনিৰ আইনৰ অধীনত আজিলৈকে কাৰখানাৰ কিমানজন মালিকক আইনগত ব্যৱস্থা হাতত লৈছে?

★ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সংখ্যাটো বৰ্ত্তমান মোৰ ওচৰত নাই হিচাব কৰি পিছত দিয়া হ'ব।

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ধানোৱাৰ ডাঙৰীয়াৰ প্ৰশ্নটো আছিল, এক নং- কিমান দিন কাম কৰিলে স্থায়ী হয় আৰু দ্বিতীয় প্ৰশ্ন আছিল এই শ্ৰমিক কল্যাণ আইনৰ অধীনত কিমানজন মালিকক প্ৰচিকিউচন কৰা হৈছেআৰু যদি এইটো কৰা হৈছে কিমানজনক শাস্তি বিহা হৈছে ?

★ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰমিক আইন মতে সাধাৰণতে ৬ মাহ কাম কৰিলে অৰ্থাত ১৮০ দিনত এজন শ্ৰমিকক স্থায়ী কৰিব লাগে। কিন্তু সাধাৰণতে মালিক পক্ষই নকৰে। কিন্তু ১৯৪৮ চনৰ শ্ৰমিক আইন অনুসৰি ২৪০ দিনত এজন শ্ৰমিকে আদালতত গোচৰ তৰিব পাৰে।

★ শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, যিথন প্ৰ'ফৰ্মা সাধাৰণতে দি থাকে সেই খনত স্থায়ী শ্ৰমিকৰ সংখ্যা কম দেখা যায়। তাৰ ভিতৰত

★ Speech not corrected

আমাৰ এই খিনি শ্ৰমিক এই কাৰণতেই এইবিলাক সুবিধাৰ পৰা বাদ পৰি গৈছে। তেওঁলোকে আমাৰ যিটো ইণ্ডাষ্ট্ৰিয়েল পলিচি, সেইটো বাৰে বাৰে ভংগ কৰিছে। গতিকে ট্ৰেন্সপ'ৰ্টৰ যিটো চাবচিডি, তাত কোটি কোটি টকা দিছে সেইটো ঘূৰাই লোৱাৰ কাৰণে ব্যৱস্থা লোৱা হ'ব নে?

★ শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে,, সেইটো এনেধৰণে নহয়। কেন্দ্ৰীয় চৰকাৰৰ ৰিজিঅনেল ফাণ্ডৰ এখন বোৰ্ড আছে। তেওঁলোকে নিয়ম-কানুন কৰে। যদি সেই নিয়ম-কানুনৰ ভিতৰত এইটো পৰে, তেতিয়াহে তেওঁলোকে কৰে, যদি পৰা নাই তেতিয়া হলে নহয়। চাই চিত্তিহে শ্ৰমিকক সুবিধা প্ৰদান কৰে। তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ ৰিজঅনেল প্ৰভিদেণ্ড ফাণ্ডৰ কতৃপক্ষৰ লগত যোগা-যোগ কৰিম।

★ শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, অসমত তেনে ধৰণৰ বহুতো উদ্যোগ আছে যিবিলাকত শ্ৰমিক সকলৰ কাৰণে জনকল্যাণমূলক কিছুমান সুবিধা প্ৰদান কৰিব লাগে কিন্তু সেই শ্ৰমিক সকলক প্ৰাপ্য সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। উদাহৰণ স্বৰূপে অসমৰ চাৰিদুৱাৰ সুতাকলত যি সকল শ্ৰমিক আছে তেওঁলোকৰ থকা-মেলাৰ যি খিনি ব্যৱস্থা হব লাগিছিল সেই খিনি দিয়া হোৱা নাই আসাম ইস্পাটৰ যিটো উদ্যোগ গুৱাহাটীৰ গাতে লাগি আছে তাতো শ্ৰমিক সকলক যিখিনি নুন্যতম সা-সুবিধা দিব লাগে, সেই খিনিৰ পৰা শ্ৰমিক সকল বঞ্চিত হৈ আছে, গতিকে এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিছে নে ?

★ শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) : অধ্যক্ষ মহোদয়, শ্ৰমিক আইন অৰ্থাৎ শ্ৰমিক কাৰখানা আইন অনুযায়ী শ্ৰমিক সকলক কিছুমান কল্যাণ মূলক সা-সুবিধা দিয়াৰ ব্যৱস্থা আছে। মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই যি দুখন ঠাইৰ কথা উল্লেখ কৰিছে সেই কাৰখানা দুটাত যদি তেনে ধৰণৰ সা-সুবিধা প্ৰদান কৰা হোৱা নাই তেতিয়াহলে সেই দিশত তদন্ত কৰি

★ Speech not corrected

যথোপযুক্ত ৰাৱস্থা লোৱা হব।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শৰ্ম্মা ডাঙৰীয়াই কোৱা মতে আমাৰ যি সকল ইণ্ডাষ্ট্ৰিয়েল শ্ৰমিক আছে তেওঁলোকক জনকল্যাণ মূলক সা-সুবিধা বিলাক দিয়া হোৱা নাই যেনে থকা-মেলাৰ সা-সুবিধা, ইউৰিনেলৰ সুবিধা ইত্যাদি আনকি মহিলা শ্ৰমিক সকলক ৰাতি অভাৱ টাইমত খটোৱা হয়। অথচ এইবিলাক দিশত চৰকাৰৰ ফালৰ পৰা কোটি কোটি টকা চাবচিডি দি থকা হৈছে। বাৰ বাৰ এই উদ্যোগ বিলাকে শ্ৰমিক কাৰখানাৰ আইন কানুন বিলাক ভঙ্গ কৰি আছে, এক্সট্ৰা চাবচিডি দিয়া নাই। ওয়েলফেৱাৰৰ আইন কানুন বিলাক ভঙ্গ কৰিছে আৰু মহিলা সকলক ৰাতিয়ো কামত লগাইছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে ?

★ শ্ৰীদিলেশ্বৰ তাঁতী ( শ্ৰম মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে অসমত যদি তেনে ধৰণৰ কাৰখানা আছে যিবিলাকে নেকি শ্ৰমিক কাৰখানা আইন অনুযায়ী যিবিলাক সা সুবিধা শ্ৰমিকক দিব লাগে কিন্তু দিয়া নাই আৰু শ্ৰমিক আইন কানুন ভঙ্গ কৰিছে অথচ ট্ৰেন্সপোৰ্টৰ চাবচিডিও আহি আছে গতিকে অসমত কোন কোন কল-কাৰখানা আছে যিবিলাকে ট্ৰেন্সপোৰ্টৰ চাবচিডি পাই আছে শ্ৰমিক কাৰখানা আইন অনুসৰি যিবিলাক জনকল্যাণ মূলক সা সুবিধা শ্ৰমিকক দিয়া নাই আৰু শ্ৰমিক আইন কানুন ভঙ্গ কৰিছে সেই বিলাক কাৰখানা তদন্ত কৰি যথাযথ ব্যৱস্থা লবৰ কাৰণে ৰাজ্যৰ উদ্যোগ বিভাগৰ লগত যোগাযোগ কৰিম।

( Starred Question No. 363 was not taken up as the Hon'ble Questioner was not present in the House. However, the Same deemed to have been lapsed ).

Mr. Speaker : Now Starred Question No. 364, Hon'ble Member Shri Bhupen Roy.

---

★ Speech not corrected

বিষয় ঃ এককালীন সাহাৰ্য্য ।

শ্ৰীভূপেন ৰয়ে সুধিছে :

☆ ৩৬৪। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাওঁ জিলাত বৰ্ত্তমানৰ চৰকাৰৰ দিনত বৰ্ত্তমানলৈ দুৰ্বৃত্ত বা পুলিচৰ হাতত নিহত কিমানজন ব্যক্তিৰ পৰিয়ালক একলাখ টকা এককালীন সাহাৰ্য্য আদায় দিয়া হ'ল ? ( নাম ঠিকনা সহ জনাব )

(খ) যদি আদায় দিয়া হোৱা নাই তেনেহলে কেতিয়া আদায় দিয়া হব ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৩৩ জন নিহত ব্যক্তিৰ ভিতৰত ২৭টা পৰিয়ালক একলাখৰ প্ৰথম কিস্তি ২৫০০০/- হাজাৰ টকাকৈ দিয়া হৈছে ।

উক্ত ২৭টা পৰিয়ালৰ নাম আৰু ঠিকনা 'ক' তালিকাত গাঁঠি দিয়া হ'ল । ( See the Annexure—I )

(খ) আৱশ্যকীয় তথ্য পাতি পোৱাৰ লগে লগে দিয়া হব ।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( সাহাৰ্য্য আৰু পুনৰ সংস্থাপন মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৰা প্ৰশ্নৰ মই স্পষ্টীকৰণ কৰিব বিচাৰিছো কিয়নো তেখেতে প্ৰশ্নটোত দুৰ্বৃত্ত কথা কৈছে নে, পুলিচৰ নে উগ্ৰপন্থীৰ কথা কৈছে সেইটো পৰিস্কাৰ কৰিলে সুবিধা হয় ।

★ শ্ৰীভূপেন ৰয় ঃ আপুনি প্ৰশ্নৰ উত্তৰ দিয়ক, পৰিপূৰক প্ৰশ্নৰ সময়ত সেইবোৰ কথা এনেয়ো আহিব ।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( সাহাৰ্য্য আৰু পুনৰ সংস্থাপন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ইং ১৩-৪-৯২ তাৰিখৰ অসম মন্ত্ৰী সভাৰ সিদ্ধান্ত অনুযায়ী ইং ১-১ ৮৫ ইং তাৰিখৰ পৰা বৰ্ত্তমানলৈকে অসমত উগ্ৰপন্থীৰ

★ Speech not corrected

হাতত মৃত্যবৰণ কৰা লোকসকলৰ নিকটতম আত্মীয়ক একলাখ টকাৰ এককালীন সাহার্য্য দিয়াৰ সিদ্ধান্ত লোৱা হয় যদিও বৰ্ত্তমান বিত্তীয় পৰিস্থিতিৰ সাপেক্ষে এই ধনৰ মঞ্জুৰী ২৫০০০.০০ টকাকৈ ৪টা কিস্তিত আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। উক্ত ব্যৱস্থা অনুযায়ী বঙ্গাইগাওঁ জিলাৰ মুঠ ২৭জন মৃত ব্যক্তিৰ নিকটতম পৰিয়ালক ২৫,০০০ টকাকৈ এককালীন সাহার্য্যৰ প্ৰথম কিস্তি আদায় দিয়া হয়। ইয়াৰ উপৰিও বঙ্গাইগাওঁ জিলাৰ আৰু ৭৭টা মৃত ব্যক্তিৰ নিকটতম পৰিয়ালক ২৫,০০০ টকাকৈ প্ৰথম কিস্তিৰ এককালীন সাহার্য্য দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

★ শ্ৰীভূপেন ৰয় : অধ্যক্ষ মহোদয়, অৱশ্যে প্ৰশ্ন কৰা হৈছে দুৰ্বৃত্ত বা পুলিচৰ হাতত যি সকল নিহত হৈছে তেওঁলোকক ১লাখ টকা এককালীন সাহায্য দিয়া হয় আৰু উগ্ৰপন্থীৰ হাতত যি সকল নিহত হৈছে তেওঁলোককো দিয়া হৈছে। ইয়াৰ বাবে ২৫হাজাৰ টকাৰ এককালীন প্ৰথম কিস্তিত দিয়া হৈছে। কিন্তু যি সকল নিহত হ'ল তেওঁলোকক টকা খিনি দিয়া হোৱা নাই, কেতিয়া দিয়া হব। উত্তৰত কৈছে আৱশ্যকীয় তথ্য পাতি পোৱাৰ লগে লগে দিয়া হব।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (পুনৰ সংস্থাপন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, উগ্ৰ পন্থীৰ হাতত নিহত লোক সকলক দিয়াৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। উগ্ৰপন্থীৰ হাতত যি সকল মৰিছে তেখেত সকলক ১লাখ টকাকৈ দিয়াৰ বাবে আমি আৰম্ভ কৰিছো আৰু ইতিমধ্যে ২৫ হাজাৰ টকা প্ৰথম কিস্তিত দিয়া হৈছে আৰু বাকী খিনি অহা জুন মাহৰ আগতে দিব পাৰিম বুলি ভাবিছো।

★ শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, দুৰ্বৃত্ত, পুলিচ আৰু উগ্ৰপন্থীৰ পাৰ্থক্য কি ? যিহেতু উগ্ৰপন্থীৰ হাতত মৰিলে বেচি টকা দিয়ে বুলি জনাইছে।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (পুনৰ সংস্থাপন মন্ত্ৰী) : অধ্যক্ষ মহোদয় ইংৰাজীতে উগ্ৰপন্থীক এক্সট্ৰিমিষ্ট আৰু দুৰ্বৃত্তক মিচক্ৰিয়ন্টচ, ডকাইত খুনি ইত্যাদি,

---

★ Speech not corrected

এয়েই পাৰ্থক্য।

★ শ্ৰীফণী ভূষণ চৌধুৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে উগ্ৰপন্থীৰ হাতত নিহত লোকক ১লাখ টকা এককালীন সাহায্য দিয়া হৈছে বুলি কৈছে কিন্তু যি সকল লোক উগ্ৰপন্থীৰ হাতত কৰায়ত্ব হোৱাৰ পাচত তেওঁলোক সন্ধানহীন হৈ আছে আৰু তেওঁলোকৰ পৰিয়ালে বছৰ বছৰ ধৰি বিচাৰি আছে কিন্তু পোৱা নাই তেওঁলোকক দিয়া হব নে? উদাহৰণ স্বৰূপে সুভাষ সিংহ নামৰ এজন গড়কাপ্তানী বিভাগৰ একাউণ্টটেণ্ট আজিলৈকে পোৱা নহ'ল, গতিকে এই বিষয়ে চাব নে?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৩৩টা নিহত ব্যক্তিৰ ভিতৰত ২৭টা পৰিয়ালক ১লাখ টকাৰ প্ৰথম কিস্তি ২৫হাজাৰ টকা দিয়া হৈছে, ইয়াৰ উপৰিও বঙ্গাইগাওঁৰ ৭৭টা মৃত ব্যক্তিৰ নিকটতম পৰিয়ালক ২৫হাজাৰ টকাকৈ প্ৰথম কিস্তিৰ এককালীন সাহায্য দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে। মাননীয় সদস্য গৰাকীয়ে যি জন ব্যক্তিৰ কথা উল্লেখ কৰিছে তেখেতৰ নামতোও এই ৭৭ জনৰ ভিতৰত পৰিব পাৰে।

★ শ্ৰীফণী ভূষণ চৌধুৰী : অধ্যক্ষ মহোদয়, যি বিলাক নিখোজ হৈ আছে সেই বিলাকৰ কি হব ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি টকা দিবলৈ যাওঁতে কেইটামান চাৰ্টিফিকেটৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। পোষ্ট মৰ্টেম ৰিপোৰ্ট, এচপি, ডিচিৰ ৰিপোৰ্টৰ প্ৰয়োজন হয়। বঙ্গাইগাৱত ৭৭ জনৰ খবৰ আহিছে। কিন্তু ডিচি, এচপি, পোষ্ট মৰ্টেম ৰিপোৰ্ট নোহোৱাকৈ টকা দিব নোৱাৰো।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, যি বিলাক লোক উগ্ৰপন্থীৰ হাতত নিহত হয় সেই বিলাকক ১লাখ টকা সাহায্য দিয়া হয়। অৰ্থনৈতিক ভাৱে যিবিলাক চহকী সেই সকলকো দিয়া হয়নেকি ? সমৰ ব্ৰহ্ম চৌধুৰী উগ্ৰপন্থীৰ হাতত নিহত হৈছে। তেওঁৰ পৰিয়ালক কিমান টকা দিয়া

★ Speech not corrected

হৈছে আৰু পৰিয়ালৰ কোনো সন্তানক চাকৰি দি সংস্থাপনৰ ব্যৱস্থা কৰা হৈছেনেকি ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, উগ্ৰপন্থীৰ হাতত মৰা বুলি প্ৰমাণিত হলে এক লাখ টকা দিম বুলি কৈছো । প্ৰশ্নটো আছিল বঙ্গাইগাওঁ সম্পৰ্কত । মাননীয় সদস্য গৰাকীয়ে কোকৰাঝাৰৰ কথা কৈছে । বেলেগ প্ৰশ্ন কৰিলে অনুসন্ধান কৰি কব পাৰিম ।

★ শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, সমৰ ব্ৰহ্ম চৌধুৰী সম্পৰ্কত দেদ চাৰ্টিফিকেট, পোষ্ট মৰ্টেম ৰিপোৰ্ট লাগেনেকি ? এই পৰিয়ালটিক সাহায্য দিব নে নিদিয়ে ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আইনৰ কথা আছে । ইন্দিৰা গান্ধী মৰাৰ পিছতো পোষ্ট মৰ্টেম কৰা হৈছিল ।

★ শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, পোষ্ট মৰ্টেম, দেদ চাৰ্টিফিটৰ বিষয়টো সাহায্যৰ বিষয়ৰ লগত একেলগ কৰিব নালাগে । পোষ্ট মৰ্টেমত কেনেকৈ মাৰিলে, কি হল ইত্যাদি আহিব । ইন্দিৰা গান্ধীৰ কথাটো আনি গোটেই বিষয়টোত গুৰুত্ব নিদি বেলেগ ফালে গৈ সদনক অৱমাননা কৰিছে । সমৰ ব্ৰহ্ম চৌধুৰী আৰু বাগানৰ মেনেজাৰ চক্ৰৱৰ্ত্তী সম্পৰ্কত কি ব্যৱস্থা লৈছে কিয় কব নোৱাৰে ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, সমৰ ব্ৰহ্ম ডাঙৰীয়াক সকলোৱে চিনি পায় । ডিচি, এচপিৰ পৰা ৰিপোৰ্ট অহাৰ লগে লগে কৰি দিম । আইনৰ কিছুমান কথা আছে ।

★ ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, পোষ্ট মৰ্টেম ৰিপোৰ্ট কোৰ্টত দিয়াটো বেলেগ কথা । ডিচি, এচপিৰ ৰিপোৰ্ট নহাৰ কাৰণে দিব পৰা নাইনেকি ?

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই তৰ্কৰ অৱতাৰণা কৰিবলৈ নাধাওঁ । কেনে পৰিস্থিতি, কি ধৰণৰ অস্ত্ৰ ব্যৱহাৰ কৰিছে সেইটো প্ৰমাণিত কৰে ।

মাননীয় অধ্যক্ষ : ৬টা হৈ গল ।

---

★ Speech not corrected

Mr. Speaker : Now, Starred Question No 365 Hon'ble Member Shri Jaman Singh Brahma.

**বিষয় ঃ ধনশিৰি প্ৰকল্পৰ ওপৰত** Inspection Bunglow.

শ্ৰীজমন সিং ব্ৰহ্ম

★ ৩৬৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধনশিৰি প্ৰকল্পৰ প্ৰধান নলাৰ ওপৰত থকা অৰুনাচল প্ৰদেশৰ Inspection Bunglow টো Dismantle কৰাৰ বাবে কিবা ব্যৱস্থা লোৱা হৈছে নেকি ?

(খ) এই প্ৰকল্পটো কেতিয়া সম্পূৰ্ণ কৰি পথাৰত পানী দিব পৰা হব ?

(গ) উক্ত প্ৰকল্পৰ বাবে থকা S. E. Office টো কিয় মঙ্গলদৈলৈকে স্থানান্তৰ কৰা হ'ল ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অৰুনাচল প্ৰদেশ চৰকাৰৰ লগত এই বিষয়ে যোগাযোগ কৰি থকা হৈছে।

(খ) প্ৰকল্পৰ পৰিবৰ্তিত কাৰ্য্যক্ৰমনিকা মতে অষ্টম পৰিকল্পনাৰ ভিতৰত নিৰ্ম্মাণ কাৰ্য্য শেষ কৰি খেতি পথাৰত পানী দিব পৰা যাব বুলি আশা কৰা হৈছে।

(গ) অধীক্ষক অভিযন্ত্ৰাৰ পদটো প্ৰথমতে ধনশিৰি প্ৰকল্পৰ কাৰণে হলেও পাছত ধনশিৰি প্ৰকল্পৰ কাম প্ৰায় সম্পূৰ্ণ হৈ অহাৰ কাৰণে আৰু বেলেগ দৰং জিলা সৃষ্টি হোৱাৰ বাবে প্ৰশাসনীয় সুবিধা আদি লৈ চাই অধীক্ষক অভিযন্তাৰ কাৰ্য্যালয়টো মঙ্গলদৈলৈ স্থানান্তৰিত কৰা হয়।

★ শ্ৰীজমন সিং ব্ৰহ্ম : মাননীয় অধ্যক্ষ, মন্ত্ৰী মহোদয়ে জানে নে যে ধনশিৰি প্ৰজেক্টৰ আগত ইণ্টাৰনেচনেল বৰ্ডাৰ দিচপিউট আছে আৰু এতিয়াও

★ Speech not Corrected

গাইদ বান্ধ সম্পূৰ্ণ কৰিব পৰা নাই, ঠিকাদাৰে কাম কৰিব পৰা নাই ? এই বান্ধটোৰ কামৰ বাবে ভূটান চৰকাৰৰ লগত আলোচনাৰ ব্যৱস্থা লৈছে নেকি ? ধনশিৰি প্ৰজেক্টত যি সকল কৰ্ম্মচাৰী আছে সেই সকলৰ চাকৰি ৰেগুলেৰাইজ কৰা হৈছে নেকি ?

★ শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ, ধনশিৰি প্ৰকল্প যত হৈ আছে তাত ভূটান, অৰুণাচল প্ৰদেশ থকাত অসুবিধা হৈছে। ভূটান চৰকাৰৰ লগত চেষ্টা কৰা সত্বেও অনুমতি দিয়া নাই। গাইদ বান্ধ ৩২০ মিটাৰ কৰিব লাগে। এই সম্বন্ধে যোগাযোগ কৰি থকা হৈছে আৰু ব্যৱস্থা লোৱা হব যাতে অনুমতি পোৱা যায়। কেবিনেটৰ সিদ্ধান্ত মতে মাষ্টাৰ ৰোলৰ চাকৰি ১৫ বছৰৰ পিছত ৰেগুলাৰ কৰিব লাগে।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলক অনুৰোধ কৰিছো। মই আগতে এনাউন্স কৰিছো যে আপোনালোকে ৬টা চাপ্লিমেণ্টৰি দিব পাৰিব। এই ৬টা চাপ্লিমেণ্টৰীৰ ভিতৰত যিমান ইনফৰমেচন লব বিচাৰে লওক। তাতকৈ বেছি দিয়া নহয়। এই ৬টাৰ ভিতৰতে সকলো সামৰি লোৱা হব।

★ শ্ৰীজমন সিং ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, এই ধনশিৰি প্ৰকল্পটো হোৱা আজি ১৬ বছৰ হ'ল এই প্ৰকল্পটো ১৯৭৫ চনতে নিৰ্মাণ কৰা হৈছিল। কিন্তু এতিয়ালৈ ১৫ বছৰৰ বেছি হৈছে। এতিয়াও ১৫ বছৰ হৈ থকা কৰ্ম্মচাৰী সকলক ৰেগুলেৰাইজ কৰা হোৱা নাই। এই কৰ্ম্মচাৰী সকলক ৰেগুলেৰাইজ কৰিব নে ?

★ শ্ৰীজেহিৰুল ইচলাম ( জলসিঞ্চন মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই তথ্য খিনি মোৰ হাতত নাই। যিবিলাক কৰ্মচাৰীৰ ১৫ বছৰ হৈছে। তেওঁলোকৰ ৰেগুলেৰাইজ কৰাৰ ব্যৱস্থা লোৱা হব।

★ ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় জলসিঞ্চন মন্ত্ৰী মহোদয়ে জনাবনে এই ধনশিৰি প্ৰকল্পটো কেতিয়া সম্পূৰ্ণ কৰা হৈছিল ? এই প্ৰকল্পটোত এতিয়ালৈ কেইবাৰ প্ৰাইছ বিভিজন কৰা হৈছে ?

★ Speech not corrected

★ শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই আচনি খন লোৱা হৈছিল ১৯৭৫ চনত। সেই বছৰ ১৫ কোটি ৮৩ লাখ টকা অনুমোদন পোৱা হৈছিল। এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠে ১৯৮১ চনত। আৰু এতিয়া বৰ্ত্তমান প্ৰকল্পটোত পৰিবৰ্ত্তিত প্ৰাক্কলন মূল্য ৯২ কোটি ৮ লাখ টকা।

★ ডা: কমলা কলিতা: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে, এতিয়ালৈ কেইবাৰ প্ৰাইছ ৰিভিজন কৰা হৈছে?

★ শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এতিয়া-লৈকে ২ বাৰ প্ৰাইছ ৰিভিজন কৰা হৈছে।

★ শ্ৰীদেৱান জয়নাল আবেদিন: অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ১৫ বছৰ একেৰাহে মাষ্টাৰ ৰোলত কাম কৰিলে নিয়মিয়া কৰা হয়। কিন্তু কথা হ'ল প্ৰায় বিলাক কৰ্মচাৰীকে একেৰাহে ১৫ বছৰ কাম কৰিবলৈ সুবিধা দিয়া নহয়। গতিকে ১৫ বছৰ কাম কৰিব নোৱাৰিলে। মাষ্টাৰ ৰোলত কাম কৰে সাধাৰণতে দুখীয়া দুখীয়া মানুহ বিলাকেহে। এই দুখীয়া মাষ্টাৰ ৰোল কৰ্মচাৰী সকলক ২/৪ বছৰৰ মূৰে মূৰে কামৰ পৰা অব্যাহতি দিয়া হয়। যাতে ৰেগুলেৰাইজ কৰাৰ পৰা বঞ্চিত হয়। ইয়াত এটা ষড়যন্ত্ৰ চলি আছে। মন্ত্ৰী মহোদয়ে স্পষ্ট ভাৱে সদনত ঘোষণা কৰিব লাগে যাতে এনে ধৰণে দুখীয়া কৰ্মচাৰী সকলক নিয়মিত কৰাৰ পৰা বঞ্চিত কৰা নহয়। এই ষড়যন্ত্ৰ যাতে বন্ধ কৰা হয়।

★ শ্ৰীআব্দুল জলিল ৰাগিবী: অধ্যক্ষ মহোদয়, মই এটা কথা যোগ দিব বিচাৰিছো যে এই মাষ্টাৰ ৰোল কৰ্মচাৰী সকলক তিনি মাহৰ মূৰে মূৰে ১ দিন ড্ৰপ দি এপইণ্টমেণ্ট দিয়া হয়। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো তেখেতে এই কৰ্মচাৰী সকল যাতে ভৱিষ্যতে পাব লগাৰ পৰা বঞ্চিত নহয় তাৰ ব্যৱস্থা লব নে?

---

★ Speech not corrected

★ শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰতি বছৰে আমাৰ বাজেট প্ৰভিজন থাকে। এই বাজেট প্ৰভিজনৰ মতে দৰমহা দিয়া হয়। এই কামৰ কাৰণে ওৱাৰ্ক চাৰ্জ্জত নিয়োগ কৰা হয়। কাম শেষ হোৱাৰ পিছত কামৰ পৰা নিয়ম মতে এৰি দিয়া হয়। আজি কালি দৰমহা দিয়া সম্ভৱপৰ নহয়। কাৰণ বহু ক্ষেত্ৰত অভিযোগ আহিছে ১ মাহৰ দৰমহা ৩ জন কৰ্মচাৰীয়ে ভগাই লৈছে। কাৰণ আমাৰ নন প্লেন বাজেটৰ পৰা আমি পইচা দিব নোৱাৰো। গতিকে ৰেগুলেৰাইজ কৰা সম্ভৱ নহয়। মই ব্যক্তিগত ভাৱে ভাবো যে তেওঁলোকক ৰেগুলেৰাইজ কৰিব লাগে।

**Re : Barolia Irrigation project.**

Sri Derhagra Mochahary, asked :

★ 356. Will the Minister of Irrigation be pleased to state :

(a) Whether Government is aware of the fact that due to execution of Barolia Irrigation Project many local Tribal people have lost their landed property ?

(b) If so, whether Government have proposed to compensate them ?

Sri Zehirul Islam (Minister Irrigation) replied :

(a) Yes.

(b) Yes.

★ Shri Derhagra Mochahary : Mr. Speaker, Sir, may I know from the Hon'ble Minister how many families are being affected from this project ?

★ Shri Zehirul Islam (Minister, Irrigation) : Sir, I am

★ Speech not corrected

giving a clear picture. The original provision for land compensation was Rs. 35.55 lakhs. In the revised estimate the provision has been raised to Rs. 85.14 lakhs. Total land likely to be acquired is 3800 bighas and the land already acquired is 427 bighas. The land belonging to tribal people out of 427 bighas acquired is 270 bighas approximately.

★ Shri Derhagra Mochahary : Sir, I want to know what is the amount the affected people will get as compensation ?

★ Shri Zehirul Islam ( Minister ) : Sir, the Budget provision is Rs. 89,14,000/

★ Shri Derhagra Mochahary : Sir, I wanted to know what the amount per family ?

★ Shri Zehirul Islam ( Minister ) : Sir. for Borolia Irrigation Project the land value as initially assessed by the district authority varied from Rs. 800 to Rs. 1800 per bigha. The land acquisition for the project started in the year 1984-85. There was a resentment among the pattadars on the land value offerred by the Revenue Authorities and therefore, ultimately the Collector, Nalbari raised the compensation rate per bigha to Rs. 3000 flat.

★ শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে অসমত এতিয়ালৈকে জলসিঞ্চন বিভাগৰ জৰিয়তে যিমান আচনি লোৱা

---

★ Speech not corrected

হৈছে আমি অনুমান কৰিছো তাৰ ৯০ শতাংশ আচনিয়েই ইনকমপ্লিট হৈ আছে। এই ইনকমপ্লিট আচনি সমূহ বাজেটত স্পিল অভাৰ বুলি কোৱা হয়। এই ইনকমপ্লিট আচনি সমূহ সম্পূৰ্ণ কৰাৰ কাৰণে এটা নিৰ্দিষ্ট সময় সীমা ঘোষণা কৰিব লাগে। যাতে অসমৰ জনসাধাৰণৰ এই সম্পূৰ্ণ আঁচনি সমূহ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰে। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ দৃষ্টিগোচৰ কৰি এই কথা উত্থাপন কৰিব বিচাৰিছো।

★ শ্ৰীজেহিৰুল ইছলাম ( জলসিঞ্চন মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, যিমান খিনি আঁচনি আছে তাৰ কিমান খিনি অসম্পূৰ্ণ কৈ আছে নিৰ্দিষ্টকৈ কোৱা সম্ভৱ নহয়। কিন্তু এই কথা ঠিক যে এতিয়াও বহুত আঁচনি অসম্পূৰ্ণ হৈ আছে। শতকৰা ৯০ ভাগ নহলেও ভালেখিনি অসম্পূৰ্ণ হৈ আছে। আৰু তাৰে বেছি ভাগ অষ্টম পৰিকল্পনাৰ সময় চোৱাত কমপ্লিট কৰিব বিচাৰিছো। গোটেইখিনি নিৰ্ভৰ কৰিব ফাণ্ডৰ ওপৰত। আমি যিমান খিনি বিচাৰো তাৰ ৫০ ভাগ ফাণ্ড পালেও সম্পূৰ্ণ কৰিব পৰা হলহেঁতেন। প্ৰতি বছৰে বানপানীয়ে ধ্বংস কৰা বিলাক ৰিপিয়াৰিং কৰিব লগা হয়। বানপানী ধ্বংস কৰাৰ কাৰণে বেলেগ ফাণ্ড নাই। বছৰে বছৰে যথেষ্ঠ ক্ষতি হয়। আমি যিমান খিনি টকা পাব লাগে সিমান খিনি পালে আঁচনি সমূহ সম্পূৰ্ণ কৰা হব।

Mr. Speaker : The question hour is over. Now short Notice Question.

( Starred Question No. 367 to 378 could not be taken up as the Question Hour was over. However, the replies deemed to have been laid on the table of the House ).

★ Speech not corrected

বিষয় ঃ সুলভ মূল্যৰ দোকান।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

★ ৩৬৭। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) জনে প্ৰতি কিমান পৰিমাণৰ চাউল, চেনি, বা অন্যান্য সামগ্ৰী সুলভ মূল্যৰ দোকানৰ যোগেদি যোগান ধৰা হয় ?

খ) গাওঁ আৰু নগৰত এই বিতৰণত কিবা পাৰ্থক্য আছে নে ?

গ) যদি আছে, দূৰ কৰিবনে ?

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ( খাদ্য ও অসামৰিক যোগান মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) জনে প্ৰতি যোগান ধৰা চাউল, চেনি ও অন্যান্য সামগ্ৰী বিতৰণৰ পৰিমাণ তলত দিয়া ধৰণৰ-

চাউল = নগৰ অঞ্চলত মাহে ২ কিলোৰ পৰা ৪ কিলোলৈ আৰু গাওঁ অঞ্চলত মাহে ১ কিলোৰ পৰা ২ কিলোকৈ প্ৰতি প্ৰাপ্ত বয়স্ক লোকক আৰু উক্ত পৰিমাণৰ আধা অপ্ৰাপ্ত বয়স্ক লোকক চাহিদা আৰু মজুত সম্ভাৰ অনুযায়ী (Stock) বিতৰণ কৰা হয়।

চেনি = প্ৰতিমাহে প্ৰতি জন লোকক ৪২৫ গ্ৰামকৈ।

আটা = প্ৰতিমাহে প্ৰতি পৰিয়ালে চহৰ অঞ্চলত ২ কিলোকৈ আৰু গাওঁ অঞ্চলত ১ কিলোকৈ দিয়া হয়।

কেৰাচিন = প্ৰতিমাহে প্ৰতি পৰিয়ালক ৫ লিটাৰকৈ।

খ) গাওঁ আৰু নগৰ অঞ্চলত বিতৰণ কৰাৰ সামগ্ৰীৰ হাৰৰ পাৰ্থক্য আছে। গাওঁ অঞ্চলৰ চাহিদা চহৰ অঞ্চলৰ চাহিদাতকৈ কম কাৰণ গাওঁ অঞ্চলত খাদ্য শস্যৰ উৎপাদন হয়। সেয়েহে চাহিদা অনুযায়ী অঞ্চল ভেদে ইয়াৰ পৰিমাণৰ হাৰৰ পাৰ্থক্য হয়।

গ) বিবেচনা কৰা হয়।

**Re : Construction of F. C. I. Godown.**

Shri Nurjamal Sarkar, asked :

★ 368. Will the Minister of Food & Civil Supplies be pleased to state :

a) Whether the Government has received any representation demanding construction of F. C. I. Godown at Biswanath Chariali Town.

b) If so, whether the Government has taken any step for the construction of F. C. I. Godown.

c) If so, when and if not why ?

Dr. Ardhendu Kr. Dey (Minister, Food & Civil Supplies) replied :

a) No.

b) & c) Does not arise.

**বিষয় : চাহ বাগিছাৰ নিবনুৱা যুৱক যুৱতীৰ কৰ্ম্মসংস্থাপন।**

শ্ৰীবৰ্নবাস তাঁতী য়ে সুধিছে :

★ ৩৬৯। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চাহ বাগিছা সমূহৰ নিবনুৱা যুৱক যুৱতীক কৰ্ম্মসংস্থাপন দিয়াৰ আচনি চৰকাৰে গ্ৰহণ কৰিছে নে ?

খ) যদি আঁচনি গ্ৰহণ কৰিছে, কেনে ধৰণৰ আৰু কিমান সংখ্যক যুৱক যুৱতীক কৰ্ম্মসংস্থাপন দিব পৰা হব ?

শ্ৰীচিলভিউচ কন্দপান ( নিয়োগ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) চৰকাৰৰ হাতত চাহ শ্ৰমিক জনজাতি নিবনুৱা যুৱক যুৱতীৰ বাবে পৃথক ভাবে নিযুক্তি দিয়াৰ আঁচনি নাই। তথাপিও অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্ৰেণীৰ উন্নয়ন নিগমৰ অধীনত চাহ শ্ৰমিকৰ

★ Speech not corrected

নিবনুৱা যুৱক যুৱতীক সামৰি পৰিয়াল ভিত্তিক উপাৰ্জনমুখী আঁচনি এখন হাতত লোৱা হৈছে।

খ) ১৯৮৯ চনৰ পৰা বৰ্ত্তমানলৈকে ২৩৬৭ জন চাহ শ্ৰমিক যুৱক যুৱতীক আত্ম নিয়োজনৰ কাৰণে অসম ৰাজ্যিক অন্যান্য পিচপৰা শ্ৰেণীৰ উন্নয়ন নিগমৰ দ্বাৰা সাহায্য দিয়া হৈছে।

**বিষয় ঃ জামুগুৰি কেন্দ্ৰীয় মাছ পোনা প্ৰজনন কেন্দ্ৰ।**

শ্ৰীজীউৰাম বড়োয়ে সুধিছে :

★ ৩৭০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মাছ পোনা প্ৰজনন কেন্দ্ৰ অসমত ক'ত ক'ত আছে ?

খ) কোন কোন কেন্দ্ৰত কি কি মাছৰ পোনা আৰু বছৰত কিমান প্ৰজনন কৰা হয় ?

গ) দৰং জিলাৰ জামুগুৰিত কেন্দ্ৰীয় চৰকাৰৰ সাহায্যত মাছ পোনা প্ৰজনন কেন্দ্ৰ নিৰ্মাণ কৰা সঁচানে ?

ঘ) যদি সঁচা হয়, এতিয়ালৈ ইয়াৰ বাবে কিমান ধন মঞ্জুৰী কৰা হৈছে আৰু আঁচনিটোৰ অগ্ৰগতি কোন পৰ্য্যায়ত আছে ?

শ্ৰীচিলভিউছ কন্দপান ( মীন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) মাছ পোনা প্ৰজনন কেন্দ্ৰ থকা ঠাইবোৰৰ নাম ইয়াৰ লগত গাঠি দিয়া ১নং তালিকাত উল্লেখ কৰা হ'ল। ( See the Annexure—II )

খ) সংশ্লিষ্ট পৰিসংখ্যা লগত গাঠি দিয়া ২নং তালিকাত দেখুওৱা হ'ল। ( See the Annexure—III )

গ) সঁচা।

ঘ) এতিয়ালৈ এই আঁচনিৰ বাবে মুঠ ৬০·৫১ লাখ টকা মঞ্জুৰী কৰা হৈছে। তাৰে ৩৯·৫৭ লাখ টকা খৰছ কৰা হৈছে। কিন্তু ঠিকাদাৰৰ বাবে বাধাপ্ৰাপ্ত হোৱাত আঁচনিৰ কাম সম্পূৰ্ণ হবলৈ অলপ বাকী আছে যদিও উক্ত প্ৰকল্পত পোনা উৎপাদনৰ কাম আৰম্ভ কৰা হৈছে।

বিষয় ঃ চাহ শ্রমিকদের আবাস ও চিকিৎসার ব্যবস্থা ।

শ্রীমধুসূদন তেওয়ারী জিজ্ঞাস করচেন ঃ

★ ৩৭১। মাননীয়, শ্রম বিভাগের মন্ত্রী মহাশয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) পাথারকান্দি সমষ্টিতে চা বাগান কর্ত্তৃপক্ষ, শ্রমিকদের আবাস ও চিকিৎসার ব্যাপারে ব্যবস্থা না নেওয়ার ব্যাপারে সরকার অবগত আছেন কি ?

খ) যদি অবগত আছেন তবে উক্ত বিষয়ে ব্যবস্থা নিবেন কি ?

শ্রীদিলেশ্বৰ তাঁতী ( শ্রম মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

ক) পাথারকান্দি সমষ্টিতে চা বাগান সাতটি যথা ঃ

১) টৈখাল, ২) হাথিখিরা, ৩) ইসাভীল, ৪) পাথিণী, ৫) সেফিনজুরীভীল, ৬) লঙ্গাঁই ও ৭) ভূব্‌রীঘাট । শ্রমিকদের আবাস ও চিকিৎসার ব্যাপারে বাগান কর্ত্তৃপক্ষ কোন ব্যবস্থা নেন নাই ইহা সত্য নহে যদিও কোন কোন বাগানে যে ব্যবস্থা নেওয়া হইয়াছে তাহা যথেষ্ট নহে ।

খ) যেগুলো বাগান-কর্ত্তৃপক্ষ বিধিমত আবাস ও চিকিৎসার যথাযথ ব্যবস্থা নিচ্ছেন না, তাহাদের বিরুদ্ধে আইনভঙ্গ করার অপরাধে ফৌজদারী মামলা দায়ের করা হইয়াছে ।

বিষয় ঃ গভীৰ নলী নাদ আঁচনি ।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতায়ে সুধিছে ঃ

★ ৩৭২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ধাৰাপুৰ, মাঝিৰগাওঁ আৰু পাচনীয়া পাৰাত গভীৰ নলী-নাদ তিনিটা বর্ত্তমান কি পর্য্যায়ত আছে ?

খ) চলিত বিত্তীয় বছৰত এই তিনিটা আঁচনিৰ কাম সম্পূর্ণ কৰাৰ ব্যবস্থা গ্রহণ কৰিব নে ?

শ্ৰীজেহিৰুল ইছলাম ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নিৰ্ম্মাণৰ কাম চলি আছে।

খ) ১৯৯২ ৯৩ চনত গভীৰ নলী-নাদ কেইটা ধনৰ আবণ্টন সাপেক্ষে সম্পূৰ্ণ হোৱাৰ সম্ভৱনা আছে।

বিষয় : বেদখলকাৰীৰ মাজত কাজিয়া।

শ্ৰীবদন বৰুৱাই সুধিছে :

★ ৩৭৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৮৬নং ৰামুন্দী গাওঁ পঞ্চায়তৰ অন্তৰ্গত শিলবদিয়া, পণ্ডিতৰ পাম, ববিটিলাৰ পাম আৰু দোকানৰ নং ১, ২ আৰু ৩ আদিত চৰকাৰী মাটিৰ দখল লৈ চৰ অঞ্চলৰ বাসিন্দা আৰু থলুৱা পামধৰা লোকসকলৰ মাজত যোৱা ফেব্ৰুৱাৰী মাহত কাজিয়া হোৱা কথাটো সচানে ?

খ) যদি সচা তেন্তে সেই উত্তপ্ত পৰিবেশ শাম কটাবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচা নহয়।

খ) প্ৰশ্ন নুঠে।

বিষয় : গৰাখহনীয়াত গৃহহীন গাওঁৰ সংখ্যা।

শ্ৰীনূৰজামাল সৰকাৰে সুধিছে :

★ ৩৭৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চৰকাৰে জানেনে যে, যোৱা কেইটা বছৰত বিশ্বনাথ মৌজাৰ অন্তৰ্গত হোৱাগুৰি, গৰৈমাৰী, গাইবন্ধা, শিঙিমাৰী আদি কেইবাখনো গাওঁৰ লোকে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ কবলত পৰি গৃহহীন হৈ আছে ?

খ) যদি জানে কিমানদিনৰ ভিতৰত উক্ত লোক সকলক সংস্থাপন কৰাৰ বুলি চৰকাৰে সিদ্ধান্ত লৈছে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হ'য়, জানে।

খ) যিমান সোনকালে পৰা যায় সিমান সোনকালে পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা হাতত লোঁৱা হৈছে।

বিষয় : ভূমি উপদেষ্টা কমিটি।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, য়ে সুধিছে :

★ ৩৭৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ প্ৰতিটো মহকুমাত ভূমি উপদেষ্টা কমিটি সমূহ (LAC) গঠন কৰা হ'লনে ?

খ) যদি হৈছে, এই কমিটি সমূহৰ সদস্যৰ সংখ্যা নূন্যতম কিমান আৰু উচ্চতম কিমান ?

গ) যোৰহাট মহকুমাৰ ভূমি উপদেষ্টা কমিটি গঠনৰ বাবে দিয়া নিৰ্দ্দেশৰ চিঠি নং কিমান আৰু সদস্য সকলৰ নাম কি কি ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিয়ে :

ক) নাই হোৱা।

খ) ভূমি নীতিৰ ১৯.১ দফা মতে সভাপতিক লৈ ১৫ জন থাকিব লাগে। কিন্তু উপদেষ্টা কমিটিৰ কাৰণে সদস্যৰ সংখ্যা ১৫ জনৰ ওপৰত চৰকাৰে নিয়োগ কৰিব পাৰে।

গ) গঠন কৰা হোৱা নাই।

বিষয় : মন্দিয়াত জলসিঞ্চন সংমণ্ডলৰ কাৰ্য্যালয়।

শ্ৰীদিলদাৰ ৰেজ্জায়ে সুধিছে :

★ ৩৭৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰপেটা জিলাৰ মন্দিয়াত জলসিঞ্চন সংমণ্ডল (Irrigation Division) এটি খোলাৰ বাবে ৰাইজৰ দাবীৰ বিষয়ে চৰকাৰ অৱগত নে ?

খ) যদি অৱগত হয় উক্ত বিষয় সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

গ) উক্ত প্ৰস্তাৱটো ১৯৯২-৯৩ আৰ্থিক বছৰত কাৰ্য্যকৰী কৰা হব নে ?

শ্ৰীজেহিৰুল ইছলাম ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত ।

খ) নতুন সংমণ্ডল খুলিবলৈ হলে যিবোৰ তথ্য পাতি লাগে সেইবোৰ সংগ্ৰহ কৰি থকা হৈছে ।

গ) তথ্য পাতি সংগ্ৰহৰ পিচত নতুন সংমণ্ডল খোলাটো যুক্তি সঙ্গত হলে আৰু প্ৰয়োজনীয় ধনৰ আৱণ্টন পালে বিবেচনা কৰা হব ।

**বিষয় : মাটিৰ চিলিং আইন প্ৰৱৰ্ত্তন ।**

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

★ ৩৭৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত কোন তাৰিখৰ পৰা মাটিৰ চিলিং আইন প্ৰৱৰ্ত্তন কৰা হৈছিল ?

খ) অসমত চিলিং উদ্ধৃত মাটিৰ পৰিমান অধিগ্ৰহন কৰা মাটিৰ পৰিমাণ আৰু এই মাটি কিমানটা পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছে ?

গ) বৰ্ত্তমানে বিতৰণ নকৰা মাটি কি অৱস্থাত আছে ?

ঘ) ডিব্ৰুগড়, ধুবুৰী আৰু বৰপেটা জিলাত অধিগৃহীত, বিতৰণ কৰা আৰু বিতৰণ নকৰা মাটিৰ পৰিমাণ কিমান ?

শ্ৰীমুকুট শৰ্মা ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ইং ১৫।২।৫৮ তাৰিখৰ পৰা প্ৰৱৰ্ত্তন কৰা হৈছিল ।

খ) চিলিং উদ্ধৃত আৰু অধিগ্ৰহন কৰা মাটিৰ পৰিমাণ- ৬,১০,৩৬৯·৬৭ একৰ। ৩,৭৭,৩৭৯ ( তিনিলাখ সাতসত্তৰ হাজাৰ তিনিশ উনআশী ) টা পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছে ।

গ) কিছু মাটি আদালতৰ বিচৰাধীন, কিছু খেতিৰ অনুপযোগী আৰু কিছু ৰাজহুৱা স্বাৰ্থৰ বাবে সংৰক্ষিত কৰি ৰখা অৱস্থাত আছে । এইখিনিৰ বাহিৰে বাকী বাহি মাটি বিতৰণৰ ব্যৱস্থা লৈ থকা হৈছে ।

ঘ) ডিব্ৰুগড় জিলাৰ উদ্ধৃত আৰু অধিগৃহীত মাটিৰ পৰিমাণ ৪৪,৫১০·৪১ একৰ, বিতৰণ কৰা মাটিৰ পৰিমাণ ২৪,৪৩৮·৫৯ একৰ আৰু বিতৰণ

নকৰা মাটিৰ পৰিমাণ ২০,০৭১'৮২ একৰ ।

ধুবুৰী জিলাৰ উদ্ধৃত আৰু অধিগৃহীত মাটিৰ পৰিমাণ ১৫,৫৩৫'৬১ একৰ, বিতৰণ কৰা মাটিৰ পৰিমাণ ১৩,৮৮৭'৩৮ একৰ আৰু বিতৰণ নকৰা মাটিৰ পৰিমাণ ১,৬৪৮'২৩ একৰ ।

বৰপেটা জিলাৰ উদ্ধৃত আৰু অধিগৃহীত মাটিৰ পৰিমাণ ২১.৯৪৮'৪২ একৰ, বিতৰণ কৰা মাটিৰ পৰিমাণ ১১,৩৭৮'৭৮ একৰ, বিতৰণ নকৰা মাটিৰ পৰিমাণ ১০,৫৬৯'৬৪ একৰ ।

**Re : Deosunga cadestral village to be evicted.**

Shri Derhagra Mochahary asked :

★ 378. Will the Minister of Revenue be pleased to state :

(a) Whether Government is aware of the fact that public settling at Deosunga Cadestral village of Tamulpur Circle have been threatened to be evicted by the local Forest Officers ?

(b) If so, whether there is any Government Policy that Forest Deptt. can evict people from cadestral villages ?

Shri Mukut Sarma ( Minister, Revenue ) replied :

(a) Deosunga cadestral village is under Goreswar Circle. At present no written complaint either by the villagers or from the Circle Officer, Goreswar Circle has been received as to any threat of Eviction of villagers of Deosunga in Goreswar Revenue Circle. Forest Deptt. has also reported that nobody from the Forest Deptt. has threatened the public of the village for eviction.

(b) There is no such policy that Forest Deptt. can evict people from cadestral villages.

বিষয় ঃ ঘিলামৰাৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ সংমণ্ডলৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তাৰ বিৰুদ্ধে অভিযোগ।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

১৭ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ঘিলামৰাৰ গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তা জন কাৰ্য্যালয়ত উপস্থিত নথকা কথাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে ?

খ) যদি দৃষ্টিগোচৰ হৈছে, বিষয়াজনৰ নিয়মীয়া উপস্থিতিৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীদেৱানন্দ কোঁৱৰ ( শক্তি, বিদ্যুৎ আদি বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) বিষয়াজনৰ বিৰুদ্ধে প্ৰয়োজনীয় অনুশাসনমূলক ব্যৱস্থা হাতত লোৱা হৈছে।

★ শ্ৰীভৰত নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়ে, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে অনুসন্ধান কৰি বিষয়াজনৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা গ্ৰহন কৰিছে। বিষয়াজনৰ ওপৰত বিভাগে কি শাস্তি দিয়ে দিয়ক সেইটো বিভাগৰ কথা। কিন্তু আমাৰ বা ঘিলামৰাবাসী ৰাইজৰ কথা হৈছে ঘিলামৰাত এজন স্থায়ী এচ. ডি. অ' লাগে। যোৱা ডেৰ বছৰ ধৰি এই বিদ্যুত বিভাগৰ অফিচটোত বিষয়া, পিয়ন চকীদাৰ, লাইনমেন কোনো নাই। এতিয়া ঘিলামৰাৰ ৰাইজে বিদ্যুতৰ বিল দিব লগা হৈছে ঢকুৱাখানা আই, চি অফিচত। মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ঘিলামৰাত এজন স্থায়ী এচ, ডি, অ' কেতিয়াকৈ দিয়া হব ?

★ শ্ৰী.দেবানন্দ কোঁৱৰ ( শক্তি মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনৰহে এই বিষয়টো আগতেও সদনত উত্থাপন কৰিছে। মই সদস্য গৰাকীক জনাব খোজো যে এই মাহৰ ভিতৰতেই ঘিলামৰাত এচ, ডি, অ' স্থায়ী ভাবে দিয়া হব।

---

★ Speech not corrected

★ শ্ৰীপদ্মেশ্বৰ দলে : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গতে মই মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিছো যে আমাৰ মাজুলীটো আই, চিত এচ, ডি, অ' নাই বুলিলেই হয়- কেতিয়াবা সপ্তাহত এক দিনো নেথাকে তাত। লাইন মেনো নাই তাত। মন্ত্ৰী মহোদয়ে এই বিষয়ে ব্যৱস্থা লব নে, ইয়াৰ কাৰণে বেলেগ প্ৰশ্নৰ প্ৰয়োজন নাই।

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে বিষয়টো দৃষ্টিগোচৰ কৰিছে যেতিয়া ব্যৱস্থা লোৱা হব।

★ শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুত বিভাগৰ মন্ত্ৰী মহোদয়ৰ এটা বিষয়ৰ ওপৰত আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। বিষয়টো হৈছে পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলত থকা বিদ্যুত বিভাগৰ ট্ৰেন্সফৰমাৰৰ বিজুতিৰ কাৰণে বৃহৎ সংখ্যক গাঁৱৰ জনসাধাৰণে আজি বিজুলী বাতিৰ পোহৰ পোৱা নাই। মন্ত্ৰী মহোদয়ে এই বেয়া বা আসোঁৱাহপূৰ্ণ ট্ৰেন্সফৰমাৰ কেইটা সলনি কৰাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যদি ট্ৰেন্সফৰমাৰৰ বিজুতিৰ কাৰণে এইটো হৈছে তেন্তে ট্ৰেন্সফৰমাৰ বদলাই দিব পৰা হব কিন্তু যদি কিবা বেলেগ কাৰিকৰী আসোঁৱাহ আছে তেন্তে এইটো ঠিক কৰোতে কিছু সময় লব। এইটো মই চাম।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিদ্যুত বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো। আজি অসমত এ, এচ, ই, বিৰ যিটো সমস্যা হৈছে সেইটো সকলোৱে জানে। এ, এচ, ই, বিক প্ৰাইভেটাইজেচন কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰিছে নেকি ? আজি মহাৰাষ্ট্ৰত ইয়াক ব্যক্তিগত খণ্ডক দিয়া হৈছে। তাত কিন্তু এক চেকেণ্ডৰ কাৰণেও লাইট নেযায়। আমাৰ চৰকাৰেও এনে চিন্তা কৰিছে নেকি ?

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, চৰকাৰে বিষয়টো বিবেচনা কৰিছে।

---

★ Speech not corrected

★ শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যখনত বিদ্যুত্তৰ কি অৱস্থা হৈছে সেইটো আমি সকলোৱেই জানো-অত্যন্ত বেয়া অৱস্থা। আজি গাৱৰ বাইজে সৰহখিনি সময়ত বিজুলীৰ পোহৰ নেপায়েই অথচ এনে অৱস্থাত বিভাগে বিদ্যুত কৰৰ নিৰিখ দুগুনলৈ বৃদ্ধি কৰিছে। আগতে প্ৰতি পইন্টত দুটকা আছিল এতিয়া ৪ টকা কৰা হৈছে। দুটকা থাকোতেই কিছু ভাল আছিল কিন্তু ৪ টকা কৰাৰ পৰা বিজুলীৰ পোহৰ আৰু নোহোৱাহে হ'ল। মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে কি যুক্তিত হঠাতে বিদ্যুতৰ কৰ দুটকাৰ পৰা ডাবোল কৰি ৪ টকা কৰা হ'ল ?

★ শ্ৰীদেবানন্দ কোঁৱৰ ( শক্তি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো টেৰিফ বৃদ্ধি কৰাৰ প্ৰশ্ন উত্থাপণ কৰিছে সেই সম্পৰ্কত মোৰ বক্তব্য হৈছে আমাৰ ৰাজ্যত বহুত দিন ধৰি বিদ্যুতৰ টেৰিফ বৃদ্ধি কৰা হোৱা নাই। আনহাতে ভাৰতৰ অন্যান্য ৰাজ্যত এই বৃদ্ধি সঘনে কৰা হয়, সঘনে ৰিভাইচ কৰে। এই বছৰ সেয়ে আমাৰ ইয়াতো ৰিভাইচ কৰা হৈছে। মাননীয় সদস্য জনে কোৱাৰ দৰে এইটো শতকৰা ১০০ ভাগ বৃদ্ধি কৰা হোৱা নাই, শতকৰা ৪০ ভাগ বৃদ্ধি কৰা হৈছে। আনহাতে টেৰিফ ৰিভাইচৰ লগত বিদ্যুত যোগানৰ কোনো সম্বন্ধ নাই। আমাৰ উত্তৰ পূৰ্ব্বাঞ্চলত যি কেইটা শক্তি উৎপাদন কেন্দ্ৰ আছে আটাইকেইটা হাইড্ৰো ইলেকট্ৰিক প্ৰজেক্ট। আমাৰ এই উত্তৰ পূৰ্ব্বাঞ্চলত ফেব্ৰুৱাৰী মাহৰ পৰা এপ্ৰিল মাহলৈকে বৰষুণ কম হোৱাৰ কাৰণে নদীৰ জলপীঠ কমি যায়। ইয়াৰ কাৰণে প্ৰজেক্ট কেইটাত বিদ্যুত উৎপাদনো কমি যায়, সেয়ে আমাৰ চাহিদা মতে বিদ্যুত শক্তি আমি নেপাওঁ। এই উত্তৰ পূৰ্ব্বাঞ্চল যাতে কেৱল জলবিদ্যুতৰ ওপৰতে নিৰ্ভৰ কৰিব লগা ভবিষ্যতে নহয় তাৰ কাৰণে আমি চিন্তা কৰি আছো বিকল্প ব্যৱস্থাৰ কথা ভবা হৈছে। টেৰিফ ৰিভিজন আৰু উৎপাদনৰ অভাৱ এই দুটা বেলেগ বেলেগ সমস্যা

★ Speech not corrected

★ শ্ৰীভূপেন ৰায় : মাননীয় অধ্যক্ষ মহোদয়, বঙ্গাইগাওঁত বিদ্যুৎ বিভাগৰ যিবিলাক লাইন ধুমুহাত ভাঙি চিঙি পৰি আছে তাক চাওঁতা কোনো নাই। এই বিষয়ে মই বহুতবাৰ কৈছো। সেই লাইন বিলাক মানুহে ঘৰলৈ লৈ গৈছে। মই বিদ্যুৎ বিভাগক জনাইছো, কিন্তু কোনো ব্যৱস্থা লোৱা নাই। এই ক্ষেত্ৰত ভি, ডি, পি কমিটিৰ চেক্ৰেটৰীয়ে নিজেই তাৰবোৰ গোটাই আনি ঘৰত ৰাখিছে। তেওঁ এই বিষয়ে ইলেকট্ৰিচিটি বোৰ্ডক জনাইছে যে তাৰ খুটা বিলাক চাই চিটি লৈ যাব লাগে। কিন্তু তেওঁলোক অহা নাই। তাৰ বহুদিন পিছত হঠাতে পুলিচ আহে তেওঁলোকৰ কথাত তাৰ আৰু খুটাবিলাক চোৰ কৰি ৰখা হৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা লব নেকি ?

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে মই পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক। মোৰ সমষ্টিত অসম মেঘালয় সীমান্তত। মোৰ সমষ্টিৰ সীমান্তৰ সিপাৰে থকা লাইটৰ পোহৰে মোৰ সমষ্টিত থকা মানুহক পোহৰ দেখুৱায় কিন্তু মোৰ সমষ্টিৰ সীমান্তত এতিয়ালৈকে লাইটৰ খুটা পোতা দেখা নাই। গতিকে বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰো যে এই বছৰতে খুটা পুতি টেনসফৰ্মাৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, সীমান্ত এলেকা বুলি তেনে কোনো আচনি বৰ্ত্তমান কোনো আমি হাতত লোৱা নাই। কিন্তু এই বছৰটোৰ ভিতৰত গ্ৰাম্য বিদ্যুতিকৰণৰ ক্ষেত্ৰত ৫০০ (পাচ শ) খন গাওঁলৈ বিদ্যুৎ সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থা হাতত লৈছো। তথাপি যিবিলাক ঠাইত তাৰ বিলাক ভাঙি চিঙি পৰি আছে সেইবোৰ আকৌ নতুনকৈ মেৰামতি কৰাৰ ক্ষেত্ৰত কিছু অসুবিধা আছে। তেনে ক্ষেত্ৰত ইনটেনচিফিকেচন আৰু কনচুলেদেচন কৰিব পৰা নাযাব। ১৯৯২-৯৩

---

★ Speech not corrected

চলত মুঠতে ৫০০ (পাছ শ) খন গাওঁলৈ বিদ্যুৎ সম্প্ৰাসাৰণ কৰিবলৈ আমি আচনি লৈছো।

★ শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে সেই পৰিপ্ৰেক্ষিতত মই কওঁ যে টি পি কিমান ? এইটো যুক্তি সংগত হৈছে নেকি ? যদি হয় তেনেহলে নতুনকৈ বিদ্যুৎ যোগান ধৰাৰ বাবে আইন সঙ্গত ভাৱে দায়ি নহয় নে ?

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ অসম ৰাজ্যত যিটো ৰিভিজন হব লাগিছিল সেইটো আজি তিনি চাৰি বছৰ আগতেই হব লাগিছিল। এতিয়া সেইটো অভাৱ দিউ হৈছে এই বাৰ কৰা হৈছে। বিদ্যুৎ উৎপাদনৰ কথাটো আইনৰ দ্বাৰা হব নোৱাৰে। সকলো ব্যৱস্থা আইনে কৰিব নোৱাৰে। আমাৰ এই অঞ্চলত হাইড্ৰো ইলেক্‌ট্ৰিক প্ৰজেক্টৰ সম্পূৰ্ণ বৰষুণৰ ওপৰত নিৰ্ভৰশীল। বৰষুণ দিলেহে পানীৰ সোত বেচি হয়। সেই সোতৰ পৰাই আমি ইলেক্‌ট্ৰিচিটি ধৰি ৰাখো। গতিকে মাননীয় সদস্য গৰাকীয়ে নিশ্চয় জানে জানুৱাৰীৰ পৰা এপ্ৰিল মাহলৈকে বৰষুণ নহয়। সেয়ে বিদ্যুৎৰ উৎপাদনো কম হয়। বৰষুণ কমাৰ লগে লগে জলপৃষ্ঠও কমি যায়। যিহেতুকে আমি বৰষুণৰ ওপৰত নিৰ্ভৰ কৰো সেয়ে জলপৃষ্ঠ কমিলে বিদ্যুৎ আচনিও সংকট অৱস্থা সৃষ্টি হয়।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, গাওঁৰ প্ৰত্যেকটো অঞ্চলতে প্ৰত্যেক পইণ্টত চাৰিটকাকৈ দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়ে জানে যে কনজামচন হওঁক বা নহওঁক প্ৰত্যেক পইণ্টে প্ৰতি চাৰি টকাকৈ দিব লগা হৈছে। সেইবাবে সংগ্ৰহ কৰিব যোৱা কৰ্মচাৰী সকলক গাওঁৰ মানুহে ঘুৰাই পঠাইছে। গতিকে এই ব্যৱস্থাটো উঠাই দি মিটাৰ লগোৱাৰ ব্যৱস্থা কৰিবনে।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মহন্ত ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে। ইয়াৰ উত্তৰ মই আগতেই দিছিলো।

★ Speech not corrected

গাওঁ অঞ্চলত পইণ্ট ওৱাইজ চাৰ্জ বা মিটাৰ ওৱাইজ চাৰ্জ এই দুয়োটা দিশত চাবলৈকে আমি এটা কনচালটেনচি চাৰ্ভিচ কৰাৰ ব্যৱস্থা কৰিছো। তেওঁলোকে কোনটো কৰিলে ভাল হব তাৰ বিবেচনা কৰি জনাবলৈ আমি নিৰ্দ্দেশ দিছো। মিটাৰ লগোৱা কথাটো সহজ নহয়। মিটাৰত সূচল হব বুলি বহুতে ভাবিছে কিন্তু কিমান সূচল হব কব নোৱাৰো। মিটাৰ লগোৱাৰ পিচত মিটাৰ বিডিং লবলৈ যোৱা আদিৰো কথা আছে। সেয়ে আমি কনচালটেনচি চাৰ্ভিচক এই বিষয়ে পৰামৰ্শ দিবলৈ কৈছো।

**বিষয় : গাওঁবুঢ়া সকলৰ ভাট্টা।**

শ্ৰীজয় নাথ শৰ্মা য়ে সুধিছে :

১৮। মাননীয় ৰাজহ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত সদ্যহতে কিমানজন গাওঁবুঢ়া আছে ?

(খ) দৰং জিলাৰ বুঢ়া গাওঁৰ বাইজে এজন গাওঁবুঢ়া লাগে বুলি আবেদন দিয়া সচানে ?

(গ) যদি সচা তেন্তে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(ঘ) অসমৰ গাওঁবুঢ়া সকলক বৰ্ত্তমান কি হাৰত ভাট্টা দি থকা হৈছে ?

(ঙ) নিয়মিত ভাবে এই ভাট্টা চৰকাৰে দি আছে নে ?

শ্ৰীমুকুট শৰ্মা ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসমৰ সদ্যহতে চৰকাৰী তথ্য অনুসৰি ৫,৭২৩ জন গাওঁবুঢ়া আছে।

(খ) চৰকাৰে এতিয়ালৈকে দৰং জিলাৰ বুঢ়া গাওঁৰ ৰাইজৰ পৰা নতুন গাওঁবুঢ়া লাট সৃষ্টি নাইবা গাওঁবুঢ়া লাগে বুলি কোনো আবেদন পোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) গাওঁবুঢ়া সকলক বৰ্ত্তমানে মাহিলী ২৫০ টকা হাৰত পাৰিতোষিক দি থকা হৈছে।

(ঙ) এই পাৰিতোষিকৰ টকাৰ মঞ্জুৰী ( L.O.C. ) প্ৰতিমাহে উপাযুক্ত সকললৈ নিয়মিত ভাবে প্ৰেৰণ কৰা হৈ আছে। অৱশ্যে দুই এক মাহত বিত্ত বিভাগৰ পৰা সময়মতে টকাৰ আৱন্টন নোপোৱাত মঞ্জুৰী পঠোৱাত অলপ পলম হৈছে।

★ শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, অসমত বৰ্ত্তমান সৰ্ব্বমুঠ ৰাজহ গাওঁ কিমান খন আছে আৰু প্ৰতিখন ৰাজহ গাওঁৰ বিপৰীতে একোজনকৈ গাওঁবুঢ়া দিয়াৰ ব্যৱস্থা কৰিবনে আৰু গাওঁবুঢ়া সকলৰ দৰমহা বা পাৰিতোষিক ২৫০ টকাৰ পৰা পাচশ টকা কৰাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৰাজহ গাওঁৰ হিচাৰ বৰ্ত্তমান মোৰ হাতত নাই কিন্তু গাওঁ বুঢ়া দিয়াৰ নিয়ম হৈছে যি খন গাওঁত গাওঁবুঢ়া দিয়া হয় সেইখন গাওঁত কমেও দুশ ঘৰ মানুহ থাকিব লাগে। আৰু পাৰিতোষিক ২৫০ টকাৰ পৰা ৫০০ কৰাটো পূজি সাপেক্ষেহে কৰিব পৰা হব। আমি ইতিমধ্যে অসমৰ বিভিন্ন গাওঁৰ পৰা লাট সৃষ্টি কৰিবৰ কাৰণে আবেদন পাইছো সেই বিলাক পৰীক্ষা কৰি থকা হৈছে। গাওঁবুঢ়া সকলৰ পাৰিতোষিক ২৫০ টকা কম হৈছে বুলি মইও অনুভৱ কৰিছো কিন্তু এইটো পূজি সাপেক্ষে পৰীক্ষা কৰি থকা হৈছে।

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী হিচাবে ৰাজহ গাওঁৰ লিষ্ট খন হাতত থাকিব লাগিছিল। নথকাটো দুখৰ কথা। আমি জনাত মুঠ ৰাজহ গাওঁ ২৫০০০ খন। তেনেস্থলত পচিশ হাজাৰ গাওঁৰ ভিতৰত মাত্ৰ পাচ হাজাৰ হে গাওঁবুঢ়া আছে। এতিয়া প্ৰকৃত কেডেষ্ট্ৰেল গাওঁৰ বিপৰীতে একোজনকৈ গাওঁবুঢ়া দিয়াৰ ব্যৱস্থা কৰিবনে আৰু পাৰিতোষিক পাচশ কৰাৰ ব্যৱস্থা কৰিব নে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে গোটেই কথাটো পৰীক্ষা কৰি থকা হৈছে। পৰীক্ষা কৰাৰ পিচত এই বিষয়ত বিবেচনা কৰা হব।

★ মৌলানা আব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে বাহিৰৰ পৰা মানুহ আহিলে অৰ্থাৎ কামৰূপৰ পৰা নগাওঁলৈ আহিলে বা কাচাৰৰ পৰা গুৱাহাটীলৈ আহিলে সেইধৰণৰ

★ Speech not corrected

মানুহৰ যাৰ স্থিতি নাই বা ঘৰ-দুৱাৰ নাই সেই ধৰণৰ অস্থায়ী মানুহক গাওঁবুঢ়া পতাৰ কিবা ব্যৱস্থা আছে নেকি ? মোৰ সমষ্টিৰ মৌলনা যৌটঙা গাওঁত গাওঁবুঢ়া পাতিছে কাছাৰ জিলাৰ পৰা অহা মানুহ এজনক। মই বাৰম্বাৰ এচ-ডি চিক জনালো যদিও কোনো ব্যৱস্থা লোৱা নাই।

★ শ্ৰীজয়নাথ শৰ্ম্মা : চাৰ পইণ্ট অব ইন্‌ফৰমেশ্বন, বাহিৰৰ পৰা বিত্তমন্ত্ৰী হবলৈ যদি আমাৰ ইয়াৰ পৰা লোক পঠাব পাৰে তেনেহলে গাওঁবুঢ়া পতাত বাধা কিহৰ ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : মাননীয় সদস্য ৰাগিবী ডাঙৰীয়াই যিটো কথা কৈছে সেই সম্পৰ্কত মৌলনা গাওঁৰ তথ্য বৰ্ত্তমান মোৰ হাতত নাই। এইটো পৰীক্ষা কৰি চাম।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, আজি গাওঁবুঢ়া সকলৰ অৱস্থা আমি সকলোৱে জানো উগ্ৰপন্থী ধৰিবলৈ যোৱাৰে পৰা, প্ৰাকৃতিক দুৰ্যোগ বা ৰাজহুৱা সকলো কামতে গাওঁবুঢ়া সকলৰ সহায় প্ৰয়োজন হয়। গতিকে তেওঁবিলাকৰ পাৰিতোষিক বঢ়াই দিব লাগে আৰু প্ৰতি গাওঁবুঢ়াক একোটাকৈ ছাতি আৰু তিনি বেটাৰীৰ টৰ্চ লাইট দিব লাগে আমি ধেমাজিত এইটো কৰিছিলো। গাওঁবুঢ়া সকলক একোটাকৈ ছাতি আৰু তিনিবেটাৰীৰ টৰ্চ দিয়াৰ ব্যৱস্থা কৰিছিলো। এইটো গোটেই অসমৰ গাওঁবুঢ়া সকলক দিয়াৰ কাৰণে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই দিয়া পৰামৰ্শটো বিবেচনা কৰা হব।

★ শ্ৰীনজমুল হক : অধ্যক্ষ মহোদয়, শুনিলে আচৰিত হব যে অবিভক্ত গোৱালপাৰা জিলাত এজনো গাওঁবুঢ়া নিযুক্তি দিয়া হোৱা নাই। অবিভক্ত গোৱালপাৰা জিলা অভিশপ্ত হৈ আছে যদিও গোৱালপাৰা জিলা অসমৰে এখন জিলা। এতিয়া এইবিলাক পূৰণ কৰাৰ বাৱস্থা গ্ৰহণ কৰিবনে ?

★ Speech not corrected

( সদনত হাঁহিৰ ৰোল উঠে )

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অবিভক্ত গোৱালপাৰা জিলাত ৰি চেট'লমেণ্ট অপাৰেশ্বন চলি আছে কাৰণে অলপ সময় লৈছে। আমি পুনৰ বিবেচনা কৰিম বুলি আশ্বাস দিছো।

★ শ্ৰীজয়নাথ শৰ্ম্মা : নিৰ্ব্বাচনৰ সময়ত গাওঁবুঢ়া সকলক লাগে কিন্তু পাৰিতোষিক বঢ়াই দিব নোৱাৰে। পচিশ হাজাৰ গাওঁৰ মাজত মাত্ৰ পাচশ মানহে গাওঁবুঢ়া ৰাখিছে। নিৰ্ব্বাচনৰ সময়ত ঘৰে ঘৰে ঘূৰিব-লগীয়া হয়। গতিকে এই সংখ্যা গাওঁ অনুপাতে কৰিব লাগে আৰু পাৰিতোষিক টো ২৫০ টকাৰ পৰা ৫০০ টকা কৰিব লাগে।

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনৰ সময়ত গাওঁবুঢ়াক লৈ আমিয়ে অকল নুঘুৰো। সকলোৱে ঘুৰে। তেখেতে অভিজ্ঞতাৰ পৰা কৈছে। আমি এটা কথা বাজেটত অনুমোদনৰ সময়তো কৈছিলো যে যিহেতু আমি ননপ্লানৰ ওপৰত নিৰ্ভৰ কৰিব লাগে সেয়ে পুঁজি সাপেক্ষে এই কথাটো চিন্তা কৰিব পৰা হ'ব।

★ শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে শুনিবলৈ পাইছো যে বৰ্ত্তমান অসমত থকা গাওঁবুঢ়াসকলক কেঞ্চেল কৰি মেট্ৰিক পাচ বা ডিগ্ৰী ধাৰী গাওঁবুঢ়া নতুনকৈ গোটেই অসমতে নিযুক্তি দিয়াৰ কথা মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিছে নেকি জনাব লাগে ?

★ শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এতিয়ালৈকে আমি সেই ধৰণে চিন্তা কৰা নাই।

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয় প্ৰশ্নৰ কাৰণে অথৰিটি দিবলৈ মৌখিক ভাবে দিলেই হয় তাৰ কাৰণে লিখিত দিয়াৰ কাৰণ নাই।

মাননীয় অধ্যক্ষ : নহয় নহয়।

★ শ্ৰীজয়নাথ শৰ্ম্মা : চাৰ, আগতে মৌখিক ভাবে আছিল লিখিত ভাবে নাছিল। সংসদী পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীয়ে জানিব চাৰ।

---

★ Speech not corrected

★ শ্ৰীগোলোক ৰাজবংশী ( সংসদী পৰিক্ৰমা মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আগতে তিনিটা টাৰ্মত লিখিত দিয়াৰ ব্যৱস্থা আছিল তাৰ পিচত যোৱা টাৰ্মত অফ কৰিছিল। আচলতে লিখিত দিয়া নিয়মটোৱেই ভাল।

★ শ্ৰীজয়নাথ শৰ্ম্মা : লিখিত কিয় প্ৰয়োজন চাব। মৌখিক হ'লেই ভাল।

মাননীয় অধ্যক্ষ : এইটো লিখিত দিব লাগিব। মুখেৰে কলেই নহব।

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, তেতিয়াহলে প্ৰশ্ন বিলাক একদিনৰ আগতে দিব লাগিব। কিয়নো ৰাতি বাৰ বজাত প্ৰশ্ন বিলাক আহে। গতিকে আহিব নে নাহিব আমি আগতীয়াকৈ জনাৰ সুবিধা নাথাকে।

মাননীয় অধ্যক্ষ : প্ৰশ্নকৰ্ত্তা বাহিৰত বলে এইটো অনুপস্থিত বুলি ধৰা হয়।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : চাৰ পইণ্ট অব অৰ্ডাৰ এই বিষয়টো আনিবলৈ বিভিন্ন ভাবে চেষ্টা কৰি আছো। ৩০১ আদিতো দিছো। গতিকে আপুনি বিশেষ ক্ষমতা প্ৰয়োগ কৰি হলেও এইটো আলোচনা কৰিবলৈ দিব লাগে।

মাননীয় অধ্যক্ষ : পিচত আহিব। মাননীয় সদস্য প্ৰফুল্ল মহন্তৰো এটা আছিল কিন্তু লিখিত নিদিয়াৰ কাৰণে দিয়া নাই। কাক দিয়া হব নহব সেইটো মই কৰিম কিয়নো মই ভুক্তভোগী হৈছো বহুত অভিজ্ঞতা হৈছে।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, আমি কোনোফালে আনিব নোৱাৰি জিৰো আৱাৰত দিছিলো। তাতো নাহিল আৰু এতিয়া চৰ্ট নোটিচত আহিছে যেতিয়া আলোচনা কৰিবলৈ সুবিধা দিব লাগে আপোনাৰ বিশেষ ক্ষমতা প্ৰয়োগ কৰি হলেও দিব লাগে। বিভিন্ন মাধ্যমত দি আনিব পৰা নাছিলো।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলৰ প্ৰতি বিষয়েই দৰকাৰী কিন্তু এইটো দিব নোৱাৰো।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, ইয়াৰ ফলত চাহবনুৱাৰ ভয়ানক পৰিস্থিতিৰ সৃষ্টি হব।

---

মাননীয় অধ্যক্ষ : ৩০১ মতে আহিলে চাম।

বিষয় ঃ বৰভাগ অঞ্চলৰ পানী নিষ্কাষন আঁচনি।

শ্ৰীবদন বৰুৱায়ে সুধিছে :

১৯। মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নলবাৰী বান নিয়ন্ত্ৰন সংমণ্ডলৰ অধীনত বৰভাগ অঞ্চলৰ পানীনিস্কাষন আঁচনিৰ আধাৰত বৰ্ত্তমানৰ বৰলিয়া নদীক পাগলাদিয়া নদীৰ পৰা আঁতৰাই ডুয়োখন নদীকে স্বতঃস্তৰীয়া গতিপথ লোৱাৰ সুযোগ দিবলৈ দিহা কৰা কথা সচানে ?

খ) যদি সঁচা, এই কাৰ্য্যৰ ফলত বৰলিয়া নদীৰ বাওঁপাৰে বিশেষকৈ হাজো মৌজা আৰু ৰামদিয়া মৌজাৰ কিমান খন গাওঁ বানত আক্ৰান্ত হৈছে ?

গ) উক্ত দুয়োখন নদীৰ স্বতঃন্তৰীয়া গতিপথ কৰিবলৈ কেনে আঁচনি লোৱা হৈছিল ?

ঘ) নলবাৰী বান নিয়ন্ত্ৰন সংমণ্ডলে উক্ত কাৰ্য্যত ভীতিগ্ৰস্থ নহবলৈ ৰাইজক লিখিত আশ্বাস দিছিল নেকি ?

শ্ৰীহৰেন ভুমিজ ( বান নিয়ন্ত্ৰন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, সঁচা।

খ) এতিয়াও আঁচনিখন সম্পূৰ্ণ হোৱা নাই। বৰ্ত্তমান বৰলিয়া নদীৰ, বাৰিষা কালত ভৈৰাটোলা জানেদি বৈ যোৱা কিছু পানী আৰু বিশেষকৈ বাৰিষা ব্ৰহ্মপুত্ৰৰ ওভোটনি পানীৰে হাজো আৰু ৰামদিয়া মৌজাৰ প্ৰায় ২৫ খন গাওঁ বানত আক্ৰান্ত হয়।

গ) বৰলিয়া নদী খনৰ ওপৰত ভৈৰাটোলা আৰু ডুমুঁতি মুখত ডুটা বান্ধ দি ভৈৰাটোলা জানটো খান্দি হাজো চেনেলেদি বোৱাই নি ব্ৰহ্মপুত্ৰত পেলোৱাৰ, আঁচনি খনত দিহা কৰা হৈছিল।

ঘ) এখন লিখিত গোঁহাৰিৰে সমস্যাটো আৰু আঁচনি দাঙি ধৰা হৈছিল।

★ শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই জানটো সংক্ৰান্তত বান নিয়ন্ত্ৰন বিভাগে যি আশ্বাস দিছিল সেই আশ্বাসমতে জানটো খণ্ডা হ'ল যদিও তেওঁলোকে সেই সময়ত ভীতিগ্ৰস্থ হৈছিল। বাননিয়ন্ত্ৰন বিভাগৰ লিখিত আশ্বাস পোৱাৰ পাছত তেওঁলোকে সেই কাম কৰিবলৈ দিছিল। লিখিতভাবে তেওঁলোকে কি কি কৈছিল মন্ত্ৰী মহোদয়ে জনাব নে? কাৰণ লিখিতভাবে দিয়ামতে এতিয়ালৈকে কাম হোৱা নাই বৰঞ্চ তেওঁলোকক প্ৰতাৰনা বা প্ৰবঞ্চনাহে কৰা হ'ল।

★ শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নলবাৰীস্থ বান নিয়ন্ত্ৰন বিভাগে এখন লিখিত গোহাৰী উলিয়াইছিল। সেই গোহাৰীখনত যিখিনি কথা আছিল সেই কথামতেই আঁচনিৰ কাম চলি আছে-তাত লিখা আছিল বৰালীয়া নদী আৰু পাগলাদিয়া নদীক দুয়োখন নদীক স্বতঃস্ফূৰীয়া ভাবে গতিপথত বোৱাই নিয়া সেইমতে কৰি থকা হৈছে।

★ শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, কাগজখনমতে কি আশ্বাস দিছিল জনাবনে?

★ শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই গোহাৰীখনত আছিল-বৰভাগ মৌজাৰ পানী নিস্কাষণৰ বাবে বৰলীয়া নদীক হাজো সুতীয়েদি বোৱাই নিয়াৰ ব্যৱস্থা (ক) প্ৰথম পদক্ষেপ-বৰলীয়াৰ পৰা বুল্লিতলৈ '০' ৰ পৰা ৮৭০৯০ মিটাৰ ভৈৰাটোলা জানৰ অংশত দুয়োপাৰে উপযুক্ত মঠাউৰীৰ সুব্যৱস্থা (খ) দ্বিতীয় পদক্ষেপ-বুল্লিতৰ পৰা ব্ৰহ্মপুত্ৰলৈ চেইনেজ ৮৭০০ মিটাৰৰ পৰা ১৮৬০০ মিটাৰলৈ লগতে দুয়োপাৰে মঠাউৰীৰ ব্যৱস্থা নথকাকৈ হাজো সুতীক উপযুক্তভাবে নতুনকৈ খণ্ডাৰ ব্যৱস্থা। ২ নং প্ৰস্তাৱ আছিল ঘগ্ৰানদী অৱবাহিকাৰ পানী নিষ্কাষণ আঁচনি (থানকুছিৰ পৰা ব্ৰহ্মপুত্ৰলৈ) চেইনেজ '০' মিটাৰৰ পৰা ২০,১০০ মিটাৰলৈ।

থানপাতকুছিৰ পৰা কমাৰকুছিলৈ ঘগ্ৰা নদীত যঠাজানেদি বোৱাই নিয়া হব আৰু কমাৰকুছিৰ পৰা ব্ৰহ্মপুত্ৰলৈ এটা নলা খান্দি বোৱাই

★ Speech not corrected

নিয়াৰ ব্যৱস্থা। পাহাৰৰ নামনিৰ পৰা ব্ৰহ্মপুত্ৰলৈকে নোনা, বৰলীয়া আৰু পাগলাদিয়া নদী মাজৰ অঞ্চললৈ অতিৰিক্ত পানী নিস্কাষণৰ সুন্দৰ ব্যৱস্থাৰে এই জানটোৰ কাম কৰাৰ আশা কৰা হৈছে।

★ শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ এই ঠাই সম্পৰ্কে ভৌগলিক জ্ঞান নাই যিহেতু তেখেত তালৈ যোৱা নাই সেই জ্ঞান নথকাটো স্বাভাবিক। এই দুটা নৈ বৈ গৈ এঠাইত লগ লাগিছে আৰু ব্ৰহ্মপুত্ৰলৈ বৈ গৈছে আমাৰ অভিযন্তা সকলৰ মাঠাত কি সোমাল নাজানো যে এই বোৰতী নদীক মাজতে বান্ধি বেলেগ ঠাইলৈ বোৱাই লৈ যাব। ভৈৰাভলা জানত বাইজে কাম কৰিব নিদিলেহেতেন কিন্তু দুয়োপাৰে মঠাউৰী দিম বুলি লিখিত প্ৰতিশ্ৰুতি দিয়াত হে কাম কৰিব দিলে। আজি ৩/৪ বছৰ একো কামেই কৰা নাই। সেই মানুহখিনিৰ অৱস্থা নাই, বাৰিষা অহাৰ লগে লগে গোটেই অঞ্চলটো প্লাবিত হৈ থাকে আৰু তেওঁলোকে খেতি-বাতি একো কৰিব নোৱাৰে। মোৰ প্ৰশ্ন হৈছে যদি কৰিব নোৱাৰে কিয় আশ্বাস দিছিল। গতিকে এই কাম এই বছৰত আৰম্ভ কৰিব নে ? নে ৰাইজক প্ৰতাৰনাকে কৰি থাকিব মন্ত্ৰী মহোদয়ে জনাব লাগে ?

★ শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, গোহাৰীখনত উল্লেখ কৰা ধৰণেই আঁচনি লোৱা হৈছে সেই আঁচনিমতে ১৯৮৭ চনত ২৫০০ মিটাৰ খণ্ডা হ'ল। ১৯৮৮-৮৯ চনত ২৫০০ ৰ পৰা ৫,০০০ মিটাৰলৈ খণ্ডা হয়।

★ শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰন বিভাগে প্ৰতিশ্ৰুতি দিয়া যিখন গোহাৰী তাত কোনো তাৰিখ বা সময়ৰ কথা নাই ইয়াৰ দ্বাৰা ৰাইজক প্ৰতাৰনাহে কৰা হৈছে। আমাৰ ৰৰভাগৰ মন্ত্ৰীও আছে। কিছুমান ৰাইজক বচাবৰ কাৰণে কিছু ৰাইজক মৰা হৈছে। অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গতে এটা কথা কবলগীয়া হ'ল হাজো সমষ্টিত এইবাৰ ১৮জন প্ৰাৰ্থী আছিল তাৰে এজনে ভোটৰ আশাত তিনিগাড়ীমান বোল্ডাৰ

★ Speech not corrected

ওপৰতে পেলাই থৈ আহিছিল কিন্তু তেওঁ যাব নোৱাৰিলে। সেইবিলাক কথা গ'ল এতিয়া কামটো কেতিয়া কৰিব মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, গোহাৰীখনত তাৰিখ নোহোৱাটো সচা কথা কিন্তু সেই গোহাৰীখনমতে বান নিয়ন্ত্ৰন বিভাগে আঁচনি প্ৰস্তুত কৰি কাম কৰি আছে।

★ শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, যিখিনি কৰিলে সেইখিনি কথা কোৱা নাই। বাকী থকা খিনি কি কৰিব ?

★ শ্ৰীহৰেন ভূমিজ ( বান নিয়ন্ত্ৰন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ এটা অসুবিধা আছে। ১৯৯০ চনতে কেন্দ্ৰীয় চৰকাৰৰ অধিনস্থ ব্ৰহ্মপুত্ৰ বোৰ্ডে প্ৰায় ৪'১১৪ কোটি টকা মূল্যৰ বৰভাগ ড্ৰেইনেজ ডেভলপমেণ্ট স্কীম' তৈয়াৰ কৰিছিল। এই প্ৰজেক্ট ৰিপোৰ্ট অনুসাৰে দুয়োটাৰ মাজত প্ৰাৰ্থক্য দেখা যায়। এই প্ৰজেক্ট ৰিপৰ্টৰ অনুসাৰে দুমুতিমুখত এটা স্লুইচ আৰু যাৱতীয় কাম অন্তৰ্ভুক্ত কৰিছে। এই ৰিপৰ্টৰ ওপৰত বান নিয়ন্ত্ৰণ বিভাগে গত জুন মাহত ৰাজ্যিক পৰিকল্পনা বিভাগলৈ বিভাগীয় মতামত আৰু মন্তব্য জনোৱা হৈছে। এই মতামত আৰু মন্তব্য অনুসৰি ব্ৰহ্মপুত্ৰ বোৰ্ডে ব্যৱস্থা হাতত ললে সমস্যা সমাধানৰ পথ সুগম হব বুলি আশা কৰিব পাৰি।

★ শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, ৰাইজক যিদৰে প্ৰতিশ্ৰুতি দিছিল সেইদৰে কাম কৰা নাই কাৰণে কৈছো। মোক স্পষ্ট উত্তৰ লাগে তেখেতে প্ৰতিশ্ৰুতি দিয়া মতে এই বছৰতে কাম আৰম্ভ কৰিবনে নকৰে।

★ শ্ৰীহৰেন ভূমিজ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আঁচনি বিলাক পুঁজি সাপেক্ষে বিবেচনা কৰা হব।

★ শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই বৰভাগৰ পানীত বহু মানুহ জড়িত হৈছে। ইতিমধ্যে বান নিয়ন্ত্ৰণ বিভাগে কৈছে ব্যৱস্থা হাতত লোৱা হব। কেতিয়াৰ পৰা ব্যৱস্থা হাতত লব তাৰ এটা স্পেচিফিক

★ Speech not corrected

সময় দিব লাগে।

☆ শ্ৰীহৰেন ভূমিজ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আঁচনি অনুমোদন লোৱা হৈছিল পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

☆ শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে কিছু কাম কৰা হৈছে, পিচত আকৌ বেলেগ আঁচনি কথা কৈছে। সেই আঁচনি আকৌ কি বেলেগ ধৰণৰ আমি স্পষ্ট নহলো। আগৰ আঁচনি বাদ দিয়া হল নেকি ? নে আঁচনি লোৱা হব, কি কৰা হব সেইটো আমি ক্লিয়েৰ নহলো। বিষয়টো পৰিস্কাৰ কৰি দিবনে ?

☆ শ্ৰীহৰেন ভূমিজ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ আঁচনি সম্পূৰ্ণ হৈ আছে সেইটো আগতে মই কৈছো। কেন্দ্ৰীয় চৰকাৰৰ অধিনস্থ ব্ৰহ্মপুত্ৰ বোৰ্ডে আঁচনি লৈছিল। এই আঁচনি অনুমোদন হৈ আছে। পুঁজি সাপেক্ষে ব্যৱস্থা হাতত লোৱা হব।

☆ শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, একেলগে দুয়োটা আঁচনি কেনেকৈ হব ? আঁচনি এটা হব লাগে। আগৰ যিটো আধাকৰা যিটো কাম আছে সেইটো কৰিবনে ?

☆ শ্ৰীহৰেন ভূমিজ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ আঁচনি অনুমোদন হৈ আছে। পুঁজি সাপেক্ষে ব্যৱস্থা হাতত লম।

বিষয় : ধুবুৰী ষ্টেডিয়াম।

শ্ৰীধ্ৰুৱ কুমাৰ সেনয়ে সুধিছে :

২০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধুবুড়ী ষ্টেডিয়ামের কাজ আজ ৪/৫ বৎসর থেকে বন্ধ হইয়া আছে, তাহার কারণটা জানাবেন কি ?

খ) এই বৎসরের মধ্যে কাজটা আরম্ভ হবে কি ?

গ) এই পর্য্যন্ত সর্ব্বমুঠ কত টাকা খরচ হইয়াছে ?

শ্ৰীচিত্তেশ্বৰ শইকীয়া ( ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) পুঁজিৰ অভাবৰ কাৰণে ।

খ) কাম পুনৰ আৰম্ভ কৰাৰ সম্ভাৱনা আছে ।

গ) ২,৪০,৫০০ টকা ( দুই লাখ চল্লিশ হাজাৰ পাচঁশ টকা ) ।

★ শ্ৰীধ্ৰুৱ কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, ২,৪০,৫০০ টকা কাৰ দ্বাৰা খৰচ কৰা হৈছে ? ডিষ্ট্ৰিক স্পৰ্ষ্ট এচচিয়েচন, ডি, চি. নে কোনোবা এচচিয়েচনে খৰচ কৰিছে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ তথ্য-পাতি বৰ্ত্তমান মোৰ লগত নাই । পিচত কব পাৰিম ।

★ শ্ৰীধ্ৰুৱ কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, যিটো পৰিমাণৰ টকা দিয়া হৈছে সইটো কাৰ হাতত দিয়া হৈছে আৰু কেনেকৈ দিয়া হৈছে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে মোৰ হাতত তথ্য নাই । কিছুমান ঠাইত ডিষ্ট্ৰিক স্পৰ্ষ্ট এচচিয়েচনৰ হাতত, কিছুমান ঠাইত ডি. চিৰ হাতত দিয়া হৈছে । এতিয়া ধুবুৰী ষ্টেডিয়ামৰ টকাটো কাৰ হাতত দিয়া হৈছে সেইটো বৰ্ত্তমান তথ্য মোৰ হাতত নাই ।

★ শ্ৰীধ্ৰুৱ কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, এই যে যিটো টকা দিয়া হৈছে তাৰ ইউটিলাইজেচন চাৰ্টিফিকেট দিছেনে নাই ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ইউটিলাইজেচনৰ চাৰ্টিফিকেট পোৱা হৈছে । এই ইউটিলাইজেচনৰ চাৰ্টিফিকেটত কিছু কিছু ঠাইত কেলেংকাৰী থকা বুলি অনুমান কৰিব পাৰি ।

( ---গন্দগোল--- )

★ শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই কেলেংকাৰী বিলাকৰ এটা তদন্ত হব লাগে ।

★ শ্ৰীইন্দ্ৰ গগৈ ( ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই

★ Speech not corrected

আগতেই কৈছো যে কিছুমান ঠাইত ডি, চি'ৰ হাতত, কিছুমান ঠাইত স্পষ্টচ এচচিয়েচনৰ ঠাইত, কিছুমান ঠাইত এচ, ডি, অ' ( চিভিল ) ৰ হাতত দিয়া হৈছে। এনে হোৱা পৰিপেক্ষিতত গন্দগোল বিলাক হৈছে সেই বিলাক গোটেই বিষয়টো তদন্ত কৰিবৰ কাৰণে মই নিৰ্দেশ দিছো।

★ শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ইউটিলাইজেচন চাৰ্টিফিকেট কৰ পৰা আহিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী ডিষ্ট্ৰিক স্পষ্টচ এচচিয়েচনৰ পৰা দিছে। মই সেইকাৰণে কৈছো যে এই গোটেই কথা বিলাকত কিছু খেলি মেলি থকা যেন লাগে। সেইকাৰণে তদন্ত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

★ শ্ৰীভূপেন ৰায় : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰি দোষীক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় কৰা হব।

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা ইউনিফৰ্ম হব লাগে যে ডি, চি, ডিষ্ট্ৰিক স্পষ্টচ এচচিয়েচন, লোকেল এচচিয়েচন, এচ, ডি, অ'ৰ কাৰ হাতত দিয়া হব ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনৰ পৰা আমি পলিচি লৈছো ডি, চি, বিলাকক দিয়াৰ কাৰণে।

## Unstarred Questions and Answers

### বিষয় : মিনি মৰ্ডান ৰাইচ/চিৰা মিলৰ আবেদন।

শ্ৰীআব্লাউদ্দীন সৰকাৰে সুধিছে :

৫৫৭। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) Mini Modern Rice/Chira Mill ৰ বাবে কিমান আবেদন পত্ৰ চৰকাৰে পাইছে ?

খ) মুঠ কিমান Mill ৰ অনুজ্ঞা পত্ৰ দিয়াৰ বাবে চৰকাৰে লক্ষ্য স্থিৰ কৰিছে ?

গ) কিহৰ ভিত্তিত অনুজ্ঞা পত্ৰ দিয়া হব ?

ঘ) শিক্ষিত নিবনুৱা সকলক অগ্ৰাধিকাৰ দিয়া হবনে ?

ঙ) সীমান্ত অঞ্চলৰ আবেদন কাৰী সকলক অনুজ্ঞা পত্ৰ দিয়াত সুকীয়া ব্যৱস্থা গ্ৰহণ কৰা হবনে ?

ডা: অৰ্দ্ধেন্দু দে ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৬১৮৮ খন ( ৭।৪।৯২ ইংৰাজী তাৰিখলৈ ) যিহেতু দৰখাস্ত লোৱাৰ দিন বঢ়াই দিয়া হৈছে সেই কাৰণে মুঠ কিমান দৰখাস্ত পোৱা হৈছে সঠিককৈ জনাব পৰা নগল ।

খ) সৰ্ব্বমুঠ ৭৪৩ টা Mill ৰ অনুজ্ঞা পত্ৰ দিয়াৰ বাবে চৰকাৰে লক্ষ্য স্থিৰ কৰিছে ।

গ) স্থানীয় প্ৰয়োজনীয়তাও যোগ্যতাৰ ভিত্তিত দিয়া হব ।

ঘ) শিক্ষিত নিবনুৱা সকলক যোগ্যতাৰ ভিত্তিত অগ্ৰাধিকাৰ দিয়া হব ।

ঙ) এই সম্পৰ্কে কোনো স্থিৰ সিদ্ধান্ত লোৱা হোৱা নাই ।

( Replies to Unstarred Question No. 558 was not reecived ).

## বিষয় : চৰ অঞ্চলৰ ভূমিহীন লোকক উচ্ছেদ ।

শ্ৰীদিলদাৰ ৰেজ্জায়ে সুধিছে :

৫৫৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰপেটা জিলাৰ চৰ অঞ্চলৰ ম্যাদি পট্টা নথকা কিন্তু যুগ যুগ ধৰি বসবাস কৰা ভুমিহীন স্থানীয় লোকক উচ্ছেদ কৰি সেই ঠাইত চৰ অঞ্চলৰ বাহিৰৰ ভূমিহীন লোকক পুন: সংস্থাপন দিব খোজা কথাটো সচানে ?

খ) বৰপেটা জিলাৰ চৰ অঞ্চলত ১৯৯১-৯২ চনত এইদৰে কিমান পৰিয়াল উচ্ছেদ কৰি তাৰ ঠাইত চৰ এলেকাৰ বাহিৰৰ কিমান পৰিয়ালক পুনঃ সংস্থাপন দিয়া হৈছে ?

গ) চৰ অঞ্চলৰ বাহিৰৰ ভূমিহীন আৰু গৰাখহনীয়া পীড়িত লোকক তেওঁ-লোকৰ পূৰ্ব্ব বাসস্থানৰ নিকটৱৰ্ত্তী চৰকাৰী মাটি বা ৰিজাৰ্ভ মাটিত আৰু চৰ অঞ্চলৰ ভূমিহীন লোকক তেওঁলোকে বসবাস বা খেতি কৰি থকা খাচ বা চৰকাৰী মাটিত পুনঃ সংস্থাপিত কৰাৰ বিষয়টো চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীমুকুট শৰ্মা ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচাঁ নহয় ।

খ) প্ৰশ্ন নুঠে ।

গ) হয়, চৰকাৰে বিবেচনা কৰিব । ইতিমধ্যে বৰপেটাৰ উপায়ুক্তই বিহিত ব্যৱস্থা হাতত লৈছে ।

## বিষয় : অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ ।

শ্ৰীভূপেন ৰায়ে সুধিছে :

৫৬০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাওঁ জিলাৰ ৩১ নং ৰাষ্ট্ৰীয় পথৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ বাবে ক্ষতি পূৰণ ৰাইজক বৰ্ত্তমানলৈ আদায় নিদিয়া কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে কিমান মানুহক ক্ষতিপূৰণ আদায় দিবলৈ এতিয়াও বাকী আছে জনাবনে ?

(গ) উক্ত ক্ষতিগ্ৰস্থ পৰিয়াল সকলোকে ক্ষতিপূৰণৰ টকা সোনকালে আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় জানে ।

(খ) ১৭ জনক।

(গ) ব্যৱস্থা লোৱা হব।

বিষয়ঃ কেৰাচিন তৈল সৰবৰাহ

শ্ৰীমধুসূদন তেওৱাৰীয়ে সুধিছে :

৫৬১। মাননীয়, খাদ্য ও অসামরিক সরবরাহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) করিমগঞ্জ জিলার সর্ববৃহৎ সমষ্টি পাথার কান্দির জন্য মাসে কত লিটাৰ কেরোসিন তৈল দেওয়া হয়?

খ) পাথারকান্দি সমষ্টিতে পরিবার পতি মাসে কত লিটার কেরোসিন তৈল দেওয়া হয়?

গ) প্রয়োজনের গুরুত্ব উপলব্ধি করে সরকার তৈলর পরিমান বৰ্দ্ধিত করিবেন কি?

ডা: অর্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) কৰিমগঞ্জ জিলাৰ পাথাৰকান্দি অঞ্চলৰ ডিপো মেৰ্ছাচ ৰয় এন্দ ৰয় চৌধুৰীৰ নামত মাহে ১৫৫ কে, এল কেৰাচিন তেল জিলাৰ উপায়ুক্তই আবন্টন দি আছে।

খ) প্ৰতি মাসে প্ৰতি পৰিয়ালক ৪ (চাৰ) লিটাৰ কৰিয়া কেৰোসিন তৈল দেওয়া হয়।

গ) কৰিমগঞ্জ জিলাৰ বাবে এপ্ৰিল মাহত কেৰাচিনৰ আৱন্টন আগৰ মাহৰ ৭০৫ টনৰ বিপৰীতে ২০ টন বৃদ্ধি কৰি ৭২৫ টন আৱন্টন কৰা হৈছে।

বিষয়ঃ ম্যাদি পট্টাত মাছ মাৰিব নিদিয়া।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৫৬২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) বৰপেটা জিলাত মাছ-বিলৰ লেচীয়ে বিল এলেকাৰ বাহিৰেও নিকটৱৰ্ত্তী

মানুহৰ ম্যাদি পট্টাৰ এলেকাতো ৰাইজক মাছ মাৰিব নিদিয়া কথাটোৰ বিষয়ে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত হয় লেচীয়ে সাধাৰণ মানুহৰ ওপৰত কৰা অত্যাচাৰ বন্ধ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

গ) যদি অৱগত নহয়, এই সম্পৰ্কে তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীচিলভিউছ কন্দপান ( মীন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) তেনেকুৱা কোনো অভিযোগ এতিয়ালৈকে পোৱা নাই ।

খ) প্ৰশ্ন নুঠে ।

গ) কোনো অভিযোগ পালে তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব ।

**Re : Shifting of Irrigation Division.**

Shri Derhagra Mochahary asked :

563. Will the Minister of Irrigation be pleased to state :

(a) Whether Government has proposed to start Irrigation Project at Nagrijuli called Puthimari Irrigation Division Project ?

(b) Whether it is a fact that some workes also have been appointed under M/R to start preliminary work of the said project ?

Shri Zehirul Islam ( Minister of Irrigation ) replied :

(a) Yes, on being cleared by Government of India.

(b) Some workers are engaged for collection of hydrological and other data which are required for clearance of Major project since last few years.

বিষয় : নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জিয়নভূক্ত শিক্ষিত নিবনুৱা।

শ্ৰীনুৰজামাল চৰকাৰে সুধিছে :

৫৬৪। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
বৰ্ত্তমান বিশ্বনাথ চাৰিআলিৰ নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জিয়নভূক্ত শিক্ষিত নিবনুৱাৰসংখ্যা কিমান ?

(বিভিন্ন জনগোষ্ঠী হিচাবে সংখ্যা দাখিল কৰিব)

শ্ৰীচিদানন্দভিউছ কন্দপান (নিয়োগ মন্ত্ৰী) য়ে উত্তৰ দিছে :
১৯৯২ চনৰ ৩১ মাৰ্চলৈ বিশ্বনাথ চাৰিআলিত নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীভূক্ত শিক্ষিত চাকৰি প্ৰাৰ্থীৰ মুঠ সংখ্যা ২৩৪৫১ জন।

বিভিন্ন জনগোষ্ঠী হিচাবে শিক্ষিত চাকৰি প্ৰাৰ্থীৰ সংখ্যা এনে ধৰনৰ।

| | | |
|---|---|---|
| ১) অনুসূচীত জনজাতি (ভৈয়াম) | = | ১৩৮৪ জন |
| ২) অনুসূচীত জনজাতি (পাৰ্ব্বত্য) | = | ৯০৭ জন |
| ৩) অনুসূচীত জাতি | = | ১৭২৮ জন |
| ৪) অন্যান্য পিচপৰা সম্প্ৰদায় | = | ৭৮৬৭ জন |
| ৫) সংখ্যালঘু | = | ১৫৫৪ জন |
| ৬) অন্যান্য জাতি | = | ১০০১১ জন |

বিষয় : সহকাৰী প্ৰবন্ধক।

শ্ৰীনুৰজামাল চৰকাৰে সুধিছে :

৫৬৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) শ্ৰীআবুবকৰ আহমেদ নামৰ একজন বিষয়াই অসমৰ বীজ নিগমত কোনো শিক্ষাগত অৰ্হতা আৰু বয়সৰ প্ৰমান পত্ৰ নোহোৱাকৈ "সহকাৰী প্ৰবন্ধক" হিচাবে নিগমৰ পুঁজিৰ পৰা হাজাৰ হাজাৰ টকা আত্মসাৎ কৰাৰ কথা সচা নে ?

খ) যদি সঁচা, চৰকাৰে এই বিষয়াজনৰ ওপৰত কি ব্যৱস্থা লৈছে ?

গ) বীজ নিগমৰ সঞ্চালকে এই ৰিষয়া জনৰ শিক্ষাগত অৰ্হতা আৰু বয়সৰ প্ৰমান পত্ৰ লিখিত হিচাবে বহুবাৰ বিচৰাৰ পাছতো দাখিল নকৰাত উক্ত বিষয়ত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) খ) এই গোটেই ৰিষয়টো অনুসন্ধান কৰি প্ৰয়োজনীয় ব্যৱস্থা লোৱা হব। ইতিমধ্যে বিষয়টো বীজ নিগমৰ পৰিচালক মণ্ডলীৰ অহা বৈঠকত দাখিল কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

গ) এই সন্দৰ্ভত তেওঁৰ ১৯৮৪ চনত পাবলগীয়া "দক্ষতাৰ সীমা" অতিক্ৰম কৰিবলৈ দিয়া হোৱা নাই।

বিষয় ঃ ভোলানাথ বান্ধ।

শ্ৰীজীউৰাম ৰড়োৱে সুধিছে :

৫৬৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) দৰং জিলাৰ মঙ্গলদৈ সমষ্টিৰ অন্তৰ্গত বেগা নদীৰ ওপৰত নিৰ্ম্মাণ হবলগীয়া "ভোলানাথ" বান্ধটোৰ বাবে ইং ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত কিমান ধন মঞ্জুৰী কৰা হৈছিল ?

খ) উক্ত মঞ্জুৰী ধন কি কি কামত ব্যৱহাৰ কৰা হ'ল আৰু এই বান্ধটোৰ মূখ্য কাৰ্য্যৰ ( Head works. ) কাম এই বছৰ আৰম্ভ হব নে ?

শ্ৰীজেহিৰুল ইছলাম ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৮৬ ৮৭ = ৪·০৬ লাখ টকা

১৯৮৭ ৮৮ = ৫·৭০ লাখ টকা

খ) উক্ত মঞ্জুৰী ধন বিতং জৰীপ, ভূমি পৰীক্ষন, গাইড বান্ধ ( Guide bund ) উফলাস্ক বান্ধ ( Afflex Bund ) এপ্ৰ'চ ৰোড কালভাৰ্ট, ডাইভাৰ্চন ডেম ইত্যাদি কামত খৰছ কৰা হৈছিল। বিত্ত বিভাগৰ পৰা সংশোধিত প্ৰাক্কলন খনৰ অনুমোদন আৰু প্ৰয়োজনীয় ধনৰ আৱণ্টন সাপেক্ষে ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰত মূখ্য বান্ধৰ ( Head work ) কাম আৰম্ভ কৰা হব। ইতিমধ্যে মূখ্য বান্ধৰ নিবিদা লোৱা হৈছে।

**বিষয় : দখলকৃত খেতিয়কক উচ্ছেদ কৰি অন্য লোকক মাটি আৱণ্টন।**

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৫৬৭। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত সৰুক্ষেত্ৰী মৌজাৰ বালিপাৰা পথাৰ গাওঁত কিছুসংখ্যক খেতিয়কক উচ্ছেদ কৰি আন কিছুমান লোকক মাটি আৱণ্টন দিব বিচৰা কথা সচানে ?

খ) যদি সচা, উক্ত গাওঁত বহুবছৰ ধৰি ভোগ দখল কৰি থকা খেতিয়ক সকলে আৱণ্টন বিচাৰি আবেদন কৰা কথা চৰকাৰে জানেনে ?

গ) যদি জানে, বহুবছৰ ধৰি ভোগ দখল কৰি থকা গৰীব ভূমিহীন খেতিয়কক দখলীকৃত মাটি আৱণ্টন নিদিয়াৰ কাৰণ কি ?

ঘ) বৰ্ত্তমানে উক্ত মাটি আৱণ্টন দিব খোজা লোকসকল প্ৰকৃত ভূমিহীন খেতিয়ক নে ?

ঙ) বৰ্ত্তমানে আৱণ্টন দিব খোজা ব্যক্তি সকলৰ ভিতৰত কিছুমানে নলবাৰী জিলাৰ বেঙেৰা বিৰ্জাভত ৭-৯ বিঘাকৈ মাটি আৱণ্টন পাই পট্টা পোৱা কথা সচানে ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সচা নহয়।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

ঙ) বেঙেৰা বিৰ্জাভ নলবাৰী জিলাত নাই বুলি উপায়ুক্তই জনাইছে।

Mr. Speaker : Short Notice Questions are over.

Shri Parameswar Brahma : Sir, yesterday the Hon'ble Minister, Education promised to give us data regarding the stand of the STP candidate and also about

the number of STP candidates appointed for Bodo language for looking after the Bodo Medium Schools.

Mr. Speaker : The Hon'ble Minister has already laid it on the table of the House. Now, Short Notice Questions are over. It is now 'Zero Hour'. I have received Zero Hour Notice from the Hon'ble Member Shri Babul Das on the news item published in the 'Natun Dainik' dated 28.3 92 under the caption "সাহায্য বিতৰণৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতিৰ অভিযোগ" ।

Now, I call upon Hon'ble Member Shri Babul Das to speak.

## Discussion During Zero Hour

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, 'জিৰ' আৱাৰ নোটিচৰ কোন কেইটা বিষয় আলোচনা কৰাৰ কাৰণে বাচনি কৰিলে সেই কেইটা কৈ দিলে ভাল হয় ।

মাননীয় অধ্যক্ষ : যোৱা কালিও কৈ দিয়া হৈছিল । কিন্তু আপোনালোক সদনত নাথাকে । গতিকে আজি পিচত জানিব পাৰিব ।

★ শ্ৰীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮ মাৰ্চ তাৰিখৰ 'নতুন দৈনিক' কাকতত প্ৰকাশিত "সাহায্য বিতৰণৰ ক্ষেত্ৰত ব্যপক দূৰ্নীতিৰ অভিযোগ" শীৰ্ষক বাতৰিটো মই সদনৰ দৃষ্টি গোচৰ কৰিব খুজিছো । বাতৰিত প্ৰকাশ পোৱা মতে মৰিগাওঁ জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰৰ ৮ খন গাওঁৰ ষোল্লশ পৰিয়ালৰ মাজত বিতৰণৰ কাৰণে যোৱা আগষ্ট চেপ্তেম্বৰত চৰকাৰে উলিয়াই দিয়া প্ৰায় ষোল্ল লাখ টকাৰ ক্ষেত্ৰত ব্যাপক

---

★ Speech not corrected

দূর্নীতি ঘটা বুলি অভিযোগ উঠিছে। এই ষোল্লশ পৰিয়াল প্ৰকৃত পৰিয়াল নে ভূৱা পৰিয়াল তাক জনাৰ কোনো উপায় নাই। কাৰণ, তালিকাখন কাকো চাবলৈ দিয়া হোৱা নাই। অভিযোগ মতে প্ৰকৃত ক্ষতিগ্ৰস্ত লোক বাদ পৰিছে আৰু সৰহ সংখ্যক ভুৱা লোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হৈছে। টকা বিতৰণ কৰা হল মৰিগাওঁ উপায়ুক্তৰ কাৰ্য্যালয়ত এগৰাকী অতিৰিক্ত সহায়ক আয়ুক্ত যুগল কুমাৰ ভূঞাৰ দ্বাৰা। স্থানীয় ভাবে সাহায্য পোৱা লোকৰ নাম প্ৰকাশ কৰাৰ আৰত গভীৰ স্বাৰ্থ নিহীত আছে বুলি ৰাইজৰ ধাৰণা। ৰাজহ চক্ৰটোৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণ, ক্ষতিগ্ৰস্ত লোক, ছাত্ৰ সংগঠনে তালিকা খন প্ৰকাশ কৰাৰ দাবী জনাইছে। বিভিন্ন লোকে দৈনিক উপায়ুক্তৰ কাৰ্য্যালয়লৈ আহি অভিযোগ দাখিল কৰিছে যে তেওঁলোকে টকা পোৱা নাই। সেয়ে ষোল্ল লাখ টকা কাৰ মাজত বিতৰণ কৰা হল তাক মুকলিকৈ প্ৰকাশ কৰিব লাগে বুলি অঞ্চলটোত ব্যপক দাবী উঠিছে। বিশ্বস্ত সূত্ৰে জানিব পৰা মতে প্ৰকৃত টকা পাওঁতাৰ চহী সহ ধন বিতৰণৰ তালিকা এতিয়াও হৈ উঠা নাই।

অধ্যক্ষ মহোদয়, আপুনি জানে যে মৰিগাওঁ জিলাখন এখন বান বিধ্বস্ত অঞ্চল। প্ৰতি বছৰে ব্ৰহ্মপুত্ৰৰ কোবাল বানে জিলা খনক কৃষি ক্ষেত্ৰত বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰি আহিছে। এনেকুৱা এটা পৰিস্থিতিত বাতৰি কাকতত অভিযোগ উঠিছে যে বান পীড়িত এলেকাৰ মানুহে উপায়হীন হৈ গছৰ পাত আৰু অখাদ্য কিছুমান খাবলৈ বাধ্য হৈছে। অতি দুখৰ বিষয় যে এনে এটা অৱস্থাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ষোল্লশ পৰিয়ালৰ মাজত বিতৰণৰ কাৰণে যি ষোল্ল লাখ টকাৰ সাহায্য আগ বঢ়াইছিল সেই টকা খিনিও প্ৰকৃত বান পীড়িত লোকৰ মাজত বিতৰণ নকৰা বুলি যি অভিযোগ উঠিছে সেইটো বৰ দুখ জনক কথা। সেয়ে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক কেইটামান আবেদন কৰিব খুজিছো। এই সাহায্য বিতৰণ কৰা তালিকা ৰাজহুৱা ভাবে প্ৰকাশ কৰিব লাগে আৰু প্ৰকৃত বান পীড়িত লোকৰ নাম যি

সকল বিষয়াৰ গাফিলতিত্ত প্ৰকাশ কৰা হোৱা নাছিল সেই সকল বিষয়াৰ বিৰুদ্ধে বিভাগীয় ভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দ্বিতীয়তে অভিযোগ উঠামতে বহুতো লোকক টকা দিয়া বুলি যি তালিকা প্ৰস্তুত কৰা হৈছে প্ৰকৃততে মানুহে টকা পোৱা নাই। গতিকে এই আটাইবোৰ কথা তদন্ত কৰি প্ৰকৃত বান বিধ্বস্ত লোকে যাতে সাহায্যৰ টকাখিনি পায় তাৰ ব্যৱস্থা গ্ৰহন কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, 'নতুন দৈনিক' বাতৰি কাকতত "সাহায্য বিতৰণৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতিৰ অভিযোগ" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। উক্ত অভিযোগ সম্পৰ্কত মৰিগাওঁ জিলাৰ উপায়ুক্তক তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল আৰু উপায়ুক্তই তদন্ত কৰি প্ৰতিবেদন তলত দিয়া ধৰণে দাখিল কৰিছে।

চৰকাৰৰ ইং ২৭।৩।৯১ তাৰিখৰ RGR ৩৭/৯০ অংশ/১৮৫ নম্বৰ চিঠিৰ দ্বাৰা মুঠতে ২১৩৯,২০০ টকা (একৈশ লাখ উনচল্লিশ হাজাৰ দুশ টকা) ১৯৮৯-৯০ চনৰ মৰিগাওঁ জিলাৰ বান পীড়িত লোক সকলৰ পুনঃ সংস্থাপনৰ বাবে অনুদান পোৱা হৈছিল। উক্ত টকাৰ পৰা মৰিগাওঁ জিলাৰ উপায়ুক্তই ইং ১২৮।৯১ তাৰিখৰ স্মাঃ নং MRR(G) ১/৯১/অংশ/১১৫ মৰ্ম্মে পুনঃ সংস্থাপনৰ গ্ৰাণ্ট হিচাপে মুঠতে লাহৰিঘাট চক্ৰৰ ১৫৯৬টা ক্ষতিগ্ৰস্থ পৰিয়ালৰ মাজত বিতৰণৰ বাবে উপায়ুক্তই মুঠ ১৫,৮৮,০২০ টকা (পোন্ধৰ লাখ অষ্টাশী হাজাৰ আৰু বিশ টকা) দিছিল। উক্ত টকা মুঠতে তলত উল্লেখ কৰা দহখন গাওঁৰ মুঠ ১৫৯৬ টা গড়াখহনীয়ত ক্ষতিগ্ৰস্ত পৰিয়ালক দিবৰ বাবে মৰিগাওঁৰ তেতিয়াৰ উপ-প্ৰতি সমাহৰ্ত্তা শ্ৰীজে কে ভূঞাক উপায়ুক্তই দায়িত্ব দিছিল। ক্ষতিগ্ৰস্ত পৰিয়ালৰ তালিকাখন লাহৰিঘাট চক্ৰৰ চক্ৰবিষয়াই তৈয়াৰ কৰিছিল যদিও উপায়ুক্তই সেইখন অনুমোদন জনাইছিল। উক্ত তালিকাত যি দহখন গাওঁৰ ক্ষতিগ্ৰস্ত

★ Speech not corrected

লোকসকলৰ নাম আছিল, সেই কেইখন গাওঁ হ'ল ১) ধুমকবা ২) শিয়াল-মাৰি কছাৰী গাওঁ ৩) শিয়ালমাৰি ৪) তেকেৰামাৰি ৫) মদাৰগুৰি ৬) সোনাৰীগাওঁ ৭) ভজাখাইটি ৮) চিতলমাৰি পথাৰ ৯) লেকুৱামুখ আৰু ১০) গৰৈমাৰি পথাৰ।

১৯৯১ চনৰ আগষ্ট মাহত লাহৰিঘাট চক্ৰৰ সদৰ স্থানলৈ অহা ৰাস্তাঘাট, দলং আদি বানপানীৰ দ্বাৰা বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা কাৰণে উক্ত পুনঃ সংস্থাপনৰ বাবে আবন্টিত ধন ক্ষতিগ্ৰস্ত পৰিয়ালবোৰৰ মাজত উপায়ুক্তৰ কাৰ্য্যালয় মৰিগাওঁতে বিতৰণ কৰিবৰ কাৰণে উপায়ুক্তই নিৰ্দেশ দিছিল। বানপানীৰ বাবে ৰাষ্টাঘাট, দলং আদি ক্ষতিগ্ৰস্ত হোৱা কাৰণে বৃহৎ পৰিমানৰ চৰকাৰী টকা নাৱৰে মৰিগাওঁৰ পৰা লাহৰিঘাটলৈ লৈ যোৱাটো নিৰাপদ নহয় বুলি বিবেচনা কৰি আৰু ক্ষতিগ্ৰস্ত পৰিয়ালৰ লোকসকলে মৰিগাওঁলৈ নাৱেৰে আহি পুনঃ সংস্থাপনৰ বাবে আবন্টিত ধন লাহৰিঘাটৰ পৰিবৰ্ত্তে মৰিগাওঁতে বিতৰণ কৰিবলৈ অনুৰোধ জনোৱাৰ পৰিপ্ৰেক্ষিতত সকলো দিশ বিবেচনা কৰি মৰিগাওঁৰ উপায়ুক্তৰ কাৰ্য্যালয়তে টকা খিনি বিতৰণৰ ব্যৱস্থা কৰা হৈছিল। উপায়ুক্তই জনোৱামতে উক্ত আবন্টিত ধন উক্ত দহখন গাওঁৰ চৰকাৰী গাওঁবুঢ়া আৰু স্থানীয় মুখিয়াল মানুহৰ সন্মুখত গাওঁবুঢ়াৰ দ্বাৰা যথাৰীতি মতে চিনাক্তকৰণ কৰি ১৯৯১ চনৰ আগষ্ট মাহৰ পৰা নবেম্বৰ মাহৰ ভিতৰত বিতৰণ কৰা হৈছে। উপায়ুক্তই আৰু জনাইছে যে ধনপ্ৰাপ্তিৰ ৰছিদত সাক্ষী হিচাপে গাওঁবুঢ়াৰো চহী লোৱা হৈছিল। যিসকল পৰিয়ালৰ গড়াখহনীয়াত পট্টাৰ মাটি ক্ষতিগ্ৰস্ত হৈছিল সেই সকলকহে পুনঃ সংস্থাপনৰ গ্ৰাণ্ট দিয়া হৈছিল কিন্তু যিসকলৰ চৰকাৰী মাটিত থকা ঘৰ দুৱাৰ ক্ষতিগ্ৰস্ত হৈছিল সেই সকলক দিয়া হোৱা নাছিল। উপায়ুক্তই প্ৰতিবেদনত জনাইছে যে লাহৰিঘাট চক্ৰত গড়াখহনীয়াটো এটা নিত্যনৈমিত্তিক ঘটনা আৰু প্ৰায়েই হৈ থাকে আৰু গড়াখহনীয়া ক্ষতিগ্ৰস্তলোকৰ তালিকাখন অনুমোদন জনোৱাৰ পিচত যি সকল লোকৰ পট্টাৰ মাটিত থকা ঘৰ-দুৱাৰ ক্ষতিগ্ৰস্ত হৈছিল সেই

সকলৰ নাম সংশ্লিষ্ট বছৰৰ অনুমোদিত তালিকাত নাছিল। উপায়ুক্তই জনোৱামতে অনুমোদিত পৰিয়ালৰ লোকসকলৰ নাম উপস্থিত ৰাইজৰ মাজত পঢ়ি দিয়া হৈছিল আৰু গাওঁবুঢ়া, লাট মণ্ডলৰ দ্বাৰা ক্ষতিগ্ৰস্ত পৰিয়াল সকলক টকা নিবৰ বাবে জনোৱা হৈছিল।

গতিকে অনুমোদিত তালিকাখন গোপনীয়ভাবে ৰখাৰ কথা আৰু অনুমোদিত তালিকাত থকা লোক সকলৰ কোনে কিমান টকা পাব সেইটো নজনোৱা বুলি উঠা অভিযোগটো সত্য নহয় আৰু ভিত্তিহীন। অনুমোদিত তালিকাখন সংশ্লিষ্ট সকলো লোকৰ মাজত বিতৰণ কৰা হোৱা নাই যদিও উক্ত তালিকাখন ৰাইজৰ প্ৰতিনিধি আৰু সংশ্লিষ্ট গাওঁৰ মুখিয়াল লোকে চাবলৈ বিচাৰিলে এতিয়াও মৰিগাওঁ জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত চাব পাৰে বুলি উপায়ুক্তই জনাইছে।

★ শ্ৰীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি বিবৃতি দিছে তাৰ ভিত্তিত মই কব বিচাৰিছো যে অভিযোগটো হৈছে যিখিনি টকা বিতৰণ কৰা হৈছে তাৰ তালিকা অনুমোদন জনাইছে, সেই তালিকাত বহুতবে ভুৱা নাম আছে। সেইখিনি ৰাজহুৱা ভাবে কোৱা হৈছে। গাওঁবুঢ়া বা অন্যান্য মুখিয়াল লোকক জনোৱা হৈছে। প্ৰকৃতাৰ্থত ডি, চি, ৰ কাৰ্য্যালয়ত ৰাজহুৱা ভাবে প্ৰকাশ কৰাৰ ব্যৱস্থা হোৱা নাই। এই বিষয়ে বান সাহায্য সম্পৰ্কে গুৰুত্ব বিষয়, এইটো তদন্ত কৰ লাগে আৰু এই তদন্তৰ জৰিয়তে অসমৰ পুনৰ বান সাহায্য সম্পৰ্কে বাতৰিৰ হেড লাইন যাতে নাহে তেনেকুৱা ব্যৱস্থা কৰিব নেকি ? ইয়াৰ লগতে মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে এই বিষয়টো তদন্ত কৰিব নে নকৰে জনাব নে ?

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, অৱশ্যে ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীবুবুল দাসৰ স্পষ্টীকৰণ দিছে আৰু মন্ত্ৰী মহোদয়ে গোটেই বিষয়টো পৰীক্ষা

★ Speech not corrected

কৰিব বুলি কৈছে। বানপানীৰ ভয়ানক ৰূপৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাত আগতীয়াকৈ বিভিন্ন খাদ্য সামগ্ৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। বাতৰিত দেখিবলৈ পাইছো বান সাহায্যত খেলিমেলি হৈছে বুলি ওলাইছে। তিনিচুকীয়া জিলাত ব্যৱস্থা লব লাগে, আনহাতে ৰাস্তা বিলাক যাতে নভঙাৰ ব্যৱস্থা কৰে তাৰ বাবে মই অনুৰোধ জনাইছো।

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবুবুল দাসৰ উত্তৰত মই কব খুজিছো, যিটো খবৰ ২৮ তাৰিখে আজিৰ অসম'ত ওলোৱাৰ পিচত আমি ব্যৱস্থা গ্ৰহণ কৰি জিলাৰ উপায়ুক্ত তদন্ত কৰিবলৈ দিছো। তদন্তৰ ৰিপোৰ্ট মই আজি ইয়াত পাঠ কৰিছো। আমি দূৰ্নীতিক প্ৰশ্ৰয় নিদিও। বিভিন্ন পুনৰ সংস্থাপন বা সাহায্যৰ কাৰণে ধন দিয়া হয়। সেই ক্ষেত্ৰত দূৰ্নীতিক আশ্ৰয় দিব নোৱাৰি। জিলাৰ উপায়ুক্তই তদন্ত কৰিছে, লাট মণ্ডল আৰু গাওঁবুঢ়াৰ সন্মুখত তালিকা বনোৱা হৈছে। এই তালিকাখন জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত আছে. যদি কাৰোবাৰ সন্দেহ হয় পৰীক্ষা কৰি কোনোবা ব্যক্তিৰ ভূৱা নাম দিয়া হৈছে বুলি কয়, তেতিয়া আমি ব্যৱস্থা লম। মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াই যি পৰামৰ্শ আগ বঢ়াইছে, সজ পৰামৰ্শ। এই ক্ষেত্ৰত মই সদনক জনাব খোজো যে ৰেভিনিউৰ স্পেচিয়েল কমিশ্বনাৰ শ্ৰীডি, কে, গঙ্গোপাধ্যায়ৰ সভাপতিত্বত যোৱা ৭ আগষ্ট তাৰিখে বান পানীৰ ক্ষেত্ৰত ব্যৱস্থা লবৰ কাৰণে সভা পতা হৈছে। ইতিমধ্যে যোৱা ৭ তাৰিখে এই খন সভা পাতি বান পানীৰ ক্ষেত্ৰত কি ব্যৱস্থা লব লাগিব বিশেষকৈ খাদ্য বস্তুৰ ক্ষেত্ৰত ইতিমধ্যে ডাইৰেক্টৰ চাপ্লাই, কমিশ্বনাৰ, এফ. চি. আই, ষ্টেডফেড আদিক লৈ সভা পাতি ইয়াৰ ব্যৱস্থা কৰা হৈছে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, নাওঁৰ ব্যৱস্থা কৰিলে ভাল হয়।

★ শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি চোৱা হব।

★ Speech not corrected

★ শ্ৰীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭ চনত যি বানপানী হৈছিল, সেই সময়ত এনেকুৱা গ্ৰেণ্টৰ ক্ষেত্ৰত অভিযোগ উঠিছিল, পিচত তদন্ত হ'ল, তদন্তৰ চূৰান্ত পৰ্য্যায় হিচাবে গাওঁবুঢ়া আৰু মণ্ডলক চাচ্‌পেন কৰা হ'ল। গাওঁবুঢ়াক আজিও নিয়োগ কৰিব পৰা নাই। এই সম্পৰ্কে মৰিগাওঁ ডি, চি, ৫টা ফাইল কমিটিক দিছিল, কেচ হৈছিল। কিন্তু আজিলৈকে ব্যৱস্থা হোৱা নাই। মই এই বিষয়টো পুনৰ তদন্তৰ জৰিয়তে সুস্পষ্ট ছবি এখন ডাঙি ধৰিবলৈ অনুৰোধ জনাইছো।

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি চোৱা হব।

★ শ্ৰীগহীন চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, আজি মই যথেষ্ট প্ৰশ্ন কৰিছিলো, অহা নাই এইটো কেনেকৈ ব্যৱস্থা হাতত লোৱা হব ?

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো নিশ্চয় হব।

★ শ্ৰীগহীন চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, কেনেকৈ কৰিলে এইটো চাব লাগে।

মাননীয় অধ্যক্ষ : মাননীয় দাস ডাঙৰীয়া, এই বিষয়ে সিদিনা বহুত আলোচনা হৈ গৈছে, সেই সময়ত সিদিনা বোধহয় আপুনি নাছিল নেকি ?

★ শ্ৰীগহীন চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, পুনৰ সংস্থাপনৰ ক্ষেত্ৰত এতিয়া মৰিগাওঁ জিলাত ১৫ লাখ টকা দিয়া বুলি ওলাইছে। নগাওঁ জিলাতো পুনৰ সংস্থাপনৰ টকা দিয়া হৈছিল। সেইটো বহা সমষ্টিত বিতৰণ কৰিছে নেকি ?

★ শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিহেতু এইটো জিৰো আৱাৰ, সেয়েহে মাননীয় সদস্যগৰাকীয়ে কৈছে পিছত জনাম।

Mr. Speaker : Another Zero Hour Notice reecived from Hon'ble Member Shri Karendra Basumatary on the news item Published in the Ajir Batori dated 8-4-92 under the caption "টংলা মহাবিদ্যালয়ৰ পৰিচালনা সমিতি পুনৰ গঠনৰ দাবী।"

---

★ Speech not corrected

Now, I call upon Hon'ble Member Shri Karendra Basumatary to speark.

★ শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮ এপ্ৰিল তাৰিখৰ আজিৰ বাতৰিত সিদিনা প্ৰকাশ পাইছে। টংলা কলেজৰ পূৰণা ইতিহাস আছে। মই বিধায়ক হোৱাৰ পিচত মাননীয় শিক্ষামন্ত্ৰীক আমন্ত্ৰন জনাইছিলো। তালৈ গৈ গাৰ্লচ কলেজ কৰিবৰ বাবে প্ৰতিশ্ৰুতি দি আহিছিল লগতে টংলা হাইস্কুলখন ছায়াৰ চেকেণ্ডাৰী কৰাৰ কথাও কৈছিল। তেখেতক তালৈ যোৱাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। টংলা কলেজৰ এখন গভাৰনিং বডি আছে। সেই গভাৰনিং বডিখন একেবাৰে ইনেক্‌টিভ। টংলা কলেজত ৩ হেজাৰ ছাত্ৰ ছাত্ৰীৰ ভিতৰত শতকৰা ৭০ ভাগ ট্ৰাইবেল ছাত্ৰ-ছাত্ৰী আছে। চাহবাগিচা আৰু জেনেৰেল কাষ্টৰ ল'ৰা-ছোৱালীও আছে। তাৰ গভাৰনিং বডিখন ভাঙি দিবৰ বাবে এটা ন'ট দিছিল। ইতিমধ্যে গভাৰনিং বডিখন ভাঙি দিছে। চিৰাচৰিত ভাবে স্থানীয় বিধায়ক গভাৰনিং বডিৰ চেয়াৰমেন হব লাগে। এই গভাৰনিং বডিখন ভাঙি আকৌ নতুনকৈ গঠন কৰিছে। বাজহুৱা ভাবে হাজাৰ হাজাৰ মানুহৰ চহী লৈ গৃহীত কৰি ভাঙি দিয়া হৈছে। শিক্ষা মন্ত্ৰীৰ লগত আলোচনা কৰি ভাঙি দিয়া হল। কিন্তু এতিয়ালৈকে পুনৰ গঠন হোৱা নাই। মই এটা কথা জনাবলৈ বিচাৰিছো। এইটো বৰ আপত্তি জনক কথা। তাৰ ডিফিটেড কেণ্ডিডেট জন গুৱাহাটীত থাকে নিজৰ ঠাইত নাথাকে। ডিফিটেড কেণ্ডিডেটক যিমান ইণ্টাৰেষ্ট দিয়ে আমাৰ বিধায়ক সকলক কোনো ইণ্টাৰেষ্ট নিদিয়ে। তাৰ প্ৰিন্সিপাল এজন আছে হয় কিন্তু প্ৰফেচৰ এতিয়ালৈকে পোৱা নাই। কলেজত বড়ো এম আই এল ৰ পোষ্ট এটা দিব লাগিছিল। কিন্তু এতিয়ালৈকে দিয়া হোৱা নাই। দৰং জিলাত ২ খন ডেফিচিত কলেজ আছে। এখন মঙ্গলদৈ আৰু আনখন টংলা কলেজ। ইয়ালৈ ল'ৰা-ছোৱালী কামৰূপৰ পৰা আহে, গোবেশ্বৰৰপৰা আছেই আৰু খৈৰাবাৰীৰ পৰা কিছু আহেই। আনহাতে

★ Speech not corrected

এই কলেজখনৰ উন্নতিৰ কথা আছেই কিন্তু এনেতে ৰাজনৈতিক ভাবে সেই গভাৰনিং বডিখনৰ ওপৰত হাত দিছে। সেই কাৰণে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় শিক্ষা মন্ত্ৰীক জনাবলৈ বিচাৰিছো যে ডিফিটেড কেণ্ডিডেটক চেয়াৰমেন দিব নেলাগে, অন্য এজন মানুহক গভাৰনিং বডি গঠন কৰি চেয়াৰমেন দিব লাগে। এইবোৰ যদি নহয় অন্যথাই ৰাজহুৱা ভাবে ব্যৱস্থা লোৱা হব। তাৰ কাৰণে ৰেচপনচিব'ল কাক কৰিব। শিক্ষাৰ ক্ষেত্ৰত খেলিমেলি চাই থাকিব নোৱাৰো। টংলা কলেজৰ ভিতৰখন কেনেকৈ চলিছে। ট্ৰাইবেল স্কলাৰশ্বিপ গৈ থাকে। সেই বিলাক মিচইউজ হয়। তাৰ কেৰানীক ইয়াৰ বাৰত উত্তম মাধ্যম দিয়া হৈছেও। এই বিলাকৰ কাৰণে কোনোবাক চাচ্‌পেন কৰি ৰাখিছে। শিক্ষাৰ ক্ষেত্ৰত তাত বহুত ক্ষতিগ্ৰস্ত হৈ আহিছে। আমাৰ স্কুল কলেজ বিলাকত ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয় মই আৰু এটা পইণ্ট কৈ সামৰনী মাৰিছো। মোৰ সমষ্টিত হায়াৰ চেকেণ্ডাৰীলৈ উন্নতকৰন কৰাৰ কাৰণে শংকৰদেব হাইস্কুলখন লৈছিল। সেই স্কুলখন হাইয়াৰ চেকেণ্ডাৰী কৰাৰ কাৰণে মাননীয় ৰাজ্যিক শিক্ষা মন্ত্ৰীক ৩ ফ্ৰেব্ৰুৱাৰীত তালৈ নিমন্ত্ৰন কৰা হৈছিল। তেখেতে কিন্তু সময়ত যাব নোৱাৰিম বুলি জনালে। মই সেই সমষ্টিৰ বিধায়ক তাৰ লগত মই জড়িত মোক নজনাই তেখেতে ডিফিটেড কেণ্ডিডেত জনক যাব নোৱাৰিম বুলি জনালে। মই ভাবিছিলো মন্ত্ৰী তালৈ যাব, আমাৰ পিচপৰা অঞ্চলৰ ৰাষ্টা বিলাক চাব, আমি তাৰ বিষয়ে জনাম। আমাৰ ১ গুদীতে দুই চিকাৰ হব। মোক নজনাই তেখেতে নাযাও বুলি ডিফিটেড কেণ্ডিডেটক হে জনালে। শিক্ষাৰ ক্ষেত্ৰত যাতে পিচপৰা অঞ্চল বিলাকত শিক্ষা বিভাগে বিশেষ ব্যৱস্থা হাতত লয় তাৰ কাৰণে মই অনুৰোধ জনাইছো।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (শিক্ষা মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰসুমতাৰী ডাঙৰীয়াই কোৱা কথা খিনি সকলো সত্য নহয়। তেওঁৰ

★ Speech not corrected

লগতে মই তেখেতৰ কলেজলৈ গৈছিলো। তেখেতে কোৱাৰ দৰে মই বিষয়টোৰ ওপৰত গুৰুত্ব নিদিয়া নহয়। তেখেতে আমাক ভাল ব্যৱহাৰ কৰিছে। বিশেষকৈ খোৱা-বোৱা ভাল হৈছিল। কলেজখনৰ যি অৱস্থা আৰু তাৰ যি দায়িত্ব, সেইটো মই উপলব্ধি কৰিছো। এতিয়া গভাৰনিং বডি সোনকালেই গঠন কৰা হ'ব। সেইখিনি নিৰপেক্ষ ভাবে কৰা কোনো দলৰ মানুহৰ দ্বাৰা কৰা নহয়। বড়ো এম, আই, এলৰ ব্যৱস্থা কৰা হ'ব। ইতিমধ্যে এগৰাকীক এই বিষয়ত এল'টমেণ্ট দিয়া হৈছে। সাধাৰণতে এইবোৰ ডাইৰেক্টৰ হায়াৰ এডুকেচনৰ দ্বাৰা কৰা হয় আৰু এই বিষয়ে তেখেতে মোক কৈছে। তদুপৰি বড়োলেণ্ড বিধায়িনী দলৰ সদস্য সকলৰ লগত কিছুমান কলেজত বড়ো এম, আই, এলৰ সম্পৰ্কত আলোচনা কৰা হৈছে। সেই মতে কাম কৰাৰ মই ব্যৱস্থা লম আমাৰ মাননীয় ৰাজ্যিক শিক্ষা মন্ত্ৰী তালৈ এনেয়ে নোযোৱাকৈ থকা নাছিল। তেখেত শিৱসাগৰত কিবা কামত ব্যস্ত থকাৰ কাৰণে, যিটো চৰকাৰী কাম আছিল, যাব নোৱাৰিলে। গতিকে মই এই বিষয়ত নিজেই দায়িত্ব লৈছো, আপোনাৰ কথা মনত আছিল। গতিকে আপুনি বেয়া পাব নেলাগে। ভৱিষ্যতে মই যাম।

★ শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ৰ কথাত মই সন্তোষ পাইছো। কিন্তু এটা কথাত বেয়া পাইছো, কাৰণ চিঠিখন কিয় মোলৈ নিদিলে। এটা টেলিগ্ৰামো দিব পাৰিলেহেঁতেন।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বেয়া পাব নেলাগে। কাৰণ তেখেতৰ ঠিকনাটো ভুল হোৱাৰ কাৰণেহে ফোন কৰি এটা খবৰ পথাৰ লগীয়া হ'ল।

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সন্দৰ্ভত এটা কথা কব বিচাৰো। ডেফিচিট্ কলেজবোৰৰ সম্পৰ্কত জানিব পাৰিছো যে বৰ্ত্তমান তাত নতুন নিয়ম কৰিছে। এই

---

★ Speech not corrected

কলেজ সমূহৰ গভৰ্নিং বডিত ডি, চি, ক স্পেচিয়েলী সভাপতি হিচাবে লোৱা হৈছে। কিন্তু ডি, চি অন্য প্ৰশাশনীয় কামত ব্যস্ত থাকিব লগা হোৱা কাৰণে বহুতো ডেফিচিত কলেজৰ গভনিং ৰডিৰ মিটিং আজিলৈকে হোৱা নাই। নিয়ম অনুসৰি তিনি মাহৰ ভিতৰত এই বৈঠক বহিব লাগে। কিন্তু কিছুমান মহাবিদ্যালয়ত ছয় মাহৰ ভিতৰত এবাৰো ডি, চি, তালৈ যোৱা নাই। ফল স্বৰূপে বহুতো পদ খালি হৈ পৰি আছে। গতিকে আজিৰ সদনতে মই এটা স্পষ্টীকৰণ বিচাৰো যে আপোনালোকে স্পেচিয়েল বডিৰ পৰিবৰ্ত্তে গভনিং বডি কৰিবনে? আৰু মোৰ দ্বিতীয়টো প্ৰশ্ন হ'ল, মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই মহাবিদ্যালয় সমূহক যথেষ্ট অনুদান দিয়া বুলি কৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও কোনোবা কলেজক এক লাখ টকা অনুদান পৰ্য্যন্ত দিছে। এইটো ভাল কাম কৰিছে। কিন্তু এটা কথা মই আপোনালোকক দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে যিবিলাক কলেজলৈ শিক্ষা মন্ত্ৰী বা মুখ্যমন্ত্ৰীক নিয়ন্ত্ৰণ কৰি নিয়া হয়, সেই বিলাক ডেফিচিট কলেজলৈ অনুদান দিয়ে আৰু যিবিলাক কলেজে নিমন্ত্ৰণ নকৰে তেনেবোৰৰ অনুদান নিদিয়ে বা কলেজ বিলাক প্ৰায় উঠাই দিয়া হয়।

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সেইটো সত্য নহয়। ডেফিচিট কলেজ সমূহলৈ আমি এক নীতিৰ ভিত্তিতহে এই অনুদান দিয়া হয়। বিভাগৰ পৰা যি নীতিৰ ভিত্তিত পাৰ্মিচন আহে, ডি, পি, আই ৰ পৰা আহিছে। ইয়াত কোনো ধৰণৰ কংগ্ৰেছ মন্ত্ৰী সকলৰ কথা মতে হোৱা নাই। ফাইনেন্স কংকাৰেন্স থাকিব লাগিব। তেতিয়াহে হয়।

★ শ্ৰীহিতেশ্বৰ ডেকা: মাননীয় অধ্যক্ষ মহোদয়, বঙিয়াৰ কলেজৰ চাইন্স বিষয়ৰ সংক্ৰান্তত ফাইনেন্স কংকাৰেন্স আগতেই আছিল নে, নতুন কৈ দিয়া হৈছে, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

---

★ Speech not corrected

★ ডাঃ ভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, কণ্ডিচন ফুলফিল নকৰাকৈ কৰা নাই ।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকল, শূণ্য সময়ত এনেকৈ প্ৰশ্ন আনিব নোৱাৰে । মই আপোনালোকক বাৰে বাৰে কৈছো । I think the explanation made by the Hon'ble Minister is enough. So, I may now proceed to another Zero Hour Notice received from Hon'ble Member Shri Ramendra Narayan Kalita, Shri Bhrigu Kumar Phukan and Shri Heteswar Deka on a news item Published in Dainik Asom "কাচীবজাৰ পুনৰ নিৰ্ম্মান নোহোৱাত আহুকাল ।" I now call upon Shri Ramendra Narayan Kalita to Speak on the matter.

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৭ এপ্ৰিল তাৰিখে দৈনিক অসম কাকতত প্ৰকাশিত "ফাঁচী বজাৰত..................." বাতৰিটোৰ সম্পৰ্কত মই পৌৰ নিগম মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । মহাশয়, আজি তিনি/চাৰি বছৰৰ আগতে গুৱাহাটী ফাঁচী বজাৰত এক ভয়াবহ অগ্নিকাণ্ডত বহুতো দোকান-পোহাৰ জ্বলি ভস্মিভূত হৈছিল । পিছত সেই দোকানী সকলক আৰু ব্যৱসায়ী সকলক পৌৰ নিগমৰ পৰা পুনৰ সংস্থাপনৰ কাৰণে ব্যৱস্থা লোৱা কথা আছিল । আৰু গুৱাহাটী পৌৰ নিগম অৰ্থাৎ চৰকাৰে ক্ষতিগ্ৰস্ত ব্যৱসায়ী সকলক ক্ষতি পূৰণ দিবলৈ ব্যৱস্থা হাতত লোৱাৰ পৰিপ্ৰেক্ষিতত মাল্টি ষ্টৰীজ বিল্ডিং নিৰ্মান কৰাৰ আঁচনি প্ৰস্তুত কৰিছিল । কিন্তু আজি তিনি বছৰেও এই আঁচনি পৌৰ নিগমে সম্পুৰ্ণ কৰিব পৰা নাই । এই ক্ষেত্ৰত গুৱাহাটী পৌৰ নিগমে "হুদকু" ৰ বৃত্তীয় অনুস্থানৰ পৰা আৰ্থিক সাহাৰ্য্য লোৱাৰ বাবে এগ্ৰিমেণ্টও কৰিছিল আৰু যথেষ্ট টকাও পাইছিল । কিন্তু আজিলৈকে ইয়াৰ দহ শতাংশও কাম সম্পূৰ্ণ হৈ উঠা নাই । এই ক্ষেত্ৰত ঠিকাদাৰ

★ Speech not corrected

সকলে হেমাহি কৰিছে নেকি, সেই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰিব নে আৰু যদি ঠিকাদাৰ সকলে এনেদৰে অৱহেলা কৰি অযথা টকা খৰছ কৰিছে, তাৰ বিৰুদ্ধে শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰিব নে?

★ শ্ৰীদেবানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৯ চনতে ফাঁচী বজাৰখন আকস্মিক অগ্নিকাণ্ডত ভস্মিভূত হয়। পৌৰ নিগমে এই বজাৰৰ বেচমেণ্ট, গ্ৰাউণ্ড ফ্লোৰ, মিজেনাইন ফ্লোৰ আৰু দুটা মহলাৰ আৰ, চি, চি ঘৰ নিৰ্মানৰ প্ৰকল্প ৩·৫ কোটি টকাৰে নিৰ্মান কৰি উলিয়াৰলৈ পৌৰনিগমে হাতত লয়। চৰকাৰৰ পৰা ৭৫লাখ টকা আৰু পৌৰনিগমৰ ফাণ্ডৰ পৰা ২৫লাখ টকা ব্যয় কৰি তলৰ বেচমেণ্ট ফ্লোৰটোৰ কাম চলি আছে। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে তাত মাত্ৰ শতকৰা ১০ ভাগ কাম হোৱা বুলি কৈছে কিন্তু প্ৰকৃততে তাত শতকৰা ৪০ ভাগ কাম হৈ গৈছে। এই বজাৰৰ বিল্ডিংৰ আটাইতকৈ প্ৰয়োজনীয় পোৰশ্যনটো হ'ল বেচমেণ্ট ফ্লোৰটো। কিন্তু এই বেচমেণ্টৰ কামটো সম্পূৰ্ণ হৈ নুঠাৰ কাৰণে মই চাইটত গৈ নিবাৰ ইন্সপেক্ট কৰিছো, তাত এটা বিশেষ অসুবিধা আছে সেইটো হ'ল তাত ওৱাটাৰ প্ৰুফিং কৰিব লগীয়া আছে। যি জন ঠিকাদাৰক এই কামটো ন্যস্ত কৰা হৈছিল তেওঁ যি ভাৱে ক্ষিপ্ৰগতিৰে কামটো কৰিব লাগিছিল সেইটো সেই ধৰণে হোৱা নাই। সাধাৰণতে এই কামটো কৰিবলৈ তাত অতি কমেও ৫০।৬০ জন লেবাৰক এনগেজ কৰিব লাগে কিন্তু তেওঁ মাত্ৰ ৮।১০জন লেবাৰহে এনগেজ কৰিছে। আচলতে এই ঠিকাদাৰ জনক উক্ত কামটো কৰিবলৈ দিয়াই ভুল হৈছে। তেওঁ দুদিন কাম কৰাৰ পিচতেই বিল চাবমিট কৰে কিন্তু আমাৰ কথা হ'ল কামৰ প্ৰগ্ৰেছ চাইহে পেমেণ্ট কৰা হয়, অতি কমেও অন্তত এটা পোৰশ্যনৰ কাম খিনি সম্পূৰ্ণ কৰি উলিয়াব লাগিব তেতিয়াহে পেমেণ্টৰ প্ৰশ্ন আহে। এনেবিলাক অসুবিধাৰ মাজেদি এই প্ৰজেক্টৰ কামটো কৰি

★ Speech not corrected

থকা হৈছে। তথাপিতো বেচমেণ্টৰ কামটো অহা এপ্ৰিল মাহৰ ১৫ তাৰিখৰ ভিতৰত সম্পূৰ্ণ হব বুলি আশা কৰিব পাৰি। আৰু এই বেচমেণ্টৰৰ কামটো শেষ হোৱাৰ পাচত গ্ৰাউণ্ড ফ্লোৰ আৰু ফাৰ্ষ্ট চেকেণ্ড ফ্লোলৰৰ কাম আৰম্ভ কৰি শেষ কৰিবলৈ বেচি সময় নালাগিব। মাননীয় বিধায়কে কোৱাৰ নিচিনাকৈ ঠিকাদাৰৰ কাৰণে অসুবিধা হৈছে নেকি. কথাটো হয় ঠিকাদাৰ জনৰ কাৰণে অসুবিধা হৈছে। ঠিকাদাৰ জনে ১৯৮৯ চনৰে প্লেন এণ্ড এষ্টিমেট দিছিল। এতিয়া প্ৰাইচ এচকালেশ্যন হৈছে, গতিকেই তেখেতে বাৰম্বাৰ পিটিশ্যন দিছে। আমাৰ ফালৰ পৰা জনোৱা হৈছে যে প্ৰথমতে বেচমেণ্টৰ কামটো সম্পূৰ্ণ কৰা হওঁক তাৰ পাচতহে প্ৰাইচ এচকালেশ্যনৰ কথাটো চাব পৰা হব। এতিয়া তেখেতে কাম কৰি আছে আশাকৰো অহা এপ্ৰিলৰ ১৫ তাৰিখৰ ভিতৰত বেচমেণ্টৰ কামটো সম্পূৰ্ণ হব। হুদকো কমপ্লেক্সৰ যিটো কথা মাননীয় সদস্য গৰাকীয়ে কৈছে, আমাৰ বিভাগৰ ফালৰ পৰা হুদকোৰ লগত যোগাযোগ কৰি থকা হৈছে কিন্তু এতিয়ালৈকে এই নিৰ্দিষ্ট আঁচনিত হুদকোৰ পৰা কোনো পইচা পোৱা হোৱা নাই। অৱশ্যে হুদকই কিছু টকা দিব পৰা হব বুলি আমাৰ লগত যোগাযোগ কৰি আছে কিন্তু এতিয়ালৈকে এই প্ৰকল্পত কোনো টকা আমি পোৱা নাই। হুদকোৰ পৰা পোৱা টকা-পইচা অন্যান্য কামত লগোৱা হৈছে কিন্তু এই প্ৰকল্পৰ বাবে পোৱা নাই, এই টকাতো এই আঁচনিৰ কাৰণে পালে আমি ক্ষিপ্ৰগতিত আগবাঢ়িব পাৰিম। তাৰোপৰি এজন ঠিকাদাৰক এটা বিশেষ কামত নিয়োগ কৰিলে তেওঁক তৎক্ষনাত সেই কামৰ পৰা আতৰাই অনাতো সহজ নহয় কিয়নো আপোনালোকে জানে যে কাৰ্বী লংপী আঁচনি তৈয়াৰ কৰিবলৈ এজন ঠিকাদাৰক দিয়া হৈছিল, তেখেতক কিবা কাৰণত সেই কামৰ পৰা আতৰাই অনাত তেওঁ হাইকোৰ্টৰ পৰা অৰ্ডাৰ আনি পুনৰ কামটো ললে। গতিকে কিছুমান অসুবিধা প্ৰশাসনীক দিশত আছে। এই বেচমেণ্টৰ কামটোত ওৱাটাৰ প্ৰুফৰ কাম আছে কিন্তু যি

জন ঠিকাদাৰক এই কামটো দিয়া হৈছে তেওঁৰ ওৱাটাৰ প্ৰুফৰ এক্সপাৰ্টাইজ নাই গতিকে তেওঁ এতিয়া বাহিৰৰ পৰা এক্সপাৰ্টাইজ আনি এই বেচমেণ্টৰ কামটো কৰিব লগীয়া হৈছে। গতিকে আমি আশা কৰিছো অহা ১৫এপ্ৰিলৰ ভিতৰত কামটো সম্পূৰ্ণ কৰি তুলিব পৰা হব। এই বেচমেণ্টৰ কামটো হৈ উঠিলে অহা ডেৰ বছৰৰ ভিতৰত সম্পূৰ্ণ বিল্ডিংৰ কামটো কৰি উলিয়াব পৰা হব বুলি আশা কৰিব পাৰি।

★ শ্ৰীৰমেন কলিতা : অধ্যক্ষ মহোদয়, তিনিবছৰ আগতে হুদকোৰ লগত এটা যোগাযোগ হৈছে বুলি শুনিছো আৰু কমাৰ্চিয়েল কমপ্লেক্সৰ কাৰণে ইয়াৰ পৰা বিষয়াও গৈছিল কিন্তু ইমান দিনেও কিয় এই কমাৰ্চিয়েল কমপ্লেক্সৰ কাৰণে হুদক'ৰ পৰা টকা আনিব পৰা নাই এই সম্পৰ্কত কব নেকি ? ২য় কথা হৈছে মন্ত্ৰী মহোদয়ে কোৱা মতে তাত শতকৰা ৪০ ভাগ কাম হৈছে কিন্তু মই জনাত তাত শতকৰা ১০ ভাগ কামো হোৱা নাই, সেইটো আপুনি বিল্ডিংৰ নক্সাটো চালেই ধৰিব পাৰিব। যিহেতু বেচমেণ্টৰ কামটো কৰোতেই তিনি বছৰ সময় লাগিল তেনে ক্ষেত্ৰত গোটেই বিল্ডিংটো সম্পূৰ্ণ কৰি উলিয়াতে ৬বছৰতকৈয়ো বেচি সময় লাগিব তেনে ক্ষেত্ৰত এই দুখীয়া ব্যৱসায়ী সকলৰ কি দুৰ্গতি হব। গতিকে এই ক্ষেত্ৰত হুদকোৰ লগত কি ব্যৱস্থা কৰিছে আৰু কিমান দিনৰ ভিতৰত এই কামটো সম্পূৰ্ণ হৈ উঠিব এইটো স্পষ্ট জনাব লাগে।

★ শ্ৰীদেবানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন মন্ত্ৰী ) : মই আগতেই কৈছো হুদক'ৰ লগত যদিয়ো যোগাযোগ চলি আছে কিন্তু এই প্ৰকল্পটোৰ কাৰণে এতিয়ালৈকে কোনো পইচা পোৱা নাই। এতিয়া হুদকোৰ ফালৰ পৰা শতকৰা ৭০ ভাগ লোণ আগবঢ়াব আৰু আমি নিজে খৰচ কৰিব লাগিব ৩০ পাৰ্চেণ্ট, অকল খৰচ কৰিলেই নহব, প্লেন এণ্ড এষ্টিমেট দিব লাগিব আৰু সেইটো তেওঁলোকৰ এক্সপাৰ্ট আৰু ইকোনমিষ্টৰ দ্বাৰা ভেৰিফাইদ আৰু চেৰ্টিফাইড হোৱাৰ পাচতহে তেওঁলোকে লোণটো দিব পাৰিব

★ Speech not corrected

কিন্তু এতিয়ালৈকে কোনো পইচা পোৱা নাই। সদ্যহতে চৰকাৰৰ পৰা অনুদান হিচাবে ৭৩ লাখ টকা পোৱা হৈছে আৰু পৌৰনিগমৰ ফালৰ পৰা ২৫ লাখ টকা ব্যয় কৰি কমাৰ্চিয়েল কমপ্লেক্সৰ কাম ক্ষিপ্ৰ গতিত আগবাঢ়ি আছে। কিন্তু উক্ত কামৰ কাৰণে ওৱাটাৰ প্ৰুফৰ কামটোত বেছি গুৰুত্ব দিব লগীয়া হৈছে যদিও যি জন ঠিকাদাৰক কামটো দিয়া হৈছে তেওঁৰ ওৱাটাৰ প্ৰুফ এক্সপাৰ্টাইজ নোহোৱাৰ কাৰণে আনৰ পৰা এক্সপাৰ্টাইজ হায়াৰ কাৰছে, গতিকে সেই হিচাবে আমি অহা ১৫ এপ্ৰিলৰ ভিতৰত বেচমেন্টৰ কামটো শেষ কৰিব পাৰিম বুলি আশা কৰিছো। মাননীয় সদস্য গৰাকীয়ে যিটো ৬ বছৰ লাগিব অংকটো দেখুৱাইছে সেইটো নহয় অকল বেচমেন্টৰ কামটোৰ কাৰণে বাকী কাম খিনি ক্ষিপ্ৰগতিত আগবাঢ়িব পৰা নাই। বেচমেন্টৰ কামটো হৈ উঠাৰ লগে লগে বাকী খিনি কাম সম্পূৰ্ণ কৰি তোলাত বিশেষ অসুবিধা নহব। এই হিচাবে কাম হলে আমি আশা কৰিছো অহা ডেৰ বছৰৰ ভিতৰত কমাৰ্চিয়েল কমপ্লেক্সৰ কামটো সম্পূৰ্ণ কৰি তুলিব পাৰিম বুলি আশা কৰিব পাৰো।

মাননীয় অধ্যক্ষ : এতিয়া জিৰো আৱাৰ অভাৱ হৈছে।

★ শ্ৰীক্ষিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, সিদিনা শুক্ৰবাৰে সদনত স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে আমচাৰ ষ্ট্ৰাইকৰ ওপৰত এটা বিবৃতি দিয়াৰ কথা আছিল। গতিকে এই বিবৃতি কেতিয়াকৈ দিব জনাবনে ?

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, চাউল সম্পৰ্কত এখন কমিটি তদন্তৰ বাবে পঠোৱা হল। সেই ৰিপোৰ্টতো পিচদিনাই দিয়াৰ কথা আছিল। কিন্তু এই সম্পৰ্কত যোৱা কালিৰ এজেণ্ডাটো নাই আজিৰ এজেণ্ডাতো নাই। আমি জানিব পৰামতে যি ধৰণৰ চুপাৰ ফাইন চাউল দিব লাগিছিল সেই ধৰণে দিয়া নাই আৰু এটা দোষণীয় ৰিপোৰ্ট এটা দিয়া বুলি জানিব পাৰিছো। উদ্দেশ্য প্ৰনোদিত ভাবে ইয়াক নিদিয়াকৈ এৰাই চলিব বিচাৰিছে নেকি ?

★ Speech not corrected

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, কথা হৈছে যে, আমাৰ পৌৰ প্ৰশাসন মন্ত্ৰীয়ে ইঞ্জিনিয়াৰ নিযুক্তি দিয়াৰ ক্ষেত্ৰত এখন প্ৰতিবেদন সদনত দিয়াৰ কথা আছিল দিয়া নাই। ভেটেনাৰি মন্ত্ৰীয়েও মোৰ সমষ্টিত এটা চাৰ চেণ্টাৰৰ প্ৰতিবেদন দিয়াৰ কথা আছিল দিয়া নাই। এই প্ৰতিবেদন বিলাক কেতিয়া দিব ? আমি মন্ত্ৰী মহোদয়ৰ পৰা কেতিয়া পাম ? আমি সাধাৰণতে গণ্ডগোল নকৰো। কিন্তু মন্ত্ৰী মহোদয় সকলে যদি প্ৰতিবেদন দাখিল নকৰে তেনেহলে গণ্ডগোল নহৈ কি হব ?

★ শ্ৰীভূিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, নলবাৰীৰ আই. টি. দি, পিৰ কি হল মন্ত্ৰী মহোদয়ে জনাব লাগে ?

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, আমচাই এতিয়াও হুমকি দি আছে। তেওঁলোকে আকৌ ষ্ট্ৰাইক কৰিলে এটা জলন্ত সমস্যা হব। এই সম্পৰ্কে যোৱাকালি সদনতো আলোচনা হোৱা নাই। তাৰোপৰি আৰু ৮/৯ মাহলৈ বিধানসভা নহব আৰু আমি ওয়েট কৰিব লাগিব। তাৰ ওপৰিও ৰাতৰি কাকতত মুঠালৈকে মন্ত্ৰীৰ গাত নালাগে। গতিকে এই ক্ষেত্ৰত এটা কলিং দিব লাগে।

★ শ্ৰীঅঞ্জন দত্ত : অধ্যক্ষ মহোদয়, শুক্ৰবাৰে প্ৰতিবেদন দাখিল কৰাৰ কথা আছিল। সেইদিনা সুযোগ নহল, আজি কথাটো ওলাইছে ভাল হৈছে। উলিয়াব লাগে।

★ শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মাননীয় সদস্যজন নতুন। তেখেতে হয়তো সদনৰ কলিংটো নাজানে। এই ষ্টেটমেণ্টটো আমি সদনৰ টেবুলত পাব লাগিছিল।

( সদনত গন্দগোল )

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলে যিখিনি কথা কৈছে তাৰে কিছুমান ৰিপোৰ্ট দিয়া নাই, দিম বুলি কৈছে আৰু কিছুমান দিছে। আই. টি. দি.

---

★ Speech not corrected

পিৰ মন্ত্ৰীয়ে সিদিনাই দিম বুলি কৈছিল আৰু আনিছিল কিন্তু সময় নোহোৱাত দিব নোৱাৰিলে। আজিও দিয়াৰ বাবে লৈ আহিছিল। আৰু মোক সুধিছিল যে আজি কোৱেশ্যন আৱাৰৰ পিচত দিব পৰা হব নেকি ? মই কলো যে, কোৱেশ্যন আৱাৰৰ পিচত জিৰো আৱাৰ আছে গতিকে তাৰ আগতে দিব নোৱাৰিম। তেখেতে মোলৈ লিখি গৈছে যে, তেখেত আজি দিল্লীলৈ যাব আৰু ৰাজ্যিক মন্ত্ৰী পাটগিৰি দেৱে এইটো লে দাউন কৰিব। সেই ধৰণে আমচাৰটোও দিব।

★ শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৰিপোৰ্টটো ৰেদি হৈ আছে। সময়ৰ অভাৱতহে দিব পৰা নাই।

★ শ্ৰীচিলভিউছ কন্দপান ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মইও কালিলৈ দিম।

মাননীয় অধ্যক্ষ : সদনত দাখিল কৰিম বুলি আশ্বাস দিছে যেতিয়া সদনত দাখিল কৰা বাবে অনুৰোধ জনালো।

★ শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সময় হলে আজিয়েই দিম।

মাননীয় অধ্যক্ষ : যি সকলে দিব পাৰে তেখেত সকলক লে দাউন কৰাৰ বাবে অনুমতি দিলো। চাউলৰ তদন্তৰ ক্ষেত্ৰত মাননীয় সদস্য লক্ষীপ্ৰসাদ বৰগোহাইৰ নেতৃত্বতত মাননীয় সদস্যসকল গৈছিল। কিন্তু ইণ্টাৰিম ৰিপোৰ্টতো মাননীয় সদস্য সকলে বেলেগে দিছে আৰু তেখেতেও দিছে। আৰু দেখা গৈছে যে, দুয়োটা ৰিপোৰ্টৰ ভিতৰত কিছু দিফাৰেন্স দেখা গৈছে। গতিকে মই ভাবিলো যে, ভালকৈ পৰীক্ষা কৰা উচিত হব। সেইকাৰণে এই চাউলখিনি খাদ্যৰ উপযোগী হবনে নহয় পৰীক্ষা কৰাৰ বাবে ফুদ ইন্সপেক্টৰ, কোৱালিটি কণ্ট্ৰল আৰু ফৰেইনচিক লেবৰেটৰি আদিৰ লগত যোগাযোগ কৰিছো। গতিকে তেখেত সকলৰ পৰা ৰিপোৰ্ট আহোতে পলম হব পাৰে। আপোনালোকৰ জ্ঞাতাৰ্থে মই জনাব বিচাৰো যে, দলপতি আৰু মাননীয় সদস্যসকলে দিয়া ৰিপোৰ্টটো যিহেতুকে দিফাৰ কৰিছে সেই হেতুকে মই ভাবো যে, এক্সপাৰ্ট অপিনিয়ন লোৱাতো ভাল হব।

---

★ Speech not corrected

I am not Competent to say whether these rice is consumable or not.

★ ডাঃ জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, চাউলৰ ইন্টাৰিম ৰিপোৰ্টতো কমিটিয়ে দিয়াৰ পিচত এইটো হাউচত আলোচনা কৰিব লাগে। কিন্তু এই ইন্টাৰিম ৰিপোৰ্টটো আপোনাৰ হাতত দিয়াৰ পিচতো সদনত নিদি কিয় আপোনাৰ কমত গাপ দি ৰাখিলে ?

★ Speech not corrected

Raj Bhawan
March 3, 1992

Under the provision of Article 207 (30) of the Constitution of India. I, Loknath Misra Governor of Assam recommend that the Assam (Sales Tax) (Amendment) Bill, 1992 be taken into consideration by the Assam Legislative Assembly.

(Loknath Misra)
Governor, Assam.

★ Shri Anowar Hussain (Minister of State): Sir, I beg to move that the Assam Sales Tax (Amendment) Bill, 1992 be taken into consideration.

Mr. Speaker : I put the Motion. The motion is that the Assam Sales Tax (Amendment) Bill, 1992 be taken into consideration.

(The Motion is passed.)

Now, I come to item No. 8(b)

There is no amendment of clause 2 and 3 of the Bill, I now put clauses 2 and 3 of the Bill before the House for approval.

The question is that clause 2 and 3 do stand part of the Bill. (After a pause) Clauses 2 and 3 do form part of the Bill.

I now put the Clause I, Preamble, Enacting Formula and Short Title of the Bill before the House for approval. The question is that Clause I, Preamble,

★ Speech not corrected

Enacting Formula and Short Title do stand part of the Bill.

Clause I, Preamble, Enacting Formula, and Short Title do form part of the Bill.

Now, Item No. 8(c)

★ Shri Anowar Hussain ( Minister of State ) : Sir, I beg to move that the Assam Sales Tax ( Amendment ) Bill, 1992 be passed.

Mr. Speaker : Now, I put the Motion before the House for approval. The Motion is that the Assam Sales Tax ( Amendment ) Bill, 1992 be passed.

( The Motion is passed and the Bill is passed )

Now, item No. 9, I will come to it later on. Therefore, now, I call upon Hon'ble Chief Minister to move the Assam Professions, Trades, Callings and Employments Taxation ( Amendment ) Bill 1992 which comes under item No. 10.

★ Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that the Assam Professions, Trades, Callings and Employments Taxation ( Amendment ) Bill, 1992 be taken into consideration.

Mr. Speaker : Here is a message from Governor of Assam.

Raj Bhavan. Guwahati

March 19, 1992.

Under the provision of Article 207(3) of the

★ Speech not corrected

Constitution of India, I, Lokrath Misra, Governor of Assam, recommend that the Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1992 be taken into consideration by the Assam Legislative Assembly.

(Loknath Misra)
Governor of Assam.

★ Shri Hiteswar Saikia (Chief Minister): Sir, I beg to move that the Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1992 be taken into consideration.

Mr. Speaker: Now, I put the Motion before the House. The Motion is that "The Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1992 be taken into consideration. (after a pause)

(The Motion is passed).

There is an amendment in Clause 4 of the Bill in the name of the Hon'ble Members Sarvasree Sasha Kamal Handique, Nizamuddin Khan, Derhagra Muchahary, Parameswar Brahma and Zoii Nath Sarma. I now call upon Shri Sasha Kamal Handique to speak on the amendment.

★ Shri Sasha Kamal Handique: Sir, I beg to move the amendment. "The proviso to Clause 4" Provided that entry 21 in the Scheduled shall apply only to such

★ Speech not corrected

clauses of persons as may be specified by the state Government by notification from time to time "sought to be inserted shall be deleted."

Mr. Speaker : Now, I call upon Honourable Member Shri Nizamuddin Khan to move the amendment.

( Voices : Sir, only one Member can move it. It is not necessary to move it by all the Members ).

★ শ্ৰীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, এই আইনৰ ক্লজ ৪, ২১ নং সংশোধনীৰ যোগেদি ইয়াত কোৱা হৈছে Quoted : In the Statement of Objects and Reasons, it is stated that "The Bill seeks to restructure the professions tax with the object of streamlining its administration. It also seeks to marginally reduce the rate of tax applicable to salaried people at lower levels of income. The consequential loss is proposed to be made up by marginal adjustment at other levels". আমি অনা এই সংশোধনীৰ যোগেদি এই সন্দৰ্ভত আমি কব বিচাৰো যে আজি যিখিনি কৰ্ম্মচাৰীৰ ওপৰত কৰ লগোৱা হৈছে, চৰকাৰে প্ৰপোজ কৰিছে। আমি কৈছো এইটো কৰিব নেলাগে। সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত এই কৰ জাপি দিব নেলাগে। এই সংশোধনীৰ যোগেদি চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ ওপৰত কৰৰ বোজা বেছিকৈ পৰিব। চৰকাৰে ৰাজহ সংগ্ৰহ কৰা দৰকাৰ। ৰাজহ সংগ্ৰহ নকৰিলে ৰাজ্যখনৰ প্ৰশাসনীয় বা অন্যান্য কাম-কাজ কৰাত অসুবিধা হয়। কিন্তু তলৰ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ ওপৰত মাহিলী যি কৰৰ বোজা জাপি দিব বিচাৰিছে-মই ভাবো চৰকাৰে এইটো উঠাই লব। আৰু এই সংশোধনীৰ ওপৰত আমি যি পৰামৰ্শ আগবঢ়াইছো মই আশা কৰো চৰকাৰে সেইটো গ্ৰহণ কৰিব।

★ Speech not corrected

★ শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, আমি এই সংশোধনীৰ জৰিয়তে বৰ্ত্তমান চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই ক্ষেত্ৰত চৰকাৰে যি কৰ বঢ়ুৱাব চেষ্টা কৰিছে তাৰ দ্বাৰা তলৰ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ ওপৰত এক সাংঘাটিক ধৰণৰ আঘাত হনাৰ চেষ্টা কৰা হৈছে। কিয়নো তেওঁলোকৰ সীমিত আয়েৰে বৰ্ত্তমানৰ যি মূল্যসূচী তাৰে নিজৰ পৰিয়াল নাইবা নিজে চলাৰ ক্ষেত্ৰত আৰ্থিক ভাবে সংকটত পৰিব। আমি আশা কৰিছো তলৰ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ ওপৰত কৰৰ বোজা জাপি নিদি তেওঁলোকৰ পৰিয়াল স্বচ্ছল ভাবে চলাৰ ব্যৱস্থা কৰাৰ কাৰণে ব্যৱস্থা লবলৈ এই সংশোধনী উত্থাপন কৰিছো।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত মাননীয় সদস্য শ্ৰীপশ কমল সন্দিকৈ ডাঙৰীয়াই উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো মই সমৰ্থন কৰিছো। কাৰণ এই প্ৰফেচনেল টেক্স লগোৱাই নিম্ন শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ ওপৰত চৰকাৰে এটা এডিচনেল বাৰ্ডেন জাপি দিছে। এই টেক্স বৃদ্ধি কৰা হৈছে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ ওপৰত। এইটো ভয়াবহ কথা হব তেওঁলোকৰ বাবে। আজিৰ এই বয় বস্তুৰ বৰ্দ্ধিত দামৰ দিনত এই সকল কৰ্ম্মচাৰীয়ে নিজৰ প্ৰাপ্য খিনিৰে নিজে চলাটোৱেই টান হৈ পৰিছে আজি আপোনালোকে দেখা পাইছে বিভিন্ন বয় বস্তুৰ ওপৰত ইতিমধ্যেই কৰ লগোৱা হৈছে। কিছুমান বস্তুৰ ওপৰত ডাবোল টেক্স লগোৱা হৈছে। ৰ' মেটেৰিয়েলৰ ওপৰতো কৰ লগোৱা হৈছে আৰু বাই প্ৰডাক্টৰ ওপৰতো টেক্স লগোৱা হৈছে। তেনে পৰিস্থিতিত দৰমহাৰ ক্ষেত্ৰত কৰৰ এডিচনেল বোজা জাপি দিয়া হয় তেতিয়াহলে কৰ্ম্মচাৰী সকলক কিছুমান বেয়া কাম কৰিবলৈ এই সংশোধনীৰ জৰিয়তে বাধ্য কৰোৱা হব বুলি মই ভাবো। এটা কথা চৰকাৰে ৰাজহ সংগ্ৰহ কৰিবলৈ হলে-এই টেক্স নলগাই বা অত্যাৱশ্যকীয় বয় বস্তুৰ ওপৰত টেক্স নলগায়ো অন্নান্য ধৰণে চৰকাৰে ৰাজহ সংগ্ৰহ কৰিব পাৰে। আজি চৰকাৰে 'অৰ্থডক্স টি'ৰ ওপৰত থকা কৰ মাফ কৰি দিছে। কিছু কিছু

★ Speech not corrected

ধনীক শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত বাজেটত টেক্স মাফ কৰি দিয়া হৈছে। অথচ কৰ্মচাৰী সকলৰ দৰমহাৰ নিৰিখৰ ওপৰত চৰকাৰে এই টেক্স লগাই যি এক অৱস্থাৰ সৃষ্টি কৰিব বিচাৰিছে ইয়াৰ দ্বাৰা কৰ্মচাৰী সকলক আকৌ বেয়া কাম কৰিবলৈ উচতনি দিয়াহে হব বুলি মই ভাবো। এই সংশোধনী অনাটো ঠিক হোৱা নাই বুলি মই ভাবো। এই খিনিতে মই চৰকাৰৰ এটেনচন ড্ৰ কৰি এটা কথা কব খুজিছো। অসমত ৰাজহ সংগ্ৰহ কৰাৰ কাৰণে বহুখিনি সুবিধা আছে।

বিশেষকৈ মাইন এণ্ড মিনাৰেলচৰ ক্ষেত্ৰত আমাৰ চৰকাৰে আইন প্ৰণয়ণ কৰিব পাৰে। এই ক্ষেত্ৰত মই মাননীয় মূখ্য মন্ত্ৰীক এটা পৰিপূৰক প্ৰশ্ন কৰিছিলো-অসমৰ ৰাষ্টাবোৰত গ্ৰেনাইটক পাথৰ হিচাবে ব্যৱহাৰ কৰা হৈছে, ৰাষ্টাত শিল পৰা হৈছে। অসমত আজি গ্ৰেনাইটৰ প্ৰচুৰ সম্ভাৱনা আছে-ইয়াক পাথৰ হিচাবে ব্যৱহাৰ নকৰি গ্ৰেনাইট হিচাবে ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। এইটো আজি এই কাৰণেই হৈছে যে শিলৰ কোৱাৰীবোৰ মাইনচ এণ্ড মিনাৰেল বিভাগৰ তলত নহয়, বন বিভাগৰ তলত। বন বিভাগে এই কোৱাৰীবোৰ লিজত দিয়ে-ফলত এই দামী সম্পদবোৰ, গ্ৰেনাইটবোৰ ৰাষ্টাত শিল হিচাবে ব্যৱহাৰ কৰা হৈছে। চৰকাৰে এখন আইন প্ৰণয়ণ কৰি এই শিল থকা মাটিবোৰ ফৰেষ্টৰ হাতৰ পৰা আনি জিয়লজী এণ্ড মাইনিং বিভাগৰ হাতত দিব লাগে। এই গ্ৰেনাইটৰ দ্বাৰা অসমত উদ্যোগ গঢ়ি তুলিব পৰা হব আৰু ইয়াৰ পৰা অসম চৰকাৰৰ ৰাজহ সংগ্ৰহ বৃদ্ধি পাব। আজি চৰকাৰে যি খন বিল উত্থাপণ কৰিছে আৰু ইয়াৰ ওপৰত বিৰোধী পক্ষই যি সংশোধনী আনিছে, চৰকাৰে এই সংশোধনী পুনৰ বিবেচনা কৰিব লাগে। অসমত ৰাজহ সংগ্ৰহৰ যথেষ্ট আনস্কপ আছে। তাৰ কাৰণে চৰকাৰে আইন আনক তাত আমি সমৰ্থন কৰিম। কিন্তু আজি চৰকাৰে এই নিম্ন আয়ৰ কৰ্মচাৰী সকলৰ ওপৰত যি অতিৰিক্ত কৰ লগোৱাৰ ব্যৱস্থা কৰিছে তাৰ আমি বিৰোধিতা কৰিছো। এই টেক্স আপোনালোকে

ৰিডিউচ কৰিব বুলি আশা ৰাখিছো। নহলে আমি কৰ্ম্মচাৰী সকলক বেয়া কাম কৰিবলৈ ঠেলি দিয়া হব।

★ শ্ৰীগিয়াছুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনী প্ৰস্তাৱৰ ওপৰত মই দুষাৰমান কব বিচাৰিছো। এই সংশোধনী অতি যুক্তি সঙ্গত আৰু ন্যায় সঙ্গত হৈছে। ইয়াত ৪ ধাৰা মতে কিছুমান টেক্স লগোৱা হৈছে। চেকচন ৪ ত কোৱা হৈছে (Quoted : The Tax under Section 3 shall be payable by every person specified in that Section and falling under one or the other of the classes mentioned in the second column of the Schedule annexed to this Act at the rate mentioned against the class of such persons in the third column of the Schedule) আৰু চিডিউল যিটো দিছে তাৰ ভিতৰত এটা বস্তু দুই আৰু তিনি উল্লেখ কৰা হৈছে। একহাজাৰ তিনিশ চৌতিশ টকাৰ পৰা এক হাজাৰ ছশ ছয়চষ্টি টকা উপাৰ্জন কৰা যিবিলাক লোক আছে তেওঁলোকৰ টেক্স শতকৰা মাহিলী বাৰ টকা। ইয়াত উল্লেখ কৰিছে যে একহাজাৰ তিনিশ ছয়ত্ৰিশ টকাৰ উপাৰ্জন কৰা মানুহৰ মাহিলী বাৰটকাকৈ টেক্স দিয়া কথাটো সহজ নহয়। এইখিনি উপাৰ্জন যি সকলে কৰে সেই সকলে এই বস্তুৰ মূল্যৰ যিটো বৃদ্ধি হৈছে সেই মূল্যৰ লগত যদি তুলনা কৰা হয় এই মানুহ খিনিৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বনবাস কৰিছে। মাহিলী উপাৰ্জন একহাজাৰ তিনিশ চৌতিশ টকা, মাননীয় সদস্য সকলে নিশ্চয় বুজি পায় যে একহাজাৰ তিনিশ চৌতিশ টকা পোৱা লোকে লঘোনে থাকিব লাগিব নহলে আংশিকভাবে খাই থাকিব লাগিব। গতিকে এই মানুহ খিনি যে নিসন্দেহে দৰিদ্ৰ সীমাৰেখাৰ তলত সেইটো সকলোৱে জানে। আচল কথা হ'ল এখন কল্যান কামী ৰাষ্ট্ৰত, গণতান্ত্ৰিক দেশত এই শ্ৰেণী মানুহৰ ওপৰত এনে ধৰণৰ টেক্স লগাবলৈ সিদ্ধান্ত কৰাটো এইটো এটা আচৰিত কথা। গতিকে মই

★ Speech not corrected

অনুৰোধ কৰিব খোজো যে এই সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। ২ আৰু ৩ যি ১৬৬৭ ৰ পৰা ২০৮৩ ৰ দৰমহা পোৱা লোকক মাহিলী শতকৰা ১৬ টকাকৈ টেক্স লগোৱা হৈছে। এইখিনি বাদ দিলেও চৰকাৰৰ কোনো অসুবিধা নহয়। বেলেগ বহুত বস্তু আছে। এই দুখীয়া মানুহখিনিৰ ওপৰত কৰ লগালে সমাজত এটা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হব। আমি জানো চৰকাৰ চলিবলৈ টকা পইচাৰ প্ৰয়োজন। লগতে আমি এইটো জানো যে কল্যানকামী ৰাজ্য এখনত এনে ব্যৱস্থা কৰিলে লগতে বস্তুৰ যি মূল্য বৃদ্ধি হৈছে, ১৬৬৭ ৰ পৰা ২০৮৩ টকা উপাৰ্জন কৰা লোকৰ পৰিয়ালক ভৰণ পোষণ দিয়াটোৱেই সম্ভৱপৰ নহয়। সকলো বস্তু বাদ দি কেৱল চাউল কিনিবলৈ টকা নহব। কাপোৰ, চিকিৎসা আদি বাদ দিও নিমখ কিনিবলৈ পইচা নহব। গতিকে ১৬৬৭ ৰ টকা উপাৰ্জন কৰা লোকৰ ওপৰত যদি এক পইচাও টেক্স আদায় কৰাৰ চেষ্টা কৰা হয় এইটো এটা অবাস্তব, অযুক্তিকৰ, অন্যায়, আৰু নিস্পেষন কৰাৰ কথা হব। গতিকে ইয়াত প্ৰেছটিজ ইচুটো বাদ দি হলেও আমাৰ যিটো সংশোধনী প্ৰস্তাৱ অনা হৈছে সেইটো মানি লব লাগে। এই সংশোধনী প্ৰস্তাৱ মানি ললে কোনো স্বৰ্গ ভাঙি নপৰে। চৰকাৰৰ মৰ্য্যদাও ক্ষুন্ন নহয়। যদি চৰকাৰৰ মৰ্য্যদা ক্ষুন্ন হয় বুলি ভাবে তেতিয়াহলে মই মোৰ বন্ধু শ্ৰীগণকমল সন্দিকৈ ডাঙৰীয়াক তেওঁৰ সংশোধনী প্ৰস্তাৱটো উঠাই লবলৈ মই অনুৰোধ কৰিম লগতে চৰকাৰে এই খিনি কথা মানি লওঁক। গতিকে এই বিষয়টোৰ প্ৰেছটিজ ইচু কৰিব নালাগে। দুখীয়া মানুহৰ স্বাৰ্থৰ খাতিৰত চৰকাৰে বিবেচনা কৰি চোৱা উচিত বুলি মই ভাবো।

★ শ্ৰীদৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, এই বিল খনৰ ওপৰত যিখিনি কথা কোৱা হৈছে ইয়াৰ ওপৰত মই আৰু বেচি নকও। মই মাত্ৰ দুটা মান পইণ্ট উনুকিয়াব খুজিছো। এই বিল খনৰ যোগেদি দেখুৱা হৈছে যে সাধাৰণ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ ওপৰত ই দুটা আঘাট হিচাবে আহিছে। বিশেষকৈ ইয়াত দুটা কথা খুব চকুত পৰা।

★ Speech not corrected

কৰ্ম্মচাৰীয়ে কৰ দিব লাগে। সেই কৰৰ পইচা কৰ্ম্মচাৰীয়ে নিজে কাটি ৰাখিব লাগে। আৰু কৰ্ম্মচাৰীৰ যিটো এচেচমেণ্ট সেইটো টেক্স অথোৰেটিয়ে নাকচ কৰি দিব পাৰে। সেই ক্ষমতা দিয়া হৈছে। আৰু এটা অসন্তোসজনক কথা হৈছে টেক্স অনাদায় হৈ থাকিলে সুদ ধাৰ্য্য কৰিবলৈ দিয়া হৈছে। এনেয়ে তৃথীয়া প্ৰফেচনৰ ওপৰত কৰ লগোৱা হৈছে তাতে আকৌ কতৃপক্ষক কাটি ৰাখিবলৈ কোৱা হৈছে। টেক্সৰ এচেচমেণ্ট ভুল হলে বা অনাদায় হৈ থাকিলে ১৫ দিনৰ ভিতৰত আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে। লগতে আদায়ৰ সময়ত সুদৰ ব্যৱস্থাও কৰা হৈছে। এনেয়ে বস্তুৰ মূল্য বৃদ্ধি হৈছে, তেনে অৱস্থাত সাধাৰণ পৰিয়াল এটা চলি থকাতো অতি কষ্টকৰ হৈছে। তেনেস্থলত এই বিলে সাধাৰণ মধ্য বৃত্ত পৰিয়ালৰ ওপৰত মাধমাৰ হিচাবে আহিছে। গতিকে মই বিৰোধী পক্ষৰ ফালৰ পৰা যিটো সংশোধনী আনিছে তাত মই সমৰ্থন জনাই চৰকাৰক অনুৰোধ জনাও যে এই সংশোধনীটো মানি লব লাগে।

★ श्रीमधुसूधन दिवारी : माननीय अध्यक्ष महोदय, में इस सशोधन प्रस्ताव के बारे में यह कहना छाहता हु कि जो वतुर्थ एवं तुताय श्रेणियों के कर्मचारीयों पर जो प्रफेचनल टेक्स लगाया गया हे वह बिल्कुल अनुचित है। इन कर्मचारियों का जो वेतन मिलता है वह-15 दिन तक भः नहीं चलता और उसके बाद सूद पर समथा सोजते फिरते है। अतः इनके उपर और टेक्स बढ़ाना कहा तक उचित है। में सरकार से निवेदन करता हु कि इन कर्मचारियों को इस प्रफेचनेल टेक्स से बंचित किया जाय।

Mr. Speaker : Mr. Handique, will withdraw your amendment ?

Shri Sashakamal Handique : No Sir.

Mr. Speaker : Now I put the amendment before the House. The question is that "The proviso to clause

---

★ Speech not corrected

4- "Provided that entry 21 in the scheduld shall apply only to such classes of persons as may be specified by the State Government by notification from time to time "sought to be inserted shall be deleted."

The amendment is lost.

Clause 4 do from part of the Bill.

There is an amendment on clauses 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, 19 and 20 of the Bill. I now put clauses 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, 19 and 20 before the House. The question is that clauses 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, 19 and 20 do stand part of the Bill.

Clauses 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, 19 and 20 do form part of the Bill.

There are two amendments in clauses 21 of the Bill. One in the name of Hon'ble Members Sarvasree Sashakamal Handique, Nizamuddin Khan, Derhagra Mochahary, Parameswar Brahma and Zoii Nath Sarma and other in the name of Hon'ble Member Shri Bharat Chandra Narah. Now I call upon the Hon'ble Members one by one to move and speak on their amendment. I now request Hon'ble Member Shri Sashakamal Handique to move the amendment.

★ শ্ৰীজয়নাথ শৰ্ম্মা : চাৰ মোৰ কবলগীয়া আছে চাৰ।

মাননীয় অধ্যক্ষ : এইটোত নাই। ইয়াৰ পিচত আছে।

★ শ্ৰীজয়নাথ শৰ্ম্মা : এইটোতো আছে চাৰ। চাওঁক চাৰ মোৰ নাম আছে।

---

★ Speech not corrected

মাননীয় অধ্যক্ষ : আপোনাৰ ক্লজ ২১ ত আছে।

★ শ্ৰীজয়নাথ শৰ্ম্মা : নহয় চাৰ মোৰ নাম ক্লজ ফোৰত আছে। কিবা কাৰণত ভুল হব পাৰে।

মাননীয় অধ্যক্ষ : পিচত কব। এই কেইটা পাচ কৰি লৈছো।

Shri Sashakamal Handique : Mr. Speaker Sir, I beg to move that (a) "In the proposed clause 21, in the schedule entries in sub-clause 1" (ii) Rs. 1,334 or more, but less then Rs. 1666 Rs. 12 per mensem "and" (iii) Rs. 1666 or more, but less than Rs. 2083 Rs. 16 per mensem "shall be deleted and the remaining entries shall be renumbered".

(b) In the proposed clause 21, in the schedule 1 entries "20 Self-employed persons in the motion picture industry:-

(a) Directors, actors and actresses Rs. 1500 per annum ( excluding junior artists ) play-back singers, camaramen, recordists, editors and still photographers;

(b) Junior artists, production managers, Rs. 150 per annum assistant directors, assistant camaramen, assistant recordists, assistant editors, musicians and dancers. Sought to be inserted shall be deleted and the remaining entries shall be renumbered."

আজি এই যিখন বিধেয়কৰ যোগেদি একেবাৰে নিম্ন খাপৰ যি সকল কৰ্ম্মচাৰী সেই সকলৰ যিখিনি মাহেকীয়া আয় বা উপাৰ্জন সেই আয়েৰে জীৱন নিৰ্ব্বাহ কৰিব নোৱাৰে সেই সকলৰ ওপৰতো টেক্স লগোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰে আয় কৰৰ সীমা নিৰ্দ্ধাৰণ কৰোতে আঠাইশ হাজাৰত সীমা চিলিং বান্ধি দিছে। কিন্তু ইয়াতে ক্লজ ৩ মতে ১৬৬৬ স্কেল যদি

★ Speech not corrected

হিচাব কৰা যায় তেনেহলে বছৰেকত ২৪·৯৯৬ টকা হয়। এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ নীতিৰ লগত অসম চৰকাৰৰ নীতিৰ সামঞ্জস্য নঘটে। মই সিদিনাও বিধান সভাত কৈছো যে আমাৰ যিখিনি নিম্ন বেতনভোগী কৰ্ম্মচাৰী সেই সকলৰ টেক্সৰ পৰা ৰেহাই দিব লাগে। অসম চৰকাৰৰ টকা শিকাৰ কাৰণে বিবম্বনা হৈছে কাম কৰিবলৈ অসুবিধা হৈছে। মথাউৰি নাই, ৰাস্তা নাই, চাকৰি বাকৰি নাই, ইণ্ডাষ্ট্রি নাই ইত্যাদি কথা আছে। এই বিলাকৰ কাৰণে পইচা আহৰণ কৰাৰ নানান উপায় আছে। অমনি বাচ যিবিলাক আছে সেই বিলাকে টুৰিষ্ট কেপ বুলি পাৰ্মিট লৈ নিশাৰ ভাগৰ হাজাৰ হাজাৰ যাত্ৰী কঢ়িয়াই টকা ঘটি আছে। অথচ পেচেঞ্জাৰ টেক্সা দিয়া নাই। গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ গলে পাচ টকা বেছি ভৰিব লাগে। অমনি বাচ কাৰণে নাইট চুপাৰ হৈছে। অথচ পেচেঞ্জাৰ টেক্স দিয়া নাই। হাজাৰ হাজাৰ পেচেঞ্জাৰ কঢ়িয়াই অথচ টেক্স দিয়া নাই। যদি টুৰিষ্ট প্লেচৰ পৰা আন টুৰিষ্ট প্লেচলৈ গ'লহেতেন তেনে হলে কথা নাছিল। জয়সাগৰ বা শিৱসাগৰলৈ যদি গুৱাহাটীৰ পৰা যাত্ৰী অনা নিয়া কৰে তেতিয়া হলে টুৰিষ্ট বাচ হব পাৰে কিন্তু গুৱাহাটী শিলচৰ বা গোৱালপাৰা গুৱাহাটী এই বিলাক যাত্ৰী কঢ়িয়াই থাকিলে পেচেঞ্জাৰ টেক্স নিদিয়াতো কেনে কথা। অথচ কম বেতন ভোগী কৰ্ম্মচাৰীৰ পৰা টেক্স সংগ্ৰহ কৰিবলৈ গৈ মাধমাৰ সোধোৱা হৈছে। এই আয়কৰৰ ক্ষেত্ৰত ক্লাবটো ঠিক কৰি লব লাগে।

Mr. Speaker : বহুত বিলাক বিল পাচ কৰিব আছে। Hon'ble Members we are to pass six bills, so the time is limited. So the Hon'ble Members are requested to make his speech brief as far as possible within five minurtes.

★ শ্ৰীশশকমল সন্দিকৈ : বহু কেইজন মাননীয় সদস্যই কৈছে যে টেক্স আহৰণ কৰিবৰ কাৰণে বিভিন্ন উপায় আছে সেই বিলাক অৱলম্বন নকৰি দুখীয়া

★ Speech not corrected

কম বেতন ভোগী কৰ্ম্মচাৰীৰ ওপৰত টেক্সৰ বোজা দিয়া ঠিক হোৱা নাই। অসমৰ যি সকল চিনেমা শিল্পী আছে সেই সকল এতিয়াও প্ৰফেচনেল হোৱা নাই। দুই এজন কৰ্ম্মচাৰী আছে যদিও দুই এজনে অভিনয় আদি কৰে যদিও চাকৰিৰ কোনো স্থায়ীত্ব নাই। চিনেমাৰ ডিৰেক্টৰেও কব নোৱাৰে যে এই চিনেমা চলিব নে নচলে বা কলিকতা বোম্বে মাদ্ৰাজ আদিৰ দৰে ফটোগ্ৰাফাৰ, কেমেৰামেন এডিটৰ আদি সকলোৱে বছৰটোৰ ভিতৰত কৰিব পাৰিব বুলি কোনো নিশ্চয়তা নাই। এই শিল্পী সকলৰ ওপৰত লগোৱা কৰ ৰেহাই দিবৰ বাবে ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি এই সংশোধনী সম্পৰ্কে ইয়াৰ আগতে কিছু কথা কৈছো। আমি লক্ষ্য কৰিছো যে আমাৰ যিটো টেক্স বঢ়োৱা সিদ্ধান্ত সেই সিদ্ধান্তৰ কাৰণেই সংশোধনী আনিছো আজি কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ মাজত প্ৰাৰ্থক্য দেখা গৈছে এটা বিৰাট ব্যবধান হৈছে। প্ৰফেচনেল টেক্সৰ ক্ষেত্ৰত কৰ্ম্মচাৰী নাইবা, এক্টৰ, একট্ৰেছ যিবিলাকৰ কথা ইয়াত কৈছে এওঁলোকৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যি টেক্সৰ সিদ্ধান্ত লৈছে তাৰ তুলনাত অসম চৰকাৰে যি টেক্সৰ প্ৰস্তাৱ আনিছে তাৰ মাজত ব্যৱধান আছে। কৰ্ম্মচাৰী সকলেই হওঁক বা অন্যান্য ব্যৱসায়ত যুক্ত থকা যি সকল লোক তেওঁলোকৰ যিখিনি ইনকাম তাৰ তুলনাত কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ ইনকাম বেছি কিন্তু কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰী আৰু ৰাজ্য চৰকাৰৰ কৰ্ম্মচাৰী দুয়োবিধৰ কৰ্ম্মচাৰীয়ে একেখন বজাৰতে বজাৰ কৰিব লাগে। একেখন বজাৰৰ বস্তু বাহানি কিনিব লাগে। গতিকে কেন্দ্ৰীয় চৰকাৰে যেতিয়া ৰেহাই দিব পাৰিছে আমাৰ চৰকাৰে যদি ৰেহাই নিদিয়ে তেনেহলে কৰ্ম্মচাৰী সকলৰ হাৰাশাস্তি হব। আমাৰ মাননীয় সদস্য সন্দিকৈ দাই কৈ গৈছে যে অসম চৰকাৰৰ কৰ্ম্মচাৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰীৰ ক্ষেত্ৰত টেক্স বঢ়োৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে এটা

---

★ Speech not corrected

বিৰাট পাৰ্থক্য আনিছে। গতিকে কেন্দ্ৰীয় চৰকাৰৰ আৰ্হিত যদি টেক্স বঢোৱা হয় তেনেহলে অসম চৰকাৰৰ কৰ্ম্মচাৰী সকলে কিছু সকাহ পাব। সেয়ে মই নিবেদন জনাইছো এই সিদ্ধান্তৰ ক্ষেত্ৰত আমি যিটো সংশোধনী আনিছো সেই সংশোধনীটো নিশ্চয় বিবেচনা কৰিব আৰু টেক্সটো কেন্দ্ৰীয় চৰকাৰৰ আৰ্হিত বাহাল ৰাখিব বুলি অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★ শ্ৰীডেৰহাগ্ৰা মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, প্ৰফেচনেল টেক্সৰ ওপৰত যি সংশোধনী আনিছে সেই সংশোধনী সমৰ্থন কৰি মই তুটামান কথা কব বিছাৰিছো। আমাৰ সমাজত যি সকল লো ইনকাম গ্ৰুপৰ মানুহ সেই লো ইনকাম গ্ৰুপৰ মানুহৰ ওপৰত এই টেক্স লগাব বিছাৰিছে। এই তুই তিনি হাজাৰ টকাৰ ইনকামৰ যি সকল মানুহ তেওঁলোকৰ ওপৰত টেক্স লগোৱা মানে তেওঁলোকক বিপথে পৰিচালনা কৰা হব। যিবিলাক লাকজুৰিয়াচ বস্তু সেই বিলাকৰ ওপৰত কৰ বঢ়াওক কিন্তু যিবিলাক বস্তু দৈনন্দিন জীৱনত লাগে সেইবিলাকৰ ওপৰত টেক্স বঢ়ালে জনসাধাৰণক বিপথে পৰিচালনা কৰা হয়। সেয়ে এই লো ইনকাম গ্ৰুপৰ মানুহৰ ওপৰত টেক্স লগোৱাৰ যি প্ৰস্তাৱ সেই প্ৰস্তাৱৰ ওপৰত যি সংশোধনী আহিছে তাক মই সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★ শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, অসম প্ৰফেচনেল টেক্স, ট্ৰেড চিলিং এণ্ড এম্পলয়মেণ্ট টেক্সেচন বিলখনৰ ওপৰত যি সংশোধনী আনিছো সেই সম্পৰ্কত মই তুটামান কথা বিশেষকৈ মূখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো। প্ৰথম কথা হ'ল যেতিয়া ইয়াৰ আগতে অসম গণ পৰিষদ দলৰ চৰকাৰ আছিল তেতিয়া এবাৰ এই প্ৰফেচনেল টেক্সৰ সংক্ৰান্তত কৰ্ম্মচাৰী পৰিষদৰ লগত আলোচনা কৰা হৈছিল আৰু বিলখন সদনত অনা হৈছিল যদিও তেতিয়া আলোচনামৰ্ম্মে পুনৰ বিলখন ঘূৰাই নিয়া হয়। তেতিয়া এই বিলখনৰ সংক্ৰান্তত আজি যি সকল শাসক দল আছে তেওঁলোকে বিৰোধীপক্ষত আছিল আৰু বিৰোধীপক্ষত বহি টেক্স কমাব

★ Speech not corrected

লাগে বুলি আজিৰ শাসক দলৰ সদস্য সকলে কি কি কৈছিল মই আনি ইয়াত গাৰ খুজিছিলো কিন্তু নাপালো প্ৰচিদিংচ হেনো প্ৰিণ্ট হোৱা নাই। হোৱা হলে আজিৰ সংসদী পৰিক্ৰমা মন্ত্ৰী, কন্দপান আৰু শিল্প সন্তু ওজাই কি কৈছিল শুনাব পাৰিলোহেতেন। গতিকে বিলখন উঠাই লোৱাটো চৰকাৰে প্ৰেচটিজ হিচাপে লব নালাগে। বাজেট আপোনালোকে প্লেচ কৰিলে, বাজেটখন ৰাহি বাজেট দেখুৱালে। ৰাহি বাজেট দেখুৱায় আজি আকৌ সাধাৰণ কৰ্ম্মচাৰী সকলৰ ওপৰত প্ৰফেচনেল টেক্স লগাব বিছাৰিছে। আচলতে মাখিৰ মুৰৰ ঘি কাঢ়ি খাব নালাগে ৰাজহ লাগে সকলো চৰকাৰেই ৰাজহ বঢ়াবলৈ চাব। কিন্তু বাজেট দাখিল কৰোতে বিক্ৰী কৰৰ পৰা ইমান টকা আহিব থুলমূলভাবে এচে কৰি, নতুন ৰেটত বিক্ৰীকৰ ইমান টকা আহিব বুলি এই কথা দেখুওৱা নাই। মূল বিলখনত অবজেক্ট এণ্ড ৰিজিনচ ইমান টকা আহিব পাৰে বুলি দেখুৱাব লাগিছিল। চাইন্টিফিক বেচিচ নোহোৱাকৈ কৰ লগোৱা উচিত নহয়। আপোনালোকে ৪০ কোটি টকা চাৰপ্লাচ হব বুলি বাজেটত কৈছে। এই টেক্সৰ পৰা হয়তো ২/৩ কোটি টকা আহিব এইটো কৰ নলগোৱাকৈ ৩৭ কোটি ৰাহি দেখুৱালে কি হানি আছিল ওৱেজ আৰনাব বা চেলাৰী আৰনাৰ সকলৰ পৰা কৰ আদায় কৰা উচিত নহয় কাৰণ তেওঁলোকক ইনকাম কৰা লোক বুলি ধৰিব নালাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো যে যোৱা কালি 'আজিৰ বাতৰি' নাম কাকতত এটা অভিযোগ উঠিছে। এই অভিযোগটো আছিল ৯৫ লাখ টকা নগালেণ্ডৰ কাঠ ব্যৱসায়ীক কাঠৰ যোগান নধৰাকৈ বিল পাচ কৰিছে বুলি কৈছে। কালি মই এই কথাটো এই কাৰণেই উলিওৱা নাই যে চৰকাৰে ইয়াৰ এটা ক্লিয়েৰফিকেচন দিব। কিন্তু এতিয়ালৈকে ক্লিয়েফিকেচন দিয়া নাই।

মাননীয় অধ্যক্ষ : আপুনি টেক্সৰ ওপৰত কওঁক।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই টেক্সৰ ওপৰতেই কম। কিছুমান বিলৰ ওপৰত কৰলৈ যাওঁতে টাইম বাউণ্ড হলে অলপ অসুবিধা হয়।

★ Shri Giasuddin Ahmed : There is no time limit for discussion of a Bill. So some time should be given for discussion.

Mr. Speaker : I do admit that there is no time limit but you see still we have got 6 bills to be passed. If we cannot pass the bills within the time limit they will be left out.

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই কিছুমান বিলৰ সম্পৰ্কত আলোচনাই নকৰো। মাননীয় অধ্যক্ষ মহোদয়, ৯৫ লাখ টকা আত্মসাৎ কৰিছে, আত্মসাৎ কৰা কথাটো সঁচানে মিছা নেজানো। এই ৯৫ লাখ টকা প্ৰায় ১ কোটি টকা মাত্ৰ ৫ লাখ টকাৰ অসমৰ পৰা নগালেণ্ডলৈ কাঠ পৌঁচাই দিয়া হৈছে। কথাটো হৈছে এনেকুৱা যিজন মানুহ ইয়াত জৰিত আছে তেখেতক ছুটীমান পষ্টত দি থৈছে। ইতিমধ্যে তেখেত চাচপেনচনত আছিল আৰু কোনো বাচ বিচাৰ নোহোৱাকৈ চাকৰিত পুনৰ যোগদান কৰিবলৈ দিয়া হৈছে বুলি বাতৰিত লিখিছে। ৯৫ লাখ টকা ষ্টেট ৰেভিনিউৰ পৰা ওলাই গৈছে। যদি এনেবিলাক সুৰুঙা বন্ধ কৰিব পাৰো তেনেহলে আমাৰ ষ্টেট ৰেভিনিউ বৃদ্ধি কৰিব পাৰো। প্ৰফেচনেল টেক্স ইমপজ নকৰাকৈ ৰেভিনিউ বৃদ্ধি কৰিব পাৰি।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ নৰ্থ ইষ্ট ৰিজনত কাম কৰিলে এলাউন্স পায়। কিন্তু আমাৰ ইয়াত স্পেচিয়েল এলাউন্স দিয়াৰ পৰিবৰ্তে টেক্সহে ইমপজ কৰিব বিচাৰিছে। এটা কথা মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদে কৈছে যে এইটো এটা সম্মান হিচাপে লব নেলাগে। আমাৰ একজিচটিং যি ব্যৱস্থা আছে সেই ব্যৱস্থা সমূহ যদি কটকটীয়া হয় তেনেহলে আমাৰ আৰনিং বঢ়াব পাৰো। মাননীয় অধ্যক্ষ মহোদয়,

★ Speech not corrected

ছাগলীয়া গেট নে কি গেট মোৰ মনত নাই আমাৰ গুৱাহাটীৰ যি গেট আছে সেই গেট বিলাকত ৩/৪ মাহ মান পইচা নলয়। আজি ষ্টেট ৰেভিনিউ আহিব কৰ পৰা চৰকাৰে যিদৰে কটকটীয়া ব্যৱস্থা লব লাগিছিল সেইদৰে লোৱা হোৱা নাই। ইয়াৰ পিচৰ বিল খনৰ সংক্ৰান্তত কম বুলি ভাবিছো চেল টেক্স ইনস্পেক্টৰ বিলাক চেকিঙত নেযায়। তেওঁলোকৰ কিবা এটা এগ্ৰিমেণ্ট হৈ থাকে। ধৰক আমি যদি বজাৰলৈ বস্তু কিনিবলৈ যাও তেতিয়াহলে তাৰ বিচি ভখন নলওঁ। সৰ্ব্বসাধাৰণ মানুহে বিচি ভ নলয়। সেইকাৰণে চেইল টেক্সত ফাঁকি দিয়াৰ সুবিধা থাকে। The basic Policy the underlined Policy behind imposition of tax. এই টেক্সৰ কাৰণে বিভিন্ন ঠাইত বিভিন্ন ক্ষেত্ৰত টেক্স ফাকি দিয়াৰ কাৰণে সুবিধা আছে। এই কৰৰ যিটো প্ৰবৃত্তি সেইটো সলনি কৰাৰ দৰকাৰ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, বছৰি ১৩শ ৩৪ টকা পোৱা মানুহৰ মাহে ১২ টকা ইমপজ কৰিব বিচাৰিছে। বছৰি ৰেণ্ট হব ১৪৪ টকা। তেওঁলোকৰ ১৪৪ টকাৰ কাৰণে টেক্স লগাবলৈ গৈছে। সেইদৰে এজন মানুহৰ যদি বছৰি ১লাখ ২০ হেজাৰ টকা আয় হয় তেওঁৰ ক্ষেত্ৰত ইমপজ কৰিবলৈ বিচাৰিছে মাত্ৰ ৩ হেজাৰ টকা। এই ১৪৪ টকা দিয়া মানুহ জনৰ ক্ষেত্ৰত নিশ্চয় বাদ দিব পাৰিলেহেঁতেন। কিন্তু যিজন মানুহ দিব পাৰে তেওঁলোকৰ ওপৰত কিয় টেক্স বৃদ্ধি কৰা হোৱা নাই। ইয়াৰ এটা কোনো বেচিক প্ৰিনচিপুল নাই। ১৩শ ৩৪ টকা পোৱা মানুহ জনৰ কিয় ১২ টকা কৰিলে তাৰ কোনো বেচিক প্ৰিনচিপুল নাই উকিলৰ সম্পৰ্কতো প্ৰফেচনেল টেক্স আনিছে। মইও আজি ৭ বছৰ ওকালতি কৰিছো। মই কিন্তু কেচ পাইছানে নাই সেইটো বিচাৰ কৰা নাই মাত্ৰ বছৰি মোৰ ওপৰতো টেক্স লগাব বিচাৰিছে। যিসকলৈ মানুহে টেক্স দিব পাৰে তেওঁলোকৰ ক্ষেত্ৰত টেক্স লগাওঁক। তাকে নকৰি আজি চকিদাৰৰ পৰা আৰম্ভ কৰি ওপৰ মহলালৈকে টেক্স লগাইছে। যোৱা বছৰ আমি ঠিক ঠাক কৰি কৰ্মচাৰী সকলৰ মগত আলোচনা কৰি এটা হাৰত দিয়াৰ কাৰণে সিদ্ধান্ত লৈছিলো

এতিয়াও সেইটোৰ হাৰতে ৰখাৰ ব্যৱস্থা কৰক।

সেই কাৰণে কৰ্ম্মচাৰী সকলক সকাহ দিয়াৰ কাৰণে যাতে তেওঁলোকৰ ওপৰত আৰু অতিৰিক্ত বোজা নপৰে তাৰ কাৰণে আপোনালোকে যিটো প্ৰস্তাৱ আনিছে সেইটো উঠাই লৈ পূৰ্ব্বৰ চৰকাৰে যি হাৰত এই টেক্স লগাইছিল সেই হাৰতে ৰাখিব লাগে বুলি মই আশা কৰিলো।

অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা চৰকাৰৰ দৃষ্টি গোচৰ কৰিব খুজিছো। যোৱা কালি 'দৈনিক অসম' বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছে যে আমি কেনেকৈ আমাৰ আয়ৰ ক্ষেত্ৰত লোকচান খায় আছো। মন্ত্ৰী আৰু বিষয়াই যদি বিধি উলংঘা কৰে তথাপিতো সেইটো বিধিত পৰিণত হয়। 'আসাম ষ্টৰ পাৰ্চেজ এণ্ড প্ৰিফাৰেঞ্চিয়েল এক্ট'ৰ প্ৰভিজন বোৰ যদি মন্ত্ৰী বিষয়াই ভঙ্গ কৰে তেনেহলে সেইটো কেনে কথা হব। এই নিয়মৰ অধীনত আমাৰ বিভিন্ন বিভাগবোৰে উদ্যোগ বিভাগৰ পৰা কিনিব লগা বস্তুবোৰ এ, এচ, আই, ডি, চিৰ জৰিয়তে কিনিব লাগে। কিন্তু এতিয়া বাহিৰৰ কোনোবা কোম্পানীৰ পৰা এনে বস্তু পোনপটীয়াকৈ কিনিছে। যোৱাকালি বাতৰিত দেখিছো এই সম্পৰ্কত উদ্যোগ মন্ত্ৰী আৰু জনস্বাস্থ্য কাৰিকৰি বিভাগৰ মন্ত্ৰী মহোদয়ৰ বিষয়ে এনে এটা বাতৰি প্ৰকাশ পাইছে। যদি অসম ক্ষুদ্ৰ উদ্যোগ নিগমৰ জৰিয়তে এই বস্তুখিনি কিনিলেহেতেন তেনেহলে তেওঁলোকে তাত ৫ শতাংশ কমিচন পালেহেতেন। গতিকে এনে ঘটনা কিয় হবলৈ পাইছে সেইটোহে আমি বুজি পোৱা নাই।

★ শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বাতৰিৰ সম্পৰ্কত কৈছে সেইটো সম্পূৰ্ণ মিছা। ষ্টৰ পাৰ্চেজ এক্ট মতে থলুৱা উদ্যোগীক সুবিধা দিব লাগে আৰু তেনেকৈ কৰা হৈছে। বাতৰি কাকতত প্ৰকাশ পোৱা কথাটো সত্য নহয়।

★ শ্ৰীজয়নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, মোৰ হাতত সম্পূৰ্ণ ডকুমেণ্ট নাই। সেই কাৰণে কথাটো ভয়ে ভয়েহে কৈছো। এইটো সত্য নহলে ৰাজ্য

★ Speech not corrected

খনৰ কাৰণেও ভাল আৰু আপোনালোকৰ কাৰণেও ভাল। এইটো আপোনালোকে যদি সচাকৈয়ে নীতি নিয়ম উলংঘা কৰা নাই তেনেহলে আমি ভাল পাইছো, কিন্তু যদিহে বাতৰিত প্ৰকাশ পোৱা কথাটো সচাঁ হয় তেনেহলে কি হব সেইটো আজিয়েই মন্ত্ৰী মহোদয়ে কৈ থব লাগে।

★ শ্ৰীবিজিত শইকীয়া ( উদ্যোগ মন্ত্ৰী ): অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো পি, ভি, চি পাইপৰ ক্ষেত্ৰত চাৰিটা উদ্যোগিক অনুস্থান সম্পৰ্কে বাতৰি কাকতত প্ৰকাশ পাইছে। বাতৰিটো সম্পূৰ্ণ অসত্য। তেওঁলোকক বিধিমতে পি. ভি চি., পাইপৰ আবণ্টন দিয়া হৈছিল।

Mr. Speaker : Shri Bharat Narah is absent. Will Shri Sasha Kamal Handique and other kindly withdraw the amendment ?

★ Shri Sasha Kamal Handique : No, Sir, I am not withdrawing it.

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, টেক্স সম্পৰ্কীয় কথা কাৰণেহে মই এইখিনি কথাও কৈছো। আপোনাৰ কথামতে মই নকওঁ বুলিয়েই ভাবি আছিলো। যোৱা কালি মূখ্য মন্ত্ৰী সদনত নথকাৰ কাৰণে চৰকাৰ পক্ষৰ প্ৰায়বোৰ সদস্যই বিৰোধী পাৰ্টিৰ হাতত সদন এৰি থৈ গৈছিল। এতিয়া বিষয়টো হৈছে আমাৰ যি বিলাক উৎসৰ পৰা চৰকাৰৰ ইন্‌কাম হব সেই ক্ষেত্ৰত একচিট্ৰিং চ্চৰ পৰা ইন্‌কাম হয় নে নহয় সেইটো কথাতহে জোৰ দিব লাগে। আনহাতে এইবাৰ যিহেতু এখন ৰাহি বাজেট দেখুওৱা হৈছে সেই কাৰণে টেক্সৰ ক্ষেত্ৰত কিছু লিবাৰেল হওক। সৰ্ব্ব সাধাৰণ ৰাইজৰ ওপৰত আৰু নতুনকৈ টেক্সৰ বোজা জাপি দিব নালাগে। সেই কাৰণে এইটো কোনো প্ৰেষ্টিজৰ বিষয় হিচাবে নলৈ আগতে যিটো হাৰত টেক্স লগোৱা হৈছিল সেই হাৰতে এই টেক্স লগোৱাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো।

★ Speech not corrected

Mr. Speaker : Now, Hon'ble Chief Minister will reply.

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, টেক্স লগোৱা সম্পর্কত আজি মাননীয় সদস্য সকলে যিখিনি কথা কৈছে সেই ক্ষেত্রত কৰ্ম্মচাৰী সকলৰ কাৰণে আমিও বৰ উদ্বিগ্ন। তেখেত সকলৰ ওপৰত যিটো টেক্স লগোৱা হৈছে সেইটো বৰ এটা বেছি নহয়। ১৩১৪ টকাৰ তলত যাৰ দৰমহা তেওঁলোকৰ ক্ষেত্রত এই টেক্স লগোৱা নাই। কম দৰমহা পোৱা লোক সকলে আগৰ তুলনাত ১।২ টকা মানহে বেছিকৈ টেক্স দিব লাগিব। মাননীয় সদস্য সকলে কৰ্ম্মচাৰী সকলৰ ক্ষেত্রত যিটো উদ্বিগ্নতা প্রকাশ কৰিছে সেইটোত ময়ো সজাগ। আপোনালোকে জানে যে তেখেত সকলৰ চিকিৎসা বানচ আগৰ ১০০ টকাৰ পৰা ২০০ টকা কৰা হৈছে। এই দুগুণ টকা হোৱাৰ কাৰণে চতুর্থ শ্রেণীৰ চাকৰিয়াল এজনৰ দৰমহা বছৰি ১২০০শ টকা বৃদ্ধি হৈছে আৰু সেই কাৰণে তেওঁলোকে অলপ টেক্স দিব লগীয়া হব। ঠিক তেনেকৈ দৰমহা আয়োগে যিবোৰ অনুমোদন দিছিল সেই আটাইবোৰ আমি ক্লিয়াৰ কৰিছো। তাৰোপৰি আমি তেওঁলোকক মৰগীয়া বানচ দিব লগা হৈছে ৪৮ কোটি টকা আৰু চিকিৎসা বানচৰ বাবে যি ২০ কোটি টকা দিব লগা হৈছিল সেইটো বাজেট প্রভিজনত নাছিল। এইটো আমি ক'ৰ পৰা দিম ? তাৰ কাৰণে আমি য'ৰ ত'ৰ পৰা ৬৮ কোটি টকা কোনোমতে মেনেজ কৰিলো। তাৰোপৰি এইবাৰ বহাগ বিহুৰ আগতে ৰাজ্য চৰকাৰৰ কৰ্ম্মচাৰী সকলক তেওঁলোকৰ এক মাহৰ মূল দৰমহাটো এক্সগ্রেচীয় হিচাবে দিয়া হৈছে। ইয়াত খৰচ পৰিব ৫৫ কোটি টকা। আমাৰ চৰকাৰে এই কেইটা দিনৰ ভিতৰতে এক্সগ্রেচীয়াত ৫৫ কোটি টকা, মৰগীয়া বানচত ৪৮ কোটি টকা আৰু চিকিৎসা বানচৰ ক্ষেত্রত ২০ কোটি টকা আদায় দিব লগা হৈছে। সেয়ে আমি যিখিনি টেক্স লগাইছো সেইটো নগন্য। এই টেক্সটো আগৰ পৰাই লগোৱা হৈ আছে, আমি মাত্র এক ডেৰ টকাহে বৃদ্ধি কৰিছো। তাৰ বিপৰীতে তেওঁলোকক আমি এমাহৰ মূল দৰমহা দিছো।

★ Speech not corrected

অধ্যক্ষ ডাঙৰীয়া, বাজেট বক্তৃতাৰ সমালোচনা কৰোতে সেই সময়তে মই বহু কথা বহলাই কৈছো। While the rate of tax applicable to salaried persons with monthly income below Rs. 2916 will be marginally reduced the rate of tax in other cases will be marginally raised in order to make up the loss.

অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকৰ পৰা টকা তোলাটো চথ হিচাবে লোৱা নাই। ইয়াত এটা ফাইনেনচিয়েল ডিছিপ্লেনৰ কথা আছে। সেয়ে কিছু পৰিমাণে টকা উলিয়াব খুজিছো। আপোনালোকে জানে যে আমাৰ কৰ্ম্মচাৰী সকলক দৰমহা দিব লাগে ৰেভিনিউ ৰিচিপ্টৰ পৰা, ননপ্লেন এক্সপেনডিচাৰৰ পৰা। ননপ্লেনৰ পৰা কিছু উঠাবলৈ চেষ্টা কৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই ৯৫ লাখ টকাৰ কথা কৈছে, কালি মই নাছিলো। মই এইটো কব খোজো যে কৰ্ম্মচাৰী সকলৰ ওপৰত এইখিনি কৰ লগাবলৈ যাওতে যথেষ্ট চিন্তা কৰি চাইছো। মই পুনৰবাৰ কব খোজো যে এই কথা বিলাক চাই প্ৰথম বাৰৰ কাৰণে এক মাহৰ বেছিক পে এক্স গ্ৰেছিয়া হিচাবে দিছো। মেডিকেল এলাউন্স ত্ৰিশ টকা দিয়া হৈছে। এতিয়া কম কৰহে লগাব খুজিছো তাৰ কাৰণে মাননীয় সদস্য সকলক নধৰিবলৈ অনুৰোধ জনাইছো।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, মাননীয় মূখ্য মন্ত্ৰীয়ে যিটো কৈছে, ৰাজ্যিক কৰ্ম্মচাৰী সকলক এক্স গ্ৰেছিয়া দিছে তাৰ কাৰণে ধন্যবাদ দিছো। এইটো কৰ্ম্মচাৰী সকলৰ বহুদিনীয়া দাবী আছিল। কৰ্ম্মচাৰীৰ দৰমহাৰ ক্ষেত্ৰত চৰকাৰে ননপ্লেন বাজেটৰ পৰা দিব লগা হয়। অসমৰ বিত্তীয় সংকটৰ কথা যিটো কোৱা হৈছে তাক আমি উপলব্ধি কৰিছো, স্বীকাৰ কৰিছো। ৰাজ্যিক কৰ্ম্মচাৰী সকলক আজি সন্তুষ্ট কৰিব নোৱাৰিলে চৰকাৰে প্ৰশাসন চলোৱাত দিগ্‌দাৰ হব। এই ক্ষেত্ৰত আগতে ৰাজ্যিক কৰ্ম্মচাৰী সকলে প্ৰতিবাদ সাব্যস্ত কৰি সমদল উলিয়াইছিল, প্ৰস্তাৱ

★ Speech not corrected

লৈছিল। কৰ্ম্মচাৰী সকলৰ বিৰক্তি আৰু উত্তেজনাৰ সৃষ্টি হৈছিল। আমি চৰকাৰৰ লগত সহযোগিতা কৰিবলৈ ৰাজি আছো। কিন্তু এই ক্ষেত্ৰত কৰ্ম্মচাৰী সকলৰ চেন্টিমেন্ট বাঢ়িব। সেয়ে মই বিনম্ৰ অনুৰোধ কৰিছো যাতে এই টেক্সৰ প্ৰস্তাৱটো পুনৰ বিবেচনা কৰিব।

★ শ্ৰীগয়াছুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টীকৰণ আছে। এই কথাটোৰ ওপৰত মই অলপ জোৰ দিব খুজিছো। ইয়াত চিডুৱেলত যিটো আইটম বাদ দিবলৈ কোৱা হৈছে, সেইটো লোৱাৰ লেভেলত চেলাবিৰ কথা কোৱা হৈছে। It also seeks marginally reduce the tax applicable to the salaried people at the lower level. অলপ কম দিয়া হব। আচলতে বঢ়াই দিয়া হ'ল। এইটো কনট্ৰাডিক্টৰী হৈছে। মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ বাজেট ভাষনত কৈছোৱেই. এইটো কমিছেহে, ১৬ হেজাৰ টকালৈকে টেক্স লগোৱা হোৱা নাই। ১৬ হেজাৰৰ পৰা ২০ হেজাৰৰ ভিতৰত এতিয়া দি আছে ১৫০ টকা, আমি কৰিলো ১৪৪ টকা। ২০ হেজাৰৰ পৰা ২৫ হেজাৰলৈ এতিয়া দি আছে ২০০ টকা, আমি কৰিলো ১৯২ টকা। ২৫ হেজাৰৰ পৰা ৩০ হেজাৰৰ ভিতৰত এতিয়া দি আছে ২৫০ টকা, আমি কৰিলো ২৪০ টকা। তেনেকৈ ৩৫০ টকা ৩৪৮ টকা কৰা হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য সকলে চিন্তা কৰি চাব।

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যিটো ষ্ট্ৰাকচাৰ কৰা হৈছে তাত বছৰি কিমান অতিৰিক্ত টকা আয় হব ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ ডাঙৰীয়া, এইটো ভাগ ভাগকৈ হিচাব কৰা নাই। ৰাহি দেখুৱা হৈছে ৩৪ কোটি টকা, টেক্সৰ পৰা ৪০ কোটি টকা আহে। বেলেগে দেখুৱা নাই।

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এইটো দেখুৱাই দিব লাগে। ৫০ টকাৰ পৰা ৪৮ টকা কিয় কৰিলে আৰু ১২ টকাৰ পৰা ১০ টকা কিয় কৰা

★ Speech not corrected

নাই ? চৰকাৰে কি বেচিছত কেলকুলেট কৰি ষ্ট্ৰাক্‌চাৰ বনাইছে ? পূৰণি ৰেটৰ পৰা নতুন ৰেট আহোতে ৫০ লাখ টকা হয়, দিব পাৰে ১০ কোটি ২০ কোটি টকা। আলোচনালৈ আহক। তেনেহলে ৰেহাই দিব পাৰে। লোকচান নাই। ৩৪ লাখ টকা বাহি আছে, তাৰ পৰা এক কোটি টকা তলত আছে। যদি তলত আছে তেনেহলে ৰেহাই দিব পাৰে, নতুন ষ্ট্ৰাক্‌চাৰত কম ৰেহাই হব।

★ শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ): অধ্যক্ষ মহোদয়, আমি কমাইছোহে। ১৬ হেজাৰৰ পৰা ২০ হেজাৰলৈ ১৫০ টকাৰ ঠাইত ১৪৪ টকা, ২০ হেজাৰৰ পৰা ২৫ হেজাৰলৈ ২৫০ ৰ ঠাইত ২৪০ টকা এনেকৈ আমি কমাইছো। ইয়াৰ কাৰণে আমি ৰাজি আছো।

★ শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, নতুন ষ্ট্ৰাক্‌চাৰত কিমান লাভ লোকচান হব, এইটো প্ৰমাণ হব লাগিব। যোৱা বছৰ ৫০ লাখ টকা আয় হৈছিল, এতিয়া ৪০ লাখ হব। এতিয়া পৰিমাণ কিমান ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ): অধ্যক্ষ ডাঙৰীয়া, আমি ৩৫ হেজাৰ দৰমহা পোৱা লোকৰ কমাইছোহে, ওপৰৰ দৰমহা পোৱা খিনিৰ বঢ়ালো। মই হিচাব দিম।

Mr. Speaker : Shall be deleted and the remaining entries shall be remembered.

(b) In the proposed clause 21, in the schedule entries "20. Self-employed persons in the motion picture industry :-

(a) Directors, actors and actresses-Rs.1500 P. A. (Excluding junior artists) playback singers, Cameramen, recordists, editors and still photographers.

(b) Junior artists, production Rs.150 P.A. managers,

assistant directors, assistant cameramen, assistant recordists, assistant editors, musicians and dancers Sought to be inserted shall be deleted and the remaining entries shall be renumbered.

Those who are in favour, say, 'Ayes'

Those who are against say 'Noes'

Noes have it, Noes have it, Noes have it, the amendment is lost.

I now put the amendment before the House. The question is that In Clause 21 the proposed schedule shall be deleted and existing schedule in the Principal Act shall be retained.

Those who are in favour say, 'Ayes'

Those who are against say Noes'

Noes' have it, Noes' have it Noes have it.

The amendment is lost.

Clause 21 do form part of the Bill.

I now put Clause 1, Preamble, Enacting formula and short title of the Bill before the House. The question is that-

Clause 1, Preamble, Enacting Formula and Short title do stand part of the Bill.

Those who are in favour, say, 'Ayes'

Those who are against say 'Noes'

'Ayes' have it, Ayes have it, 'Ayes have it.

Clause 1, Preamble, Enacting Formula and short title

do form part of the Bill.

Mr. Speaker : Now, Chief Minister to move.

★ Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that the Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1992 be passed.

Mr. Speaker : The Motion is that the Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 1992 be passed.

The Motion is passed.

The Bill is passed.

★ Shri Holiram Terang : Mr. Speaker Sir, I would like to oppose this Bill in to. This Bill seeks not only to impose taxes on those persons who are serving in the State Government but also those who are employed in a private firm. Now, Sir, when the Bill was placed here, we thought that the minimum amount of Rs. 1000 would be the basic pay of the person. But we find in the Finance Bill which says that in the Principal Act, Sec 2 for Clause (f) the following shall be substituted Salary or wage includes pay, dearness allowance and all other remunerations recevied by any persons on regular basis, whether payable in cash or in kind, and also includes perquisites and profits in lieu of salary. Even a peon with basic pay of Rs. 1000/- shall be liable to be taxed. We the Hon'ble Members get an allowance and according to this Bill, we are also

---

★ Speech not corrected

liable to be taxed. Sir, there is another matter in Section 4. In the proviso it states that entry 21 in the Schedule shall apply only to such classes of persons as may be specified by the State Government by notification from time to time. Sir, in the original Schedule, this provision is not there that the Government shall specify by Notification from time to time. We would like to know from the Government which class of persons shall be taxed and which class of persons shall be debarred from taxation. There are different categories of professionals who are to pay taxes to the Government. We do not know exactly which classes shall be liable to pay tax. It appears, those group of persons who oppose the Government are liable to pay taxes and the categories of persons who support the Government are exempted from taxation. In the case of foreign liquor vender, he has to pay Rs. 1500/- as tax; whereas, an artist has also to pay Rs. 1500/-. So, there is no distinction between these two categories. I would, therefore, request the Government or the Chief Minister to redraft the Bill.

Mr. Speaker : The Motion is that the Assam Professions, Trades, Callings and Employments Taxation ( Amendment ) Bill, 1992 be passed.

Motion is passed.

Bill is passed.

11 (a) There is a Message from the Governor of Assam.

ORDER

Raj Bhavan
Guwahati
March 19, 1992.

"Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Motor Vehicles Taxation (Amendment) Bill 1992 be taken into consideration by the Assam Legislative Assembly."

Sd/- Loknath Misra
Governor of Assam.

Now, the Transport Minister to move.

★ Shri Shio Shambhu Ojha (Minister, Transport) : Sir, I beg to move that the Assam Motor Vehicles Taxation (Amendment) 1992 be taken into consideration.

Mr. Speaker ; I now put the Motion before the House. The Motion is that the Assam Motor Vehicles Taxation (Amendment) Bill, 1992 be taken into consideration.

Motion is passed

There is no Amendment in clauses 2 & 3 of the Bill. I now put clauses 2 & 3 before the House. The question is that clauses 2 & 3 do stand part of the Bill. Clauses 2 & 3 do form part of the Bill. There is an Amendment in clause 4 of the Bill in the name of Hon'ble Member Shri Bharat Chandra Narah. He is absent. I now put the Amendment before the House.

★ Speech not corrected

The question is that-In the proposed clause 4, sub-clause (1), (2), (3) and (4) and the Second Schedule shall be deleted.

Amendment is lost.

Clause 4 do form part of the Bill.

There in no amendment in clauses 5, 6 and 7 of the Bill. Clauses 5, 6 and 7 do form part of the Bill.

I now put clause 1, Preamble, Enacting formula and short title of the Bill before the House. The question is that clause I, Preamble, Enacting Formula and short title do stand part of the Bill.

Mr. Speaker : Now, Transport Minister to move.

Shri Shio Shambhu Ojha (Minister) : Sir, I beg to move that the Assam Motor Vehicles Taxation (Amendment) Bill, 1992 be passed.

Mr. Speaker : The Motion is that the Assam Motor Vehicles Taxation (Amendment) Bill 1992 be passed.

Motion is passed.

Bill is passed.

★ শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মোৰ অলপ কব লগীয়া আছে। মেটাৰটো চিৰিয়াচ।

মাননীয় অধ্যক্ষ : সদন ৬ বজালৈ ৰহিব। আপ টু চিক্স পি, এম।

★ শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, এই বিলটো "ক্লজ-৪ ত কৈছে, লাষ্ট চেক্সনত। চাৰ, এই 'ক্লজ' টো কেনেকৈ হ'ল মই ধৰিব পৰা নাই। কাৰণ অৰিজিনেলী এইটো নাছিলে। চাৰ চাৰ্জখনত বহু

★ Speech not corrected

কোটি টকা দেখুওৱা হৈছে। কাৰ্বি আংলং আৰু এন, চি, হিলচত বহুতো টকা দিব লগীয়া আছে। কথাটো ফাইনেন্স কমিচনাৰে টেক আপ কৰিছে। এতিয়া চৰকাৰে কৈছে ডিষ্ট্ৰীক কাউন্সিলত দিয়া হ'ব। এই ক্ষেত্ৰতো চৰকাৰে কেনে ধৰণে ললে বুজিব নোৱাৰিলোঁ। আগৰ কাউন্সিলখন বাতিল নকৰাকৈ, লোকেল বডিৰ লগত কথা নপতাকৈ এইটো কেনেকৈ কৰিলে ?

মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো পিছলৈ থাকি যাব। এন, চি, হিলচৰ বাইণ্ৰ লগত কথা নাপাতলে পিছত দেৰী হৈ যাব, তেতিয়া বহুতো টকা ভৰিব লাগিব। আগৰ ডিষ্ট্ৰীক কাউন্সিলৰ যিখিনি এৰিয়াৰ আছে, কালি বা পৰহিৰ ভিতৰতে দিম বুলি কওক। গতিকে এই ক্লেচ টো পিছত দিব লাগিব।

★ Shri Giasuddin Ahmed : Mr. Speaker Sir, there is danger of double taxation on the poor people of the rural areas of the State. Here in Schedule I even the Bycycle not exceeding 90 Kg. in weight unladen and exceeding 90 Kg. unladen weight taxes are imposed at the rate of Rs. 80/ and Rs. 120 respectively and the tricycles have been included. Now, if the Panchayati Raj institution has to be given power to impose taxes on by-cycles, tri-cycles and scooters, all these items should have been included within the power of the Panchayati Raj bodies. In the matter of taxes now these people will have to pay taxes under this Act as well as under the Panchayati Raj Act. So, that will amount to double taxation and this should be avoided. Thus, the items which have been

---

★ Speech not corrected

included under the Panchayati Raj Act, should be excluded from this Act. This is a most important point. I hope the Hon'ble Minister will consider this. Thank you.

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই বিলখনৰ ওপৰত কেইটামান কথা কব বিচাৰিছো। কাৰণ কংগ্ৰেছ-আই দলৰ লগত মোৰ ভাল সম্পৰ্ক থকা বুলি এজন সদস্যই কৈছে। তথাপি কথাটো কবই লাগিব। নহলে ভাবিব সঁচাকৈ মই মাননীয় মন্ত্ৰী ওজাৰ লগত ভাল হৈ মনে মনে চুক্তিবদ্ধ হৈছো।

মাননীয় অধ্যক্ষ মহোদয় কথাটো হৈছে এইটো যে ১৯৬৬ চনৰ পৰা ৮০ শতাংশৰ পৰা ১৯৯২ চনত একেবাৰে ৫শ ১০ শতাংশ কৰি পেলালে। আকৌ তিনিখন গাড়ীৰ ওপৰত এইটো কৰিলেও বেলেগ কথা আছিল। তিনিখনৰ ওপৰতো একেই কৰিছে। কথাটো এইটো হৈছে, ক্ৰমান্বয়ে দিয়া হলে ভাল আছিল। আচলতে গাড়ীৰ মালিকে টেক্সটো নিদিয়েই, পিছত জনসাধাৰণলৈহে যায়গৈ। ভাড়া বঢ়াৰ নামত কণ্ডাক্টৰৰ পাঁচ পইচা লাভ হয়, কিন্তু টেক্সটো জনসাধাৰণলৈ থেলি দিয়া হয়। গতিকে এই গোটেই ষ্ট্ৰাকচাৰটোকে সলনি কৰিব লাগে। কাৰণ ইতিমধ্যে চকা বন্ধৰ আহ্বান দিছেই। অধ্যক্ষ মহোদয়, অশোকাষ্টমীৰ দিনা যদি এই চকা বন্ধ অৱস্থা হয় তেতিয়া হলে কথাটো গভীৰ হবগৈ। আৰু মালিক সকলেও সেই কথাটোতে গুৰুত্ব দিছে। ইতিমধ্যে মালিক সন্থাই ১০ তাৰিখৰ পৰা ১৪ তাৰিখলৈকে চকা বন্ধৰ আহ্বান দিছেই। এইটো এ, এচ, টি, চিৰ মিচ্ মেনেজমেণ্টৰ কাৰণেই হৈছে। মাননীয় সদস্য তথা কৰ্পৰেচনৰ সভাপতি ডাঙৰীয়াই কৈছে যে মোৰ মাননীয় মন্ত্ৰী ওজা ডাঙৰীয়াৰ লগতহে বন্ধুত্ব হৈছে। আচলতে সভাপতি ডাঙৰীয়াৰ লগতহে মোৰ বন্ধুত্ব আছিল। কাৰণ মোৰ ঘৰুৱা বিষয়তো তেখেতে গৈ মোক বুজনি দি কাজিয়া মিত-মাত কৰি কৰিছিল গৈ। আৰু মইও তেখেতক সভাপতি

★ Speech not corrected

পতাৰ কাৰণে মত দিছিলো। মোৰ আন নন কংগ্ৰেছ সদস্য বহুতৰে লগত বন্ধুত্ব আছে। গতিকে এ, এচ, টি, চিৰ কাৰণে যিটো কৈছো, তাত দোষাৰোপ কৰি লাভ নাই। আজি প্ৰায়ভেট গাড়ীৰ ওপৰত টেক্স লব নোৱাৰে।

অধ্যক্ষ মহোদয়, মোৰ ওচৰত এখন দৰখাস্ত আছে। এ, এচ, টি, চি বাছৰ সম্পৰ্কত। চৰকাৰে টেক্স কিয় কমকৈ পায় তাৰে এইটো এটা নমুনা। বাচৰ কণ্ডাক্টৰে সাধাৰণতে প্ৰতি দিনে কেচিয়াৰক টকা জমা দিব লাগে। কিন্তু ১০/১৫ দিনৰ পিছতহে টকাটো দিয়ে গৈ। কাৰণ এই কেইদিনত কণ্ডাক্টৰে কোনো প্ৰায়ভেট লোকক হেজাৰ হেজাৰ টকা সুতলৈ দিয়ে আৰু কেইটামান টকা এনেকৈয়ে লাভ কৰে। গতিকে এই কাৰণেই ৰেভিনিউ কম হয়। মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ত চকু দিলে ভাল হয়। অকল টেক্সৰ ওপৰত চকু দিলেই নহয়। ৰাজ্যখনৰ ভালৰ কাৰণে এইটো কৰা উচিত। মাননীয় পাটোৱাৰী ডাঙৰীয়াই মিনি বাছৰ স্পীদ মেইনটেনৰ কাৰণে এটা কথা আগতেই উল্লেখ কৰিছিল। গতিকে এই স্পীদ মেইনটেইনৰ কাৰণে কিয় ব্যৱস্থা কৰা নাই?

অধ্যক্ষ মহোদয়, অকল টেক্স লগাই কিবা এটা কৰিব, ৰাজহ সংগ্ৰহ কৰিব সেইটো কথা নহয় অন্যান্য দিশ বিলাকো চাব লাগে যেনে গাড়ী বিলাকে যি ভয়ংকৰ স্পীদত চলাই য'ত নেকি যি কোনো সময়তে একচিডেণ্ট হব পাৰে আৰু মেইনটেন, দিচিপ্লিন ইত্যাদি দিশবিলাক আওকাণ কৰা হয়। গাড়ীৰ স্পীদ মেইনটেইন কৰাৰ কোনো ব্যৱস্থা নাই। গতিকে টেক্সৰ ওপৰত টেক্স লগালেই কামটো কৰা নহয় ট্ৰেফিকৰ মেইনটিনেন্স ইত্যাদি দিশ বিলাক মন কৰিব লাগে। আগতে টেক্স শতকৰা ১০০ ভাগ আছিল এতিয়া সেইটো বৃদ্ধি কৰি এক খোপতে ৫০০ গুণ বাঢ়ি গৈছে ইয়াৰ ফলত ৰাইজৰ হাৰাশাস্তি হৈছে, আজি চকা বন্ধ হৈছে তাৰ কাৰণে কাৰ অসুবিধা হৈছে সাধাৰণ দুখীয়া ৰাইজৰ, ধনী মানুহ বিলাকে নিজৰ গাড়ীত অহা-যোৱা কৰিছে। তাৰ পাচত চাওঁক আমাৰ যি সকলে অটো চলাই তেওঁলোক বেচিভাগেই শিক্ষিত নিবনুৱা তেওঁলোকৰ ওপৰত

এনেধৰণৰ টেক্সৰ বোজা দিলে তেওঁলোকে কেনেকৈ বৰ্ত্তী থাকিব ? গতিকে আপোনালোকে একেবছৰতে ইমান বেচিকৈ বঢ়াই দিয়া ৰেঞ্জটো ইমান ওপৰলৈ উঠাব নালাগে, অহা বছৰতো আপোনালোকে বিবেচনা কৰি চাব পাৰে। আজি চকা বন্ধ হোৱাৰ কাৰণে জেনেৰেল পাবলিকৰ হাৰাশাস্তি হৈছে। মোৰ বোধেৰে আমাৰ পৰিবহন বিভাগৰ ওজা ডাঙৰীয়া এজন বৰ কনচিদাৰেট মানুহ, তেখেতৰ ওচৰলৈ যেতিয়াই যাও কামটো হব বুলি কয় কিন্তু সেই কাম কোনো দিনে হৈ নুঠে। তেখেত দেখাত যিমান কোমল কিন্তু কামত সিমান কঠোৰ। তেখেতক যেতিয়া কিবা এটা কও, তেওঁ কেৱল আজি অসম বাতৰি কাকত খনলৈ আঙুলিয়াই আৰু কয় শৰ্ম্মা বাবু, আপোনাৰ কামটো আৰু কৰিব নোৱাৰিম। টেক্স লগোৱাৰ ক্ষেত্ৰত যিমান ঢিলা কাৰ্য্য ক্ষেত্ৰত টান। গতিকে আপোনালোকে পোনচাতেই ৰেঞ্জটো ইমান নবঢ়াই অৰ্থাৎ ৫০০ শতাংশলৈ বৃদ্ধি নকৰি কিছু কমাই দিয়ক নহলে এই চকা বন্ধৰ নিচিনা আন্দোলন বিলাক চলি থাকিব আৰু সাধাৰণ ৰাইজে চাফাৰ কৰি থাকিব। যদি আপোনালোকে সাধাৰণ দুখীয়া ৰাইজৰ কাৰণে মঙ্গল কৰিব বিচাৰিছে তেতিয়াহলে এই মটৰ টেক্সটো কমাই দিয়াৰ কাৰণে ব্যৱস্থা কৰক।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আপুনি এটা কথা নিশ্চয় লক্ষ্য কৰিছে যে এই চৰকাৰে প্ৰত্যেকটো বস্তুৰ ওপৰতে টেক্স লগাইছে, আপোনালোকে চাওক কোনটো বস্তুত চৰকাৰে টেক্স লগোৱা নাই, ক'ত টেক্স বৃদ্ধি হোৱা নাই, আনকি পিঠা লাৰুৰ ওপৰতো টেক্স লগাইছে। কথাটো হৈছে এখন ওৱেলফেয়াৰ ষ্টেটৰ কাৰণে টেক্স লগাব পৰে কিন্তু সেই বুলি টেক্স লগাই একেবাৰে শুহি শুহি জকাটো উলিয়াই দিলে আৰু কি বাকী থাকিব ? আজি চকা বন্ধ হৈছে, কাৰ অসুবিধা হৈছে, চহৰৰ যি সকল ৰাইজ আছে তেওঁলোকৰ গাড়ী মটৰ আছে তেওঁলোকে নিজৰ গাড়ীৰে অহা-যোৱা কৰিব কিন্তু গাৱঁৰ মানুহৰ বিলাই বিপত্তি নাইকীয়া হৈছে। য'ত চৰকাৰে টাইট দিব লাগে তাত দিয়া

★ Speech not corrected

নাই। আপোনালোকে চাব পল্টন বজাৰত গাড়ী বিলাক জাম খাই থাকে, সিদিনা দেখিলো ৮খন গাড়ী ষ্টাৰ্ট দি বৈ আছে আধা ঘণ্টাতকৈয়ো বেচি সময়। গতিকে চৰকাৰে য'ত গুৰুত্ব দিব লাগে তাত নিদিয়ে কেৱল টেক্স লগোৱাত এক্সপাৰ্ট, এ, এচ, টি, চিৰ কথা বাদেই দিছো, মুখ্য মন্ত্ৰীয়ে দেদ বুলিয়েই কৈছে that would be the most ideal department of the Government of Assam to earn revenue. মই পৰামৰ্শ দিব বিচাৰিছো আমাৰ আই, ডব্লিউ, টি, চিৰ দুজন সদস্য বিষয়াক দেপুটি দিৰেক্টৰক কলিকতালৈ পঠাব লাগে তাত কমাৰ্চিয়েল এক্সপানশ্যনৰ কাৰণে য'ত নেকি ৰেইলওৱে বা লাখ লাখ ট্ৰাক অহা-যোৱা কৰি আছে তাত নিয়োগ কৰিব লাগে যেনেকৈ মেডিকেল ৰিপ্ৰেজেনটেটিভ বিলাকে ভাল ঔষধ বুলি বিক্ৰী বঢ়াবৰ কাৰণে চেষ্টা কৰে তেখেত সকলেও অসমৰ কমাৰ্চিয়ল এক্সপানশ্যনৰ কাৰণে কাম কৰিব পাৰে। তেতিয়া ৰাজহো বৃদ্ধি পাব আৰু ৰাইজ টেক্সৰ বোজাৰ পৰা বহু পৰিমানে সকাহ পাব। টেক্স লগোৱাতো সহজ, টেক্স লগাই এখন চৰকাৰ চলিব নোৱাৰে মানে বিল যেতিয়া আহিছে আপোনালোকে পাচ কৰিবই কাৰণ ইয়াত আপোনালোকৰ চাৰভাইভেলৰ প্ৰশ্ন আছে কিন্তু টেক্স লগোৱাৰ ক্ষেত্ৰত বা কমোৱাৰ ক্ষেত্ৰত এবাৰ ৰি ঠিং কিং বা ৰিকনচিদাৰ কৰিব পাৰে। এই বিলখনৰ ওপৰত মই এই খিনিয়েই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Mr. Speaker : Now Hon'ble Minister of Transport.

★ শ্ৰীশিউ শম্ভু ওজা (পৰিবহন মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এ, পি, টি. যিটো টেক্স আছে এইটো ডিভাইদ নহয় কিন্তু মটৰ ভেইকোৰ্ল যিটো টেক্স আছে সেইটো ডিভাইদ হয়।

চাইকেলৰ ওপৰত টেক্স লগোৱা নহয়। ৯০ কেজিলৈকে নহয়। পশ্চিম বঙ্গতকৈ আমাৰ বহুত কম। শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যিটো কৈছে সেইটো ভাল পাইছো। এতিয়া যিটো শব্দ শুনি আছে অহা বিধান

★ Speech not corrected

সভাত সেইটো নাপাব।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : কমাৰচিয়েল ট্ৰেডিং টেক্স।

★ শ্ৰীহলিৰাম টেৰাং : আমি মটৰ ভেহিকোল বিল আলোচনা কৰি আছো। চিক্স চিডুলৰ ক্লজ চিক্সত যি আছে পাব। এতিয়ালৈকে জিলা পৰিষদে নিজস্ব ভাৱে কৰা নাই। ষ্টেট গৱৰ্ণমেণ্টক কৰিবলৈ দিয়া হৈ আছে। সেইটো চেয়াৰ দিব লাগে। This is one of the Primary Power of the District Council. This is going against the Constitution. This law against the Constitution.

★ শ্ৰীশিউ শম্ভু ওজা (পৰিবহন মন্ত্ৰী) : জিলা পৰিষদে চেয়াৰ পাব। এমডিএৰ চেয়াৰ পাব।

★ Shri Holi Ram Terang : Not withstanding anything contained in any other law. Agreement or arrangement to the Country, the surcharge on motor vehicle shall be utilised exclusively for the purpose of State Government and shall not be sharable.

★ শ্ৰীজয়নাথ শৰ্ম্মা : টকন টেক্স জিলা পৰিষদে পাব। চাৰচাৰ্জৰ অংশ দিব নে নিদিয়ে? মিউনিচিপেলিটি বৰ্ডক দিব নে নিদিয়ে?

★ শ্ৰীশিউ শম্ভু ওজা (পৰিবহন মন্ত্ৰী) : সকলো ভাগ নাপায়।

★ শ্ৰীজয়নাথ শৰ্মা : চাৰচাৰ্জৰ ভাগ মিউনিচিপেলিটিয়ে পাব নে নাপায়?

★ শ্ৰীশিউ শম্ভু ওজা (পৰিবহন মন্ত্ৰী) : মিউনিচিপেলিটি টাউন কমিটি, জিলা পৰিষদে নাপায়।

★ শ্ৰীহলিৰাম টেৰাং : চাৰচাৰ্জ কিয় নাপাব। ইয়াৰ ভাগ পাব লাগিব।

★ শ্ৰীগিয়াচুদ্দিন আহমেদ : চাইকেলৰ ওপৰত টেক্স বহুৱা নাই। এক্সিদিং ৯০ কেজি। বাইচাইকেলৰ দেফিনিচন কি? বাইচাইকেলৰ ওপৰত পঞ্চায়তে টেক্স লয়। গতিকে দাবুল হব নালাগে।

★ শ্ৰীশিউ শম্ভু ওজা (পৰিবহন মন্ত্ৰী) : বাইচাইকেল হল মটৰ।

---

★ Speech not corrected

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : জিলা পৰিষদে ৬ষ্ঠ অনুসূচীৰ প্ৰাপ্য খিনি পাব। মই সিদিনা বাজেট বক্তৃতাত কৈছো যে মটৰ ভেহিকোল টেক্স ৫৬ টকাৰ পৰা ১শ টকা কৰিব খুজিছো। অন্ধ্ৰ প্ৰদেশত ৪৩৭ টকা, গুজৰাটত ৭শ টকা, হিমাচল প্ৰদেশত ২ হাজাৰ টকা, মহাৰাষ্ট্ৰত ৩ হাজাৰ ৪৬০ টকা পাব চিটিং কেপাচিটি। ত্ৰিপুৰাত ১৮২ টকা, পশ্চিমবঙ্গত ২ হাজাৰ ১শ টকা। আমাৰ ইয়াত অতি কম।

Mr. Speaker : I hope, discussion is enough. So, the notice is that The Assam Motor Vehicles Taxation ( Amendment ) Bill, 1992 be passed.

( The Motion is passed and the Bill is passed ) Now, I go back to item No. 9(a).

There is a message from the Governor of Assam.

Raj Bhawan, Guwahati
March 19, 1992.

Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Taxation Laws ( Amendment ) Bill, 1992 be taken into consideration by the Assam Legislative Assembly.

Sd/-
( Loknath Misra )
Governor of Assam.

Now, Hon'ble Chief Minister to move.

Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that the Assam Taxation Laws ( Amendment ) Bill, 1992 be taken into consideration.

Mr. Speaker : The Motion is that The Assam Taxation

Laws ( Amendment ) Bill, 1992 be taken into consideration.

( The Motion is passed ).

Now, I come back to Item No. 9(b). There is no amendment to Clause 2 of the Bill. Now I put Clause 2 of the Bill before the House that Clause 2 do form part of the Bill ( The Motion is passed ) Clause 2 do form part of the Bill. There is an amendment to Clause 3 in the name of the Honourable Chief Minister. I now request the Chief Minister to move it.

Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that (a) In Chapter II, in clause 3, sub-clause (i) shall be substituted by the following:-

" (i) For item No. 1, the following shall be substituted.

" 1. All cereals including all forms of rice but excluding such goods liable to tax under Section 3C".

(b) In Chapter II, in clause 3, sub-clause (iii) shall be substituted by the following:-

" (iii) item No. 21 shall be omitted".

Mr. Speaker : Now, I put that (a) In Chapter II, in clause 3, sub-clause (i) shall be substituted by the following:-

" (i) For item No: 1, the following shall be substituted.

" 1: All cereals including all forms of rice but

excluding such goods liable to be taxed under Section 3C".

(b) In Chapter II, in clause 3, sub-clause (iii) shall be substituted by the following:-

" (iii) item No. 21 shall be omitted".

( The amendment is passed )

The amendment is passed and amended sub-clauses of Clause 3 do form part of the Bill.

There is an amendment to Clause 4 of the Bill in the name of Chief Minister. I now request Honourable Chief Minister to move it.

★ Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that in Chapter III, in clause 4, for sub-clauses (iii) the following shall be substituted:

"(iii) after item No. 74, the following new items shall be inserted, namely :-

"75. Mustard oil and rape oil. 2 paise in the rupee

76. Pulses ( excluding cooked pulses ) in all forms, that is to say-

(a) gram or gulab gram;

(b) tur or arhar;

(c) mung or green grams;

(d) masur or lentil;

(e) Urad or black gram;

(f) moth;

(g) lakh or kesari; 2 paise in the rupee.

---

★ Speech not corrected

Explanation : Each of the pulses referred to in item No. 78, whether whole or separated, and whether with or without husk, shall be treated as single commodity for the purposes of levy of tax under this Act".

Mr. Speaker : Now, I put the amendment before the House that in Chapter III, in Clause 4, for sub-clause (iii) the following shall be substituted.

"(iii) after item No. 74, the following new items shall be inserted, namely:-

"75. Mustard oil and rape oil. 2 paise in the rupee.

76. Pulses ( excluding cooked pulses ) in all forms, that is to say-(a) gram or gulab gram (b) tur or arhar; (c) mung or green gram (d) masur or lentil (e) urad or black gram (f) moth (g) lakh or kesari-2 paise in the rupee. ( The amendment is accepted) And the amended clause do form part of the Bill.

There are another 2 amendments to clause 4 of the Bill in the names of Shri Sashakamal Handique, Shri Nizamuddin Khan, Shri Derhagra Muchahary, Shri Parameswar Brahma and Shri Zoii Nath Sarma.

I request the Honourable Members to move it one by one and speak on the amendment.

★ Shri Sashakamal Handique : Sir, I beg to move that (a) In the proposed amendment to clause 4, sub-clause (ii) under Chapter III the words and figure "8 paise in the rupee" sought to be substituted shall be

★ Speech not corrected

substituted by "7 paise in the rupee".

(b) In the proposed amendment to sub-clause (iii) under Chapter III-"(iii) after item No. 74, the following new items shall be inserted, namely-

"75. Mustard oil and rape oil 2 paise in the rupee.

76. Wheat and Wheat products excluding cooked food-2 paise in the rupee.

77. Rice but excluding cooked food as defined in Section 36 of the Assam Sales Tax Act 1947 and rice covered by 2 paise in the rupee. State Government's Scheme for distribution of rice at rupees two per kilogram to people living below poverty line".

Sought to be inserted shall be deleted.

অধ্যক্ষ মহোদয়, চৰকাৰে এই ক্ষেত্ৰত যি সংশোধনী আনিছে তাৰ ওপৰত মোৰ বক্তব্য হ'ল চৰকাৰে আমাক প্ৰতিশ্ৰুতি দিছিল যে দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা আমাৰ ৰাজ্যখনৰ মানুহখিনিক মাহে ১৫ কিলোকৈ দুটকা কিলোত চাউল দিব। কিন্তু আজি আমি দেখিবলৈ পাইছো কি এই চৰকাৰেই এই বাজেট চেচনতে চাউল, মিঠাতেল, ঘেঁহু, ইত্যাদি সামগ্ৰীৰ ওপৰত টকাত দুই পইচাকৈ টেক্স লগাইছে। ইয়াৰোপৰি ইনডাইৰেক্ট টেক্স আছেই। এতিয়া ব্যৱসায়ী সকলে ৩ গুনৰ ঠাইত ৬ গুন টেক্স লগাই জনসাধাৰণক জুকলা কৰিব। সাধাৰণ মানুহে খোৱা চাউল, ঘেঁহু, ব্যৱহাৰ কৰা জুইশলা, গেঞ্জী ইত্যাদিত যি কৰ লগাইছে ৭ পইচাৰ ঠাইত ৮ পইচা, ৬ পইচাৰ ঠাইত ৭ পইচা কৰিব বিচাৰিছে। মিঠাতেল আৰু ঘেঁহুতো লগাইছে। ধানৰ ওপৰত টেক্স ৰেহাই দি চাউলৰ ওপৰত লগোৱা হৈছে। চাউলৰ ওপৰত কৰ লগালে সৰ্ব্বসাধাৰণ মানুহৰ ওপৰত বেছি হেচা পৰে। ধানৰ ওপৰত লগোৱা কৰ আৰু চাউলৰ ওপৰত

লগোৱা কৰৰ পাৰ্থক্য আছে। ১ কুইন্টল ধানত কিমান চাউল ওলায়? ১ মোন ধানত ২৫ কিলো চাউল ওলায়। চাউলত লগোৱা কৰ দেখাত সামান্য যদিও সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত ইয়াৰ বোজা পৰিব। বজাৰত ই ব্যৱসায়ী সকলৰ হাতত পৰি দাম আৰু বৃদ্ধি পাব। ইয়াৰ প্ৰভাৱ পৰিব সৰ্ব্বসাধাৰণ মানুহৰ ওপৰত। চৰকাৰক ৰাজহ লাগে হয় এই কৰৰ পৰা চৰকাৰে ৪০ কোটি টকা সংগ্ৰহ কৰিব বুলি কৈছে আৰু এই টকা ৰাজ্যখনৰ উন্নয়নমূলক কামত ব্যঃহৃত হব বুলি কৈছে। চৰকাৰৰ ৰাজহৰ দৰকাৰ। মই এটা কথাৰ প্ৰতি এইখিনিতে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো-আমাৰ সমবায় বিভাগত কেডাৰ চেক্ৰেটাৰীৰ ২০০ পদ বৰ্ত্তমান খালী হৈ আছে-এই পদৰ কাৰণে প্ৰাৰ্থী বি, এ, পাছ হব লাগে। কিন্তু ইয়াৰে ১৮৫ টা পদ বিল' কোৱালিফাইড লোকেৰে অৰ্থাৎ মেট্ৰিকুলেট লোকেৰে পূৰণ কৰাৰ বাবে বিভাগে ব্যৱস্থা লৈছে বুলি গম পাইছো। চৰকাৰে চাউলৰ ওপৰত টেক্স লগাইছে আনহাতে সেই টেক্সৰ পইচাৰে চৰকাৰে অবৈধভাবে কেডাৰ চেক্ৰেটাৰী সকলক নিয়োগ কৰাৰ ব্যৱস্থা লৈছে।

★ শ্ৰীনগেন নেওগ (সমবায় মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমি এনে নিয়োগ ব্যৱস্থা লোৱা নাই।

★ শ্ৰীপশকমল সন্দিকৈ: অধ্যক্ষ মহোদয়, যদি লোৱা নাই ভাল কথা হৈছে। তাৰ বাবে আমি মন্ত্ৰীক ধন্যবাদ দিছো। এতিয়া আমি আশা ৰাখিছো চৰকাৰে কথাটো চিন্তা কৰি চাব আৰু চাউল, ঘেঁহু, তেল ইত্যাদিৰ ওপৰত লগোৱা কৰৰ যি প্ৰস্তাৱ সেইটো উঠাই লব।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এমেণ্টমেণ্টৰ জৰিয়তে চাউল আৰু ঘেঁহুৰ ওপৰত লগোৱা কৰ উঠাই লোৱা হৈছে।

★ শ্ৰীনিজামুদ্দিন খান: মাননীয় অধ্যক্ষ মহোদয়, চাউল আৰু ঘেঁহুৰ কৰ উঠাই লোৱা বাবে আমি মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মন্ত্ৰী মহোদয়ে আগতে বাজেট বক্তৃতাত কৈছিল সৰ্ব্বহাৰাৰ শাৰীত আমিও

★ Speech not corrected

আছো। গতিকে আমি আশা কৰিম বাহি বাজেট দেখুৱাই সাধাৰণ মানুহৰ ওপৰত টেক্স লগোৱা বিষয়টো যাতে চৰকাৰে চিন্তা কৰি চায়। চাউল, ধেঁহু লগতে বাকী অন্যান্য বস্তু যেনে মিঠাতেল, ৰেপচিদ তেল, জুইশলা আদিৰো কৰ ৰেহাই দিবলৈ চৰকাৰক অনুৰোধ জনালো। বাহি বাজেটত ৪০ কোটি টকা বাহি দেখুৱা হৈছে। এই বস্তু বিলাকৰ ওপৰত লগোৱা কৰৰ বোজা উঠাই দি বাহি হোৱা ৪০ কোটি টকা বাদ দিবলৈ আমি অনুৰোধ জনালো। এই কৰ সাধাৰণ, ঠেলা চলোৱা, বিক্সা চলোৱা, গাওঁ অঞ্চলত বসবাস কৰা অতি সাধাৰণ মানুহৰ ওপৰত লগোৱা হৈছে। যিয়ে দিন মজুৰি কৰি খায় যি লোক দৰিদ্ৰ সীমা ৰেখাৰ তলত। যদিও এই মানুহ খিনিৰ কাৰণে সুলভ মূল্যত অৰ্থাৎ সস্তিয়া চাউল দিয়াৰ কথা ঘোষণা কৰিছিল, তথাপি বাস্তৱ ক্ষেত্ৰত সেইটো দেখা নাযায়। সেইদিনা যোগান মন্ত্ৰী মহোদয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে গাওঁৰ মানুহৰ লগত চহৰৰ মানুহৰ পাৰ্থক্য আছে। তেখেতে কৈছিল গাওঁ অঞ্চলত শষ্য উৎপাদন কৰা হয়। আমি জানো যে গাওঁ অঞ্চলত সকলো মানুহে শষ্য উৎপাদন নকৰে। তেওঁলোকে উৎপাদন কৰিব নোৱাৰে। অতিনিম্ন খাপৰ দৰিদ্ৰ সীমা ৰেখাৰ তলৰ মানুহৰ ওপৰত টেক্সৰ বোজা ৰেহাই দি তেওঁলোকৰ জীৱন যাত্ৰা ব্যাহত কৰা হৈছে। চাউল আৰু ধেঁহুৰ পৰা যি দৰে টেক্স ৰেহাই দিয়া হ'ল সেই দৰে নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ ওপৰত লগোৱা টেক্সৰ বোজাও ৰেহাই দি বাজেটত দেখুৱা বাহি ৪০ কোটি টকাৰ কৰ কমকৈ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো। এই বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ কৰিলো।

মাননীয় অধ্যক্ষ : বাকী সকলে বোধকৰো নকয়। কথাখিনি একেই। আচল কথাখিনি হৈ গল।

★ Shri Parameswar Brahma : Mr. Speaker Sir, I am happy and thank the Chief Minister as he has withdrawn taxes on some of the essential commodities. It would

★ Speech not corrected

have been curse on the people as if it was a tax on life. So, I request, in addition to tax the commodities which are very very necessary for the bare living should be withdrawn and Government should consider it further. Now, Sir, it will be an criminal act on the part of the Government if we go on taxing on the commodities of life saving items then it would create retardation and it will hamper human quality and also development of the country. So, with these few words as far as possible to help the development process and to help the living of the people living below the poverty line should not be harassed by the imposition of taxes in the name of surplus budget.

★ শ্রীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রী মহোদয়ে কৈছে যে ধান আৰু ঘেঁহুৰ ওপৰত টেক্স ৰেহাই দিছে। কথাটো দেখাত ভাল হৈছে। কিন্তু বিলখন পঢ়িলে দেখা পাব বিহুৰ পিঠা আৰু মাটিৰ কলহতো কৰ লগাইছে। বিহুৰ পিঠা যদি কমাৰচিয়েল হয় বিক্রী কৰিলে ১ লাখ টকা পৰিব। কাৰণ অধ্যক্ষ মহোদয় আপুনি মন কৰিছে নে নাজানো কুইক ফুডত এমেণ্টমেণ্ট কৰা নাই। আপুনি ৰিউটিপাৰলাৰ উদ্বোধন কৰিছে। উদ্বোধন কৰাৰ পাচত মুখ্য মন্ত্রীৰ তাত চকু পৰিল উদ্বোধন কৰাৰ পাচৰ দিনাই তাত টেক্স ল.গাবা হ'ল। মাননীয় অধ্যক্ষ মহোদয়, আপুনি যে বিউটিপাৰলাৰ উদ্বোধন কৰিব ভবা নাছিলো। এই দুই পইচা দুই পইচাকৈ মাটিৰ কলহ পেজ চিডিউল আইটেম ২২ Glass earthenware for domestic use. ইয়াত ৭ পইচাকৈ লগোৱা হৈছে। জুইশলাৰ হোমলাইটৰ প্রতিটো পেকেটত তিনি টকা ২১ পইচা ধৰিছে। কিন্তু কোনেও ২১ পইচা নিদিয়ে ২৫ পইচাহে দিব। গতিকে বাকী পইচা

★ Speech not corrected

খিনি কলৈ যাব ? যোগান মন্ত্ৰীয়ে নিমখৰ দাম প্ৰতি কিলোত ১ টকা ১৩ পইচা আৰু ১ টকা ১১ পইচা কৰিছে। কোনোবাই আধা কিনিলে সেই ১১ পইচাৰ আধাটো কি হব ? টেক্স লগাওতে ব্যৱসায়ী বিলাকক কিয় সুবিধা দিয়ে ? ধান আৰু ঘেঁহুৰ কথাটো আপোনাৰ চকুত পৰিছে। আপুনি দুই পইচা দুই পইচাকৈ ১৮ কোটি টকা পাইছে। ১৮ কোটি টকা কম হব। কথাটো যদিও ৰেহাই বুলি কৈছে তথাপি পাইকাৰী হাৰত টেক্স থাকি গ'ল। যিহেতুকে পাইকাৰী হাৰত বিক্ৰী কৰিলে টেক্স লাগিব তাৰ পাচত খুছুৰা বিক্ৰী কৰিলে ইনডাইৰেক্ট টেক্স থাকি যায়। আপোনালোকে জানে হুছিয়াৰীত ৬ পইচা টেক্স লগাইছে প্ৰতি টকাত। গেঞ্জি আৰু লুঙিৰ কথা আমাৰ মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই সদায় কৈয়েই থাকে। সেই বিলাকৰো দাম বাঢ়িছে। আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কোৱাৰ নিচিনা পিয়াজৰ দাম বাঢ়িছে পিয়াজ নাখাব। চাহৰ দাম বাঢ়িছে চাহ নাখাব। পেণ্ট আৰু আণ্ডাপেণ্টৰ দাম বাঢ়িলে কেনেকৈ নিপিন্ধাকৈ থাকিব ? এই যে আপোনালোকৰ টেক্স লগোৱা টেনডেনচি, হুছিয়াৰীৰ ওপৰতো টেক্স লগাইছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই লুঙি গেঞ্জিৰ ওপৰত টেক্স লগোৱাৰ কথা কৈয়েই আছে। আগতে হেমেন দাস ডাঙৰীয়াই পিয়াজৰ দাম বঢ়োৱাত খাব নালাগে বুলি কৈছিল। চাহৰ দাম বাঢ়িলে নাখালে হব বুলি কৈছিল। কিন্তু এতিয়া গেঞ্জি বা লুঙিৰ দাম বাঢ়িব নিপিন্ধিলে হব কিন্তু পেণ্ট বা আণ্ডাৰপেণ্টৰ দাম বাঢ়িলে নিপিন্ধিলে কেনেকৈ হব ?

( সদনত হাঁহিৰ ৰোল উঠে )

আমাৰ গাওঁৰ ভিৰোতা মানুহৰ কলহৰ ওপৰতো টেক্স লগাইছে। হুছিয়াৰী মালৰ ওপৰতো টেক্স লগাইছে। দিয়াচলাইৰ ওপৰতো টেক্স লগাইছে। আনকি বিহুৰ পিঠাৰ ওপৰতো টেক্স লগাইছে। দুপইচা ৰেহাই দি ৭-৮ পইচা লবৰ ব্যৱস্থা কৰিছে। ওঠৰ কোটি টকা ৰেহাই দি ছয়ত্ৰিশ কোটি টকাৰ ওঠৰ কোটি বিয়োগ কৰিলে আকৌ ওঠৰ কোটিয়েই

থাকিব। গতিকে এইটো সংশোধন আনি উঠাই লব বুলি আশা কৰিলো।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): অধ্যক্ষ ডাঙৰীয়া, আমি চাউল আৰু ঘেহুৰ ওপৰত টেক্স উঠাই দিছো। এই কাৰণেই উঠাই দিছো যে মাননীয় সদস্য সকলে এই সম্পৰ্কে সদনত উত্থাপন কৰিছে। লুঙিৰ কথা মাননীয় সদস্য পাটোৱাৰীয়ে মাজে মাজে কৈয়েই থাকে তেখেতে ক'ত পালে নাজানো মই হলে বিচাৰি পোৱা নাই। আমিতো লুঙিৰ ওপৰত টেক্স লগোৱা নাই।

★ শ্ৰীমৌলানা আব্দুল জলিল ৰাগিবী: চাৰ, লুঙিৰ কথা কয় কিন্তু ধুতিৰ কথা নকয়।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): আপুনি আছে নহয় সেই কাৰণে।

★ শ্ৰীজয়নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, গেঞ্জি ৰা লুঙি আৰু ক্ৰোকাৰিৰ কথা আছে চাৰ।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): অধ্যক্ষ মহোদয়, এক পইচাকৈ যিখিনি টেক্স আন ৰাজ্যৰ চিডিউল মতে লগোৱা হৈছে সেইটোৱে আমি ভাবো কোনো অসুবিধা নানিব। অন্যান্য ৰাজ্য বিলাকৰ বিক্ৰি কৰ যদি চাওঁ তেনেহলে অন্ধ্ৰপ্ৰদেশত হেয়াৰ অইল আৰু টুথপেষ্টত দহ পইচা, বিহাৰত আঠ পইচা, হাৰিয়ানাত আঠ পইচা, কৰ্ণাটকত পোন্ধৰ পইচা, কেৰেলাত আঠ পইচা, উৰিষ্যাত ষোল্ল পইচা, পঞ্জাৱত আঠ পইচা, ৰাজস্থানত বাৰ পইচা, তামিলনাডুত আঠ পইচা, উত্তৰ প্ৰদেশত আঠ পইচা, পশ্চিম বঙ্গত আঠ পইচা আৰু আমাৰ অসমতো আঠ পইচা কৰা হৈছে। ভেজিটাবল অইলচ্ত অন্ধ্ৰপ্ৰদেশত চাৰি পইচা, বিহাৰত দুপইচা, হাৰিয়ানাত ছয় পইচা, কৰ্ণাটকত তিনি পইচা, কেৰেলাত ছয় পইচা, উৰিষ্যাত চাৰি পইচা, পঞ্জাৱত আঠ পইচা, ৰাজস্থানত আঠ পইচা, তামিলনাড়ুত চাৰি পইচা, উত্তৰ প্ৰদেশত পাচ পইচা, পশ্চিম বঙ্গত আঠ পইচা আৰু আমাৰ অসমতো আঠ পইচা ৰখা হৈছে। ক্ৰোকাৰীত অন্ধ্ৰ প্ৰদেশত ছয় পইচা, বিহাৰত আঠ পইচা, হাৰিয়ানাত দহ পইচা,

★ Speech not corrected

কৰ্ণাটকত দহ পইচা, কেৰেলাত ছয় পইচা, উৰিষ্যাত বাৰ পইচা, পঞ্জাৱত দহ পইচা, ৰাজস্থানত বাৰ পইচা, তামিলনাডুত ন পইচা, উত্তৰ প্ৰদেশত দহ পইচা, পশ্চিম বঙ্গত পোন্ধৰ পইচা আৰু আমাৰ অসমত আঠ পইচা মাত্ৰ কৰা হৈছে। চাবোনৰ ক্ষেত্ৰত অন্ধ্ৰ প্ৰদেশত পাচ পইচা, বিহাৰত আঠ পইচা, হাৰিয়ানাত আঠ পইচা, কৰ্ণাটকত আঠ পইচা, কেৰেলাত পাচ পইচা, উৰিষ্যাত বাৰ পইচা, পঞ্জাৱত আঠ পইচা, ৰাজস্থানত আঠ পইচা, তামিলনাডুত দহ পইচা, উত্তৰ প্ৰদেশত ছয় পইচা, পশ্চিম বঙ্গত আঠ পইচা আৰু আমাৰ অসমতো আঠ পইচা। মছিৰ ক্ষেত্ৰত অন্ধ্ৰ প্ৰদেশত তিনি পইচা, বিহাৰত ন পইচা, হাৰিয়ানাত আঠ পইচা, কৰ্ণাটকত পাচ পইচা, কেৰেলাত চাৰি পইচা, উৰিষ্যাত বাৰ পইচা, পঞ্জাৱত আঠ পইচা, ৰাজস্থানত ছয় পইচা, তামিলনাডুত দুই পইচা, উত্তৰ প্ৰদেশত আঠ পইচা, পশ্চিম বঙ্গত সাত পইচা আৰু আমাৰ অসমত আঠ পইচা অৰ্থাৎ পশ্চিম বঙ্গতকৈ এক পইচা বেচি মাত্ৰ ইয়াৰ পিচত আৰু কেইটামান কথা আমাৰ শৰ্মা ডাঙৰীয়াই কৈছে। বিহুৰ পিঠাৰ কথা কৈছে। আমাৰ আইনখনত cooked food sold in big houses will be taxed. Sales at Bihutali will not be taxed. বিহুতলিৰ পিঠাৰ ওপৰত টেক্স লগোৱা নাই।

★ শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, ডাঙৰ হোটেলে যদি বিহুৰ পিঠা বিক্ৰী কৰে তেতিয়াহলে বিক্ৰী কৰৰ পইচা দিব লাগিব।

(ভইচ : নালাগে নালাগে)

আপোনালোক মন্ত্ৰী নহয়। উত্তৰ দিলে নহব।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, লুভিত টেক্স নাই। হোচিয়াৰিৰ ওপৰত ছয় পইচাৰ ঠাইত আঠ পইচা কৰা হৈছে।

★ শ্ৰীজয়নাথ শৰ্মা : মাটিৰ কলহৰ ওপৰত টেক্স লগাইছে।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাটিৰ কলহৰ ওপৰত টেক্স লগোৱা নাই। এই লগোৱা টেক্সখিনি মই কৈছোৱেই প্ৰায়বোৰ ৰাজ্যতে আছে।

★ Speech not corrected

গোটেই বিলাক মিলাই মিচাই চাইহে কৰা হৈছে। নতুনকৈ কৰৰ বেছি বোজা এটা হোৱা নাই। সেয়ে আশা কৰিছো মাননীয় সদস্য সকলে আপত্তি নকৰিব।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই বিহুৰ পিঠাৰ ওপৰত টেক্স লগোৱাৰ কথা কৈছে। এতিয়া মই পিঠা বিক্ৰী কৰিলে টেক্স নালাগিব কিন্তু ডাঙৰ হোটেল বা হোটেল্স অম্বৰীষে বিক্ৰী কৰিলে পিঠাৰ ওপৰতো টেক্স দিব লাগিব। ইয়াতে পেজত আছে চেকশ্বন থ্ৰি চি'ত আছে। "Page No. 2 1(a) : Rice in form of Chira, Muri, Pitha, A-Khai by whatever named called excluding such goods liable to be taxed under Section 3(c)."

অৰ্থাৎ ডাঙৰ হোটেলে বিক্ৰী কৰিলে পিঠাতো টেক্স লাগিব। এইটো ভালৰ কাৰণেই কৈছো কিয়নো বিহুৰ পিঠাৰ ওপৰত টেক্স লগালে আপোনালোকৰ বদনাম হব।

★ শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : পিঠাত টেক্স লাগিব কিন্তু বিহুৰ সময়ত টেক্স নালাগে।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, আমি সুখ পাইছো যে ৰাজ্যপালৰ ভাষণৰ পৰা আৰম্ভ কৰি পশ্চিম বঙ্গক প্ৰগতিৰ পেৰ'মিটাৰ হিচাবে ধৰিছে সেই কাৰণে ধন্যবাদ জনাইছো।

Mr. Speaker : Will you please withdraw your amendment ?

★ শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, নো' বুলি কোৱা নাই। নো' বুলি কওক। আমাৰ আপত্তি নাই কিন্তু নো' বুলি কব লাগে।

Mr. Speaker : I now put the amendment before the House. The question is that-

(a) "In the proposed amendment to Clause 4, sub-clause (II) under Chapter III the words and figure "8 paise

---

★ Speech not corrected

in the rupee" sought to be substituted shall be substituted by "7 paise in the rupee".

(b) In the proposed amendment to sub-clause (iii) under Chapter III-" iii) after item No. 74, the following new items shall be inserted namely :-

"75. Mustard oil and rape oil 2 paise in the rupee.

The amendment is lost in voice vote.

I now put the amendment before the House. The question is that-

In the proposed Clause 4, sub-clause (3), the proposed items 75, 76, 77 and 78 sought to be inserted shall be deleted.

The amendment is lost in voice vote.

★ শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো। এই যে টুথ পেষ্ট, চাবোন, হেয়াৰ অইল ইত্যাদি নগালেণ্ড অৰুণাচল মণিপুৰৰ নামত আনে কিন্তু বিক্ৰী কৰে অসমত যাৰ কাৰণে আমি টেক্স হেৰুৱাবলগীয়া হৈছে। গতিকে নগালেণ্ড মণিপুৰৰ নামত আনি অসমত যি মাৰ্কেটিং কৰে আৰু অসমে যে টেক্স নাপায় তাৰ কিবা এটা ব্যৱস্থা যি সকল টেক্স এক্সপাৰ্ট আছে তেওঁলোকৰ লগত আলোচনা কৰি অসমে যাতে টেক্স পায় তাৰ কিবা ব্যৱস্থা মুখ্য মন্ত্ৰীয়ে কৰিব নে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) : সেই খবৰটো ময়ো পাইছো. এনেকুৱা ধৰণৰ বহুত কেলেংকাৰী চলি আছে। বস্তুটো অন্যৰ নামত আনে কিন্তু বিক্ৰী কৰে অসমত। ইয়াৰ এটা বিহিত ব্যৱস্থা কৰিবলৈ মই তাগিদা দি আছো আৰু নিশ্চয় উচিত ব্যৱস্থা কৰা হব।

Mr: Speaker : There is an amendment in Chapter

★ Speech not corrected

Heading of Chapter IV in the name of Hon'ble Chief Minister. I now request the Hon'ble Chief Minister to move the amendment.

★ Shri Hiteswar Saikia ( Chief Minister ) : Sir, in Chapter IV for the existing Chapter heading the following shall be substituted, "Amendment to be Assam Tax on Luxuries ( Hotels and Lodging Houses ) Act, 1989".

Mr. Speaker : The amendment is that-in Chapter IV for existing Chapter heading the following shall be substituted, "Amendments to the Assam Tax on Luxuries ( Hotels and Lodging Houses ) Act, 1989". The amendment is adopted. Chapter heading of Chapter IV as amended do form part of the Bill.

There is an amendment in Clause 5 of the Bill in the name of Hon'ble Chief Minister incharge of the Bill. I now request the Hon'ble Chief Minister to move his amendment.

★ Shri Hiteswar Saikia ( Chief Minister ) ; In Chapter II, "Clause 5 and marginal heading there of" shall be omitted and remaining Clauses 6 and 7 shall be renumbered as Clauses 5 and 6 of the Bill."

Mr. Speaker : The amendment is that-"In Chapter IV, Clause 5 and marginal heading there of" shall be omitted and remaining Clauses 6 and 7 shall be renumbered as Clauses 5 and 6 of the Bill."

The amendment is adopted. Clause V as amended do

★ Speech not corrected

form part of the Bill.

There is no amendment in Clause 6 and 7 of the Bill. I now put Clauses 6 and 7 before the House for approval. The question is that- Clause 6 and 7 do form part of the Bill. Voice vote. Clause 6 and 7 form part of the Bill.

I now put Clause I, Preamble, Enacting Formula and short title of the Bill before the House. The question is that--Clause I, Preamble, Enacting Formula and short title do stand part of the Bill.

Clause I, Preamble, Enacting Formula and short title do from part of the Bill.

Now, item No. 9(c) Hon'ble Chief Minister to move.

There is an amendment in Chapter Heading of Chapter IV in the name of Hon'ble Chief Minister: I now request the Hon'ble Chief Minister to move the amendment.

★ Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that in Chapter IV for existing Chapter Heading, the following shall be substituted by "Amendments to the Assam Tax on Luxuries ( Hotels and Lodging Houses ) Act, 1989.

Mr. Speaker : I think we should extend the business of the House for another half an hour, ( 'yes', 'yes' ) The House stands extended for another half an hour. The amendment is that in Chapter IV for the existing

★ Speech not corrected

Chapter Heading, the following shall be substituted "Amendments to the Assam Tax on Luxuries (Hotels and Lodging Houses) Act, 1989. The amendment is adopted. Chapter Heading of Chapter IV as amended do form part of the Bill.

There is an amendment in Clause 5 of the Bill the name of Hon'ble Chief Minister incharge of the Bill. I now request the Hon'ble Chief Minister to move his amendment.

★ Shri Hiteswar Saikia (Chief Minister): Sir, I beg to move that in "Chapter IV, Clause 5 and marginal heading there of" shall be omitted and remaining Clauses 6 and 7 shall be renumbered as Clauses 5 and 6 of the Bill".

Mr. Speaker: The amendment is that "In Chapter IV, Clause 5 and marginal heading there of" shall be omitted and remaining Clauses 6 and 7 shall be renumbered as Clauses 5 and 6 of the Bill."

The amendment is adopted.

Clause V as amended do from part of the Bill.

There is no amendment in Clauses 6 and 7 of the Bill. I now put Clauses 6 and 7 before the House for approval. The question is that Clauses 6 and 7 do form part of the Bill.

Clauses 6 and 7 do form part of the Bill.

I now put Clause I, Preamble, Enacting Formula

★ Speech not corrected

and short title of the Bill before the House. The question is that Clause I, Preamble, Enacting Formula and short title do stand part of the Bill.

Clause I, Preamble, Enacting Formula and short title do from part of the Bill.

Now item No. 9(c). Honourable Chief Minister. to move.

★ Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that the Assam Taxation Laws ( Amendment ) Bill, 1992 be passed.

Mr. Speaker : The motion is that the Assam Taxation Laws ( Amendment ) Bill, 1992 be passed.

The motion is passed.

The Bill is passed.

Now, Item No. 12(a).

There is a message from the Governor of Assam.

Raj Bhawan.

Dated March 19, 1992.

Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Passengers and Goods Taxation ( Amendment ) Bill 1992 be taken into consideration by the Assam Legislative Assembly.

Sd/-Loknath Misra,
Governor of Assam.

Now, Hon'ble Minister, Transport to move

★ Shri Shio Shambhu Ojha ( Minister ) : Sir, I beg to

★ Speech not corrected

move that the Assam Passengers and Goods Taxation ( Amendment ) Bill, 1992 be taken into consideration.

Mr. Speaker : I now put the motion before the House. The motion is that the Assam Passengers and Goods Taxation ( Amendment ) Bill, 1992 be taken into consideration.

The motion is passed.

Now, item No. 12(b).

There is an amendment in Clause 2 of the Bill in the name of Hon'ble Member Shri Bharat Chandra Narah. I now call upon Shri Bharat Chandra Narah to move his amendment.

( He is absent )

I now put the amendment before the House.

★ শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া মোভাৰ নাথাকে তেতিয়া আপুনি আৰু মোভ নকৰিলেও হয় নেকি ?

মাননীয় অধ্যক্ষ : ক্লজ বাই ক্লজ যাব লাগিব সেই কাৰণে পঢ়িব লাগিব।

The question is that "In the proposed Clause 2, Sub-section (I) of Section 3 of the Principal Act, the proviso- "provided that no such Tax shall be payable in respect of passengers or goods carried in a motor vehicle in respect of which a surcharge on motor vehicles has been paid under section 4-A of the Assam Motor Vehicle Taxation Act. 1936, as amended, in respect of the period for which the surcharges has been paid." Sought to be inserted shall be deleted.

---

★ Speech not corrected

The amendment is lost.

Clause 2 do form part of the Bill.

Now I put Clause 1, Preamble, Enacting Formula and short title of the Bill before the House, the question is that-

Clause I, Preamble, Enacting Formula and short title do stand part of the Bill.

Clause I, Preamble, Enacting Formula and short title do form part of the Bill.

Now Item No. 12(c). Hon'ble Transport Minister to move.

★ Shri Shio Shambhu Ojha ( Minister Transport ) : Mr. Speaker Sir, I beg to move that the Assam Passengers and Goods Taxation ( Amendment ) Bill, 1992 be passed.

Mr. Speaker : The motion is that the Assam Passengers and Goods Taxation ( Amendment ) Bill, 1992 be passed.

The motion is passed.

The Bill is passed.

Now item No. 13(a). Hon'ble Minister, Panchayat to move.

★ Shri Afzalur Rahman ( Minister, Panchayat ) : Mr. Speaker Sir, I beg to move that the Assam Panchayati Raj ( Amendment ) Bill, 1992 be taken into consideration.

Mr. Speaker : The motion is that "The Assam Panchayati Raj ( Amendment ) Bill, 1992 be taken into

★ Speech not corrected

consideration.

The motion is passed.

Now item No. 13(b). There is an amendment in Clause 2 of the Bill in the name of Hon'ble Member Shri Hitendra Nath Goswami, I now call upon Shri Goswami to move his amendment.

( Shri Goswami is absent )

I now put the amendment before the House. The question is that—In the proposed Clause 2 the words "population" and "six thousand to ten thousand" occuring in the first proviso shall be substituted by the words "Voters" and "two thousand to four thousand" respectively.

The amendment is lost.

Clause 2 do form part of the Bill.

There are two amendments in clause 3 of the Bill in the name of Shri Hitendra Nath Goswami, I now call upon Shri Goswami to speak on his amendment.

( Shri Goswami is absent )

I now put the amendment before the House. The question is that (i) in the proposed Section 3 a new proviso shall be inserted just below the first proviso in the following words-"Provided further that No. of Voters in the ten segments of the Goan Panchayat shall be made almost equal and in any case it shall not be more than double of any other segments."

(ii) In the last proviso of the proposed clause 3 the

words "inclusive of S. C. and S. T. reserved seats" shall be inserted in between the words 'seats' and 'of' occuring in the second line."

The amendment is lost. Clause 3 do form part of the Bill.

There is an amendment in clause 4 of the Bill in the name of Hon'ble Member Shri Hitendra Nath Goswami. ( He is absent ).

I now put the amendment before the House.

Shri Zoii Nath Sarma : Mr. Speaker Sir, there is a point of order regarding this. I think the motion has not been moved and it cannot be passed.

Mr. Speaker : Has he not moved the motion ?

শ্ৰীজয়নাথ শৰ্ম্মা : তেখেত সকলে নোজ বুলি কোৱা নাই ইয়েচ বুলিহে কৈছে। He has not moved the motion.

Mr. Speaker : Please move.

★ Shri Afzalur Rahman ( Minister, Panchayat ) : Mr. Speaker Sir, I beg to move that the Assam Panchayati Raj ( Amendment ) Bill 1992 be passed.

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন পাচ কৰাৰ সম্পৰ্কত মোৰ কেইটামান কথা কব লগীয়া আছে। প্ৰথম কথা হৈছে আপোনালোকে পঞ্চায়ত নিৰ্ব্বাচন পাতিলে কিন্তু আঞ্চলিক পঞ্চায়ত নিৰ্ব্বাচন পতা নাই কিয় ? ২ নম্বৰ কথাটো হৈছে প্ৰত্যেক সমষ্টিতে ২টাকৈ ব্লক দিয়া কথা আছিল। আঞ্চলিক পঞ্চায়ত নিৰ্ব্বাচন পতাৰ আগতে দিবনে নিদিয়ে ? তৃতীয়তে দিলিমিটেচনৰ ক্ষেত্ৰত বহুতো খেলি-মেলি হৈছে। মই দুখনমান পঞ্চায়তৰ কথা কব বিচাৰিছো। দিলিমিটেচন হলে এখন পঞ্চায়তৰ

---

★ Speech not corrected

এগৰাকী সদস্য আন এখন পঞ্চায়তলৈ যাব পাৰে। তেনে কৰাটো উচিত আৰু তাত জনসাধাৰণৰ সমৰ্থন আছে। এজন বাহিৰা মানুহে ইলেকচনৰ সময়ত পঞ্চায়তত কাম কৰা মানুহ বুলি কৈ কাম কৰি নিয়াৰ উদাহৰণ আছে। এনেকুৱা অবুজেকচন আহিছে। আজি দিলিমিটেচন হলে কেৱল যে চিপাঝাৰৰহে ভাল হব এইটো নহয়। সেইটো হলে সকলো সমষ্টিৰ কাৰণে সুবিধাজনক হব। মই সেইকাৰণে কৈছো যে প্ৰত্যেক সমষ্টিতে ২খনকৈ আঞ্চলিক পঞ্চায়ত দিয়া উচিত। আঞ্চলিক পঞ্চায়ত গঠন কৰাৰ আগতে নটিফিকেচন হব লাগিব। নহলে ৫ বছৰ কৰিব নোৱাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, জৰ্জ ফিল্ড পথাৰত আপোনালোকে মিটিং কৰোতে কৈছিল যে পঞ্চায়ত অফিচৰ কাৰণে প্ৰত্যেককে ৬ বিঘাকৈ মাটি দিয়া হব। কিছুমানৰ অফিচ নাই, কিছুমানৰ মাটি নাই সেইবিলাক মানুহে আহি আমাক গণ্ড গোল কৰিছেহি। গতিকে মই ভাবো যিবিলাকৰ পুৰনা অফিচ আছে তাতে কাৰ্য্যালয় চলিবলৈ দিব লাগে।

★ শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয় যদি এজন মেম্বাৰেই সকলো সময়তে কৈ থাকে তেনেহলে আমি বাকী বিলাকে কবলৈ কেনেকৈ সুবিধা পাম।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কাক খং কৰি কলে নেজানো। যদি মোক কৈছে তেনেহলে-তেখেত মোতকৈ বয়সত ডাঙৰ। এল, পি, স্কুলৰ ছাত্ৰক শিকোৱাৰ দৰে মই শিকাবলৈ নেযাও। এই সম্পৰ্কত কলচত যিটো আছে সেইটো পঢ়িলে তেখেতে গম পাব। গতিকে মোৰ কিছু সময় লাগিব। এতিয়া কথাটো হল আঞ্চলিক পঞ্চায়ত সমূহ অতি সোনকালে গঠন কৰা উচিত।

★ শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন পাচ কৰাৰ সম্পৰ্কত মোৰ কেইআষাৰমান কব লগীয়া আছে কাৰণে বহু আগৰে পৰা আহি বহি আছোহি। ইয়ালৈ আজি বহুতো সদস্য অহা নাই তেওঁলোকৰ দৰে মইও শুই থাকিব পাৰিলোহেতেন? মই অহাৰ উদ্দেশ্য আছে এই

★ Speech not corrected

বিলখনৰ সম্পৰ্কত দুআষাৰ কোৱাৰ আশাত। এই সম্পৰ্কত ইয়াৰ আগতেও সংশোধনী আনিছিলো। এই বিলখনৰ সম্পৰ্কত মই স্পেচিফিক কৰ বিচাৰিছো যে ইয়াৰ ৩ ধাৰাত কৈছে কিন্তু মেইন এক্টখনৰ সুত্ৰটো দিয়া হোৱা নাই। আজি গাওঁ পঞ্চায়ত এনেকৈ ন'টিফিকেচন কৰা হৈছে। যিবিলাক আঞ্চলিক পঞ্চায়তৰ দেফিনেচন দিছে। গাওঁ পঞ্চায়ত এবিয়াত ১০টা কনষ্টিটিউচন কৰা হৈছে সেইটো যেনেধৰণে উল্লেখ থাকিব লাগে সেইধৰণে নাই। মহিলাৰ কাৰণে ৩০ পাৰচেণ্ট সংৰক্ষণ কৰা হৈছে, মেইন এক্টখন কেনেকৈ গঠন হব তাবো স্পষ্ট হোৱা নাই। সভাপতি গৰাকী যদি মহিলা হয় তেনেক্ষেত্ৰত তেওঁক লৈ ১১ গৰাকী মেম্বাৰ ধৰিবনে ১০ জন মেম্বাৰ ধৰিব। আজি নিজৰ ইনটাৰফিকেচনৰ মতেই পঞ্চায়ত নিৰ্ব্বাচন হৈ গৈছে।

এই ক্ষেত্ৰত এচ, চি, ৰ কথা যিটো কোৱা হৈছে তাত মহিলাৰ বাবে ৩০ শতাংশ ৰিজাৰ্ভেচন পাব নে নেপায়? বহুতো ঠাইত এচ, চি ৰ এবিয়া দিয়া হোৱা নাই। গতিকে মই ভাবো এইখন আকৌ ভালকৈ চোৱা-চিতা কৰি এমেণ্ডমেণ্ট আনিব লাগে। এই ক্ষেত্ৰত ১৯৯০ চনতে এখন এমেণ্ডমেণ্ট অনা হৈছিল। তেতিয়া এই কথা বিলাক চাই চিতি সদনত উল্লেখ কৰা নহল। গতিকে এই কথাবিলাক অলপ চোৱা চিতা কৰা ভাল। ইয়াত মুঠ চিটৰ কথাটো ক'তো ব্যাখ্যা কৰা হোৱা নাই আৰু ১০ জন সদস্যক লৈ যিখন পঞ্চায়ত গঠন কৰাৰ কথা কোৱা হৈছে আৰু প্ৰত্যেকটো সমষ্টিতে দুটাকৈ ব্লক কৰাৰ কাৰণে যিটো ব্যৱস্থা কৰা হৈছিল তাতো কিছুমান খেলি মেলি হৈছে। সেই কাৰণে এই গোটেই বিলাক কথা চোৱা-চিতা কৰি সংশোধনী অনা হলে ভাল আছিল।

★ শ্ৰীগিয়াছুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়ত সমূহৰ মুঠ চিটৰ ক্ষেত্ৰত এটা বিৰাট খেলি মেলি হৈছে। ইয়াৰ প্ৰভিজন বোৰত এনে ধৰণে কোৱা হৈছে 30% of the seat in Gaon Panchayats shall be reserved for the woman. গাওঁ পঞ্চায়ত সমূহত যি

---

★ Speech not corrected

৩০ শতাংশ চিট মহিলাৰ কাৰণে সংৰক্ষিত কৰা হৈছে তাৰ ভিতৰত প্ৰেচিডেণ্ট গৰাকী পৰিব নে নপৰে ? যদি পৰে তেনেহলে এই কথাটো স্পষ্ট ভাবে কব লাগে যে প্ৰেচিডেণ্টৰ চিটটো গাওঁ পঞ্চায়তৰ ভিতৰৰে এটা চিট। এই কথাটো ক'তো স্পষ্ট ভাৱে কোৱা নাই। সেই কাৰণে ইয়াত এটা ডাঙৰ খেলি-মেলি হৈছে। সেই কাৰণে গাওঁ পঞ্চায়তৰ ক্ষেত্ৰত ১১ জন সদস্যৰ ভিতৰত ৩০ শতাংশ মহিলাৰ কাৰণে সংৰক্ষিত হৰ লাগে। কিন্তু তেনে কৰিলে আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত আকৌ এটা কম্প্লিকেচি হৰ, কাৰণ, আঞ্চলিক পঞ্চায়ত সমূহৰ ক্ষেত্ৰতো ৩০ শতাংশ হিচাবে কৰিবলৈ যাওঁতে গাওঁ পঞ্চায়ত প্ৰেচিডেণ্ট কেইজনক বাদ দিব লাগিব। এতিয়া ডাঙৰ কথা হৈছে মহিলা প্ৰাৰ্থী বিচাৰি পোৱা টান। গতিকে ইণ্টাৰপ্ৰিটেচনত অলপ খেলি-মেলি হৈছে। যদি গাওঁ পঞ্চায়তৰ সভাপতি জনক গাওঁ পঞ্চায়তৰ চিটৰ ভিতৰত ধৰি লোৱা হয় তেনেহলে তেওঁক আঞ্চলিক পঞ্চায়তৰ পৰা বাদ দিব লাগে আৰু ৩০ শতাংশ মহিলাৰ কাৰণে ৰাখিব লাগিব। যদি গাওঁ পঞ্চায়তৰ মুঠ চিটৰ ভিতৰত সভাপতি জনকো ধৰা হয় তেনেহলে সেই কথাটো স্পষ্ট ভাবে কব লাগে। নহলে ইণ্টাৰপ্ৰিটেচনত খেলি মেলি হৰ। গতিকে দুয়োটা ক্ষেত্ৰতে এটা স্পষ্ট আইন থাকিব লাগে। নহলে কৰ্ম্মচাৰী সকলে খেলি-মেলিৰ সৃষ্টি কৰিব। সেই কাৰণে মই ভাবো পঞ্চায়ত ডিলিমিটেচনৰ ক্ষেত্ৰত যি বোৰ খেলি-মেলি আছে সেইবোৰ ভালদৰে আলোচনা কৰা প্ৰয়োজন আছিল যদিও সময়ৰ অভাৱত কৰিব পৰা নহল। এই ক্ষেত্ৰত এনেকুৱা ধৰণৰো ঘটনা কিছুমান হৈছে যে গাওঁ পঞ্চায়ত সমূহৰ এখন গাওঁ পৰিছে কামৰূপ জিলাত, এখন গাওঁ পৰিছে গোৱালপাৰা জিলাত, এখন পৰিছে কাচাৰ জিলাত আৰু এখন পৰিছে নগাওঁ জিলাত। কেইবাখনো গাওঁ লৈ একোখন গাওঁ পঞ্চায়ত ডিক্লাৰ কৰা হ'ল। কোনোবা এজনে এখন দৰখাস্ত লৈ আহিলেই মন্ত্ৰী মহোদয়ে সেই খন এলাউ কৰি দিছে। এই ক্ষেত্ৰত ডি, চি বা এচ. ডি, অ, ৰ পৰা কোনো ৰিপোৰ্ট আনি সেইটো নকৰাৰ ফলতে এনেবোৰ খেলি মেলি হৈছে। আমি চচিঅ ইকন'মিক চেণ্টাৰ কৰাৰ কাৰণে যি

ব্যৱস্থা লব খুজিছো তাৰ কাৰণে পঞ্চায়তবোৰো তেনে ধৰণে কৰিব লাগিব। আমি যদি গাওঁ পঞ্চায়তৰ মেপ এখন তৈয়াৰ কৰিবলৈ যাওঁ তেনেহলে বৰ্ত্তমান ব্যৱস্থা মতে সেইখন এখন মেপ নহব। কেইবাটাও দ্বীপপুঞ্জলৈহে এই গাওঁ পঞ্চায়ত খন হব। এই আইন খনত কোৱা হৈছে যে ৬ হাজাৰৰ পৰা ১০ হাজাৰ মানুহৰ ভিতৰত একোখন গাওঁ পঞ্চায়ত হব লাগিব। কিন্তু ২/৩ হাজাৰ মানুহক লৈও একোখন পঞ্চায়ত হৈছে। সেয়ে গাওঁ পঞ্চায়ত আইন খন চৰকাৰেই কৰিছে আৰু চৰকাৰেই ভঙ্গ কৰিছে। এই আইন খনৰ কোনো মৰ্য্যদা দিয়া হোৱা নাই। সেই কাৰণে ইয়াত যিবিলাক আসোঁৱাহ আছে সেইবিলাক ভালদৰে চোৱা-চিতা কৰি সংশোধনী কৰা উচিত। যদি তাকে নকৰে তেনেহলে পঞ্চায়ত আইনখন কেতিয়াও সফলকাম হব নোৱাৰিব। এই কথাবিলাক গভীৰ ভাবে চিন্তা কৰি নিৰপেক্ষ ভাবে কামবোৰ কৰিব লাগে আৰু প্ৰয়োজন সাপেক্ষে ইয়াৰ সংশোধনী কৰি হলেও কামবোৰ কৰা ভাল হব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : It is 6.30 P. M. now. We have already taken maximum time. I extend the business of the House for another 15 minutes. It is final.

★ শ্ৰীথানেশ্বৰ বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অলপ কব বিচাৰিছো। পঞ্চায়ত এক্টত বহুত ত্ৰুটি থাকি গল। এইটো ভাল ধৰণে ৰিভিউ কৰি ভাল ধৰণে এমেণ্ডমেণ্ট আনিলে ভাল আছিল। পঞ্চায়ত ইলেক্চনত দেখা গৈছে এজন কেনডিডেটৰ এজ কিমান হব লাগে, এই ক্ষেত্ৰত ডিলিমিটেশ্বন হৈছে। এটা ক্লজত এইটো কোভাৰ কৰিছে। চেক্চন ১০ ত এইটো কৈছে যে Seetion 10 Provided that voters of the Gaon Panchayat shall among themselves elect one of the Members as President of the Gaon Panchayat in the manner Presscribed. তাৰ মানে ভোটাৰ লিষ্টত নাম

★ Speech not corrected

থাকে, তেতিয়া কেনডিটেড হব পাৰে। ১৮ বছৰ হলেও কেনডিডেট হব পাৰে। সেই সময়ত হাইস্কুলত পঢ়ি থাকিলেও কেনদিডেট হব পাৰে। ভাৰতৰ প্ৰেছিডেন্ট, ভাইচ প্ৰেছিডেন্ট হব লাগিলে আৰ্টিকুল ৫৮ মতে ৩৫ বছৰ হব লাগে, তেনেকৈ এম, এল. এ, ৰ ক্ষেত্ৰত ২৫ বছৰ হব লাগে। মেম্বাৰ অব লেজিচ্‌লেটিভ কাউন্সিলত ৩০ বছৰ হব লাগিব। আৰ্টিকুল ৩ মতে ১৮ বছৰ কৰা গৈছে। পঞ্চায়ত এক্টত তেনেকুৱা কেনদিডেট হব লাগিলে মিনিমাম এজ ২৫ বছৰ কৰাটো ভাল হব। যোৱা পঞ্চায়ত নিৰ্ব্বাচনত দেখা গৈছে স্কুল কলেজত পঢ়া ডেকা ল'ৰা-ছোৱালী সকলো নামিছে গতিকে মিনিমাম এজ ফিক্স কৰাৰ প্ৰয়োজন হৈ পৰিছে। মাননীয় সদস্য শ্ৰীবৰুৱা আৰু আহমেদ ডাঙৰীয়াই যি কৈছে তাক মই সমৰ্থন কৰিছো। এই বিষয়টো চাব লাগে।

★ শ্ৰী আফজালুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে এ, পি, ইলেক্‌চনৰ কথা কৈছে, কিছুমান ডিলিমিটেশ্বনৰ প্ৰশ্ন আছে। এটা আঞ্চলিক পঞ্চায়ত বা গাওঁ পঞ্চায়ত হব লাগিলে সেইটো ভৌগলিক বিৱৰণৰ ওপৰত ভিত্তি কৰে, তেখেতে আৰু কৈছে সমষ্টিত ডুখন এ, পি, কৰিব লাগে। ব্লক কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ দিনতে আগতে কেবিনেটত সিদ্ধান্ত লোৱা হৈছিল। এ. জি. পি, চৰকাৰেও সেইটো মানি লৈছিল। সেই মতে আমাৰ চৰকাৰেও মানি লৈছে। বাজেটত টকা কিমান আছে, কিমান খিনি কৰিব পৰা হব ইয়াৰ সমীক্ষা লোৱাৰ কাৰণে সময় লব। চাৰি বছৰৰ ভিতৰত নহলে তেতিয়া কোৰ্টত আহি যাব, এই সমস্যা আছে। ডিলিমিটেশ্বনৰ ক্ষেত্ৰত কওঁ যে পঞ্চায়ত নিৰ্ব্বাচন হব বুলি ঘোষনা কৰিছিল। তেতিয়া মাননীয় বিৰোধী দলৰ সদস্য সকলে মূখ্য মন্ত্ৰী মহোদয়ক লগ ধৰিছিল আৰু আলোচনা বিলোচনাৰ মাধ্যমেৰে পঞ্চায়ত নিৰ্ব্বাচন বি-চিডুল কৰিছিল। মাননীয় মুখ্য মন্ত্ৰীয়ে বাৰে বাৰে কৈছিল বি-চিডুল কৰাৰ কাৰণে যিখিনি সুবিধা কাগজ-পাতি দিব, আমি কৰিম। সেই মতে কৰা হৈছে। গোটেই

★ Speech not corrected

পঞ্চায়ত নিৰ্ব্বাচনটো নিয়াৰিকৈ কৰা হৈছে। এইটো চিষ্টেম নাছিল, নতুনকৈ কৰা হৈছে। এতিয়া পঞ্চায়ত বহিব, এ, পি, বহিব ৰিমোট অঞ্চলৰ পৰা আহিব, এইখিনি কৰোতে সময় লব। This is the new starting point. এই কাৰণে পঞ্চায়ত নিৰ্ব্বাচন পাতি দিছে যাতে ডেমোক্রেচী ঘূৰাই আনিব পাৰি। আমি ডি. চি, সকলক যিবিলাক ইনচট্ৰকচন দিছো সেই বিলাক পালন কৰা নাই। কিছুমানে ভুল কৰিছে। অসমত পঞ্চায়ত নিৰ্ব্বাচন খুব ভাল ধৰণেৰে হৈছে। এনেকুৱা এটা ল এণ্ড অৰ্ডাৰ চিটুৱেচনত এনেধৰণে নিৰ্ব্বাচন হব বুলি কোনেও ভবা নাছিল। পশ্চিমবঙ্গ আৰু অন্যান্য প্ৰদেশৰ পৰা আমাৰ মাননীয় মুখ্য মন্ত্ৰীক এনে ধৰণৰ নিৰ্ব্বাচন হোৱাটোত ধন্যবাদ জনাইছে। মাননীয় সদস্য শ্ৰীবদন বৰুৱা ডাঙৰীয়াই কৈছে যে ১০টা ছিট পঞ্চায়তত বেলেগকৈ প্ৰভিজন আছে।

★ শ্ৰীবদন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই তেনেকৈ কোৱা নাছিলো। মই কৈছিলো পঞ্চায়ত গাওঁ এৰিয়া সম্পৰ্কে ডিফাৰেন্স আছে। গাওঁ পঞ্চায়তৰ ক্ষেত্ৰত মেইন এক্ট নাই।

★ শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ১০জনকৈ মেম্বাৰ সমষ্টি বিলাকত ভগাবলৈ ডি. চি. ক দিছিলো। গাওঁ পঞ্চায়ত গঠনত ভৌগলিক কাৰণ থাকে। কিছুমান ইউনিট নদী এখনৰ এফালে চাৰিশ ঘৰ আৰু আনফালে এশ ঘৰ থাকে। এই ইউনিটৰ মানুহে বেলেগ বেলেগ গাওঁ পঞ্চায়তত থাকিবলৈ বিচাৰে। ইফালৰ মানুহ সিফালে নেযায়। পঞ্চায়ত বহিব ডি, চি. ক নিৰ্দ্দেশ দিয়া হৈছে, তেতিয়া নিয়াৰিকৈ হব। এ, পি, মেম্বাৰ, প্ৰেছিডেন্টৰ কাৰণে শতকৰা ৩০ ভাগ দিয়া হৈছে মহিলা সকলক। অসমে এইটো বোল্ড ষ্টেপ লৈছে বুলি সকলোৰে পৰা ধন্যবাদ পোৱা হৈছে। আজি ৪০ বছৰৰ পিচত মহিলা সকলে প্ৰশাসনৰ বাঘ জৰিডাল ধৰিব পৰা নাই। তেওঁলোকক শতকৰা ৩০ ভাগ দি প্ৰশাসনে সামৰি লৈছে। মাননীয় সদস্য গিয়াছুদ্দিন চাহাবে মহিলা কত হব বুলি কৈছিল।

---

★ Speech not corrected

★ শ্ৰীগিয়াছুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, মই মহিলাক শতকৰা ৩০ ভাগ নোহোৱা বুলি কোৱা নাছিলো, বৰং শতকৰা ৫০ ভাগ কৰিলেও ভাল পাও। I am in favour of reservation for women. মই নীতিৰ বিৰুদ্ধে কোৱা নাই, কিন্তু শতকৰা ৩০ ভাগ ছিটৰ কথাহে কৈছিলো।

★ শ্ৰী আফজালুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই এজন নিজেও মুছলমান সম্প্ৰদায়ৰ লোক। মহিলা সকলে বোৰ্খাৰ বাহিৰলৈ আহিব নোৱাৰে। কিন্তু তেওঁলোকে ওলাই আহিছে। যদি ওলাই আহিব নোৱাৰে তেনেহলে বেনজিৰ ভূট্টো কেনেকৈ প্ৰাইম মিনিষ্টাৰ হল ? এইটো বোল্ড ষ্টেপ। মাননীয় সদস্য শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াই ৰিভিউৰ প্ৰয়োজন আছে বুলি কৈছে, মইও একমত।

Mr. Speaker : The motion is that the Assam Panchayati Raj (Amendment) Bill 1992 be taken into consideration.

The Motion is passed.

13(c) Now, Hon'ble Minister, Panchayat to move.

★ Shri Afzalur Rahman (Minister) : Sir, I beg to move that The Assam Panchayati Raj (Amendment) Bill, 1992 be passed.

Mr. Speaker : The Motion is that 'The Assam Panchayati Raj (Amendment) Bill, 1992 be passed.

The motion is passed.

The Bill is passed.

Item 14(a) Now, Minister, Municipal Administration to move.

★ Shri Devananda Konwar (Minister) : Sir, I beg to move that The Guwahati Municipal Corporation (Amendment) Bill, 1992 be taken into consideration.

---

★ Speech not corrected

Mr: Speaker : The Motion is that The Guwahati Municipal Corporation (Amendment) Bill, 1992 be taken into consideration.

The Motion is passed.

14(b) There is no amendment in Clauses 2 and 3 of the Bill. I now put Clauses 2 and 3 before the House for approval.

The question is that Clauses 2 and 3 do stand part of the Bill. Clauses 2 and 3 do form part of the Bill.

I now put Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Clause 1, Preamble, Euacting Formula and Short Title do form part of the Bill.

Now item No. 14(c). Minister, Municipal Administration to move.

★ Shri Devananda Konwar (Minister) : Sir, I beg to move that The Guwahati Municipal Corporation (Amendment) Bill, 1992 be passed.

Mr. Speaker : The Motion is that The Guwahati Municipal Corporation (Amendment) Bill, 1992 be passed.

The Motion is passed.

The Bill is passed.

For information of the Hon'ble Members, we have arranged light refreshment. I invite all the Hon'ble Members for enjoyment of it and attend to Room No. 1.

---

★ Speech not corrected

Now, the House is adjourned till 8.30 A. M. tomorrow the 10th April, 1992.

Adjournment

Mr. Speaker : The House Stood adjourned at 6.40 P. M. till 8.30 A. M. to-morrow the 10th April, 1992

S. N. Deka,
Sceretary
Assam Legislative Assembly

Dispur :
The 9th April, 1992

Ex-gratia grant @ Rs. 25,000/- as 1st instalment again the total amount of Rs. 1.00 Lakh has been paid/disbursed to the each of next of killed persons by extremist etc. in Bongaigaon District.

| Sl. No. | Name of killed persons | Name of next of kins & address |
|---|---|---|
| 1. | Bhagirath Ray | Sri Bejiram Ray, S/O, Late Prasandhu Ram Ray, Village-Kamarpara, P. O. Chokapara, Bongaigaon. |
| 2. | Thakur Sah | Smti. Santi Devi, W/O Late Thakur Sah, Ward No. 1, MG Road, Bongaigaon. |
| 3. | Sunil Ghosh | Smti. Kalpana Ghosh, W/O Late Sunil Ghosh, Netaji Nagar, Babupara; Bongaigaon. |
| 4. | Gautam Sarkar | Sri Manindra Sarkar, S/O Hriday Sarkar, Village-Nayapara-I, Chaprakata, Bngn. |
| 5. | Prabhu Sarma | Smti. Gitarani Sarmah, W/O Late Prabhu Sarma, Near Bata Shoe Store, Bongaigaon. |
| 6. | Kishori Thakur | Smti. Ramkali Devi, W/O Late Kishori Thakur, Near Maharaj Hotel, Subhash Road, Bongaigaon. |

| Sl. No. | Name of killed persons | Name of next of kins & address |
|---|---|---|
| 7. | Satbir Mahato | Smti. Kalaboti Mahato, W/No. I, Nehru Road, Bongaigaon. |
| 8. | Leben Das | Sri Bhadreswar Das & Sri Upendra Das, 2 No. Charapet, Bijni, Bongaigaon. |
| 9. | Sidheswar Das | -do- |
| 10. | Satyen Barman | Smti. Subala Barman, W/O Late Satyen Barman, Thumkubari, Kashikotra, Bongaigaon. |
| 11. | Khema Paul | Sri Ashutosh Paul & Smti. Babita Paul, Ramsaidham, Sidli, Kokrajhar. |
| 12. | Haridhan Barman | Smti. Subala Barman, Charubala Barman, Hoipoti Barman, Smti. Phele Barman, Thumkubari, Kachikotra, Kokrajhar. |
| 13. | Bharat Chandra Chetri | Smti. Chandra Maya Chetri, W/O Sri Manbahadur Chetri, Garubhasa, Bongaigaon. |
| 14. | Nagendra Barman | Ajobala Barman, W/O, Late Nagendra Barman, Thumkubari, Kachikotra, Kokrajhar. |
| 15. | Binod Agarwala | Sri Malchand Agarwala, Village & P. O. Basugaon, Kokrajhar. |

| Sl. No. | Name of killed persons | Name of next of kins & address |
|---|---|---|
| 16. | Mainuddin Sarkar | Dilwar Hussain, Village Borpathar, Dhaligaon, Bongaigaon. |
| 17. | Bhuban Doimari | Smti. Probala Doimari, W/O Late Bhuban Doimari, Village-Bhirangaon, Dangaigaon, Bongaigaon. |
| 18. | Priya Barman | Digen Barman, P. O. & Village-Chapar, Dhubri. |
| 19. | Amanath Hussain | Smti. Sikhi Bewa, W/O, Late A. Hussain, Simlabari, Bijni. |
| 20. | Hachan Sheikh. | Mustt. Phulmoti Bewa, W/O, Late Hachan Sheikh, No. 2 Daukha Nagar, Bongaigaon. |
| 21. | Prabhabati Ray | Sri Domachu Ray, S/O, Late Anath Ch. Ray, Village-Bhatipara, Bongaigaon. |
| 22. | Hakimuddin Sheikh | Smti. Saleha Begum, & Smti. Hakimum Nessa, Village-Bortola, Dhaligaon. |
| 23. | Wahab Ali | Smti. Ramisha Begum & Smti. Rahiton Nessa, Village-Bortola, Dhaligaon. |
| 24. | Manik Brahma | Smti. Thuntri Brahma, Village-Kachikotra, Bongaigaon. |

| Sl. No. | Name of killed persons | Name of next of kins & address |
|---|---|---|
| 25. | Sujab Ali | Md. Abdul Ali Molla, Village-Bhaolaguri, Tuniapar, New Bongaigaon. |
| 26. | Om Prakash Chaturvedi | District Magistrate, Mirjapur, Uttar Pradesh. |
| 27. | Prasadhu Choudhury | Sri Binoy Choudhury, S/O Late Bhabendra Choudhury. |

১নং তালিকা

মাছ পোনা প্ৰজনন কেন্দ্ৰৰ নাম :-

| প্ৰজনন কেন্দ্ৰৰ নাম | জিলাৰ নাম |
|---|---|
| ১) উলুবাৰী মাছ পোনা পাম | কামৰূপ |
| ২) ৰঙিয়া মাছ পোনা পাম | কামৰূপ |
| ৩) জালাহ মাছ পোনা পাম | বৰপেটা |
| ৪) কেওঁটকুচী মাছ পোনা পাম | বৰপেটা |
| ৫) মাটিলাং মাছ পোনা পাম | গোৱালপাৰা |
| ৬) বোৱালিয় মাছ পোনা পাম | ধুবুৰী |
| ৭) উপহুপাৰা মাছ পোনা পাম | দৰং |
| ৮) হাজাৰা মাছ পোনা পাম | শোণিতপুৰ |
| ৯) ৰাধাপুখুৰী মাছ পোনা পাম | লক্ষীমপুৰ |
| ১০) জালুকনী মাছ পোনা পাম | ডিব্ৰুগড় |
| ১১) পহুগড় মাছ পোনা পাম | শিৱসাগৰ |
| ১২) জয়সাগৰ মাছ পোনা পাম | শিৱসাগৰ |
| ১৩) নলতলী মাছ পোনা পাম | যোৰহাট |
| ১৪) জঙালবলহুগড় মাছ পোনা পাম | নগাওঁ |
| ১৫) ৰাজাৰদিঘি মাছ পোনা পাম | কাছাৰ |
| ১৬) ৰানাইমা মাছ পোনা পাম | কাৰ্বিআংলং |
| ১৭) হাতী খালি মাছ পোনা পাম | উত্তৰ কাছাৰ |

২নং তালিকা

| কেন্দ্রৰ নাম | মাছ পোনাৰ জাতি | প্ৰজনন কৰা জ্ৰুণ পোনা (১৯৯১ ৯২ চন) |
|---|---|---|
| ১) উলুবাৰী মীন পোনা পাম | ৰৌ, ভকুৱা, মিৰিকা, চিলভাৰ কাৰ্প, গ্ৰাচকাৰ্প আৰু কমন কাৰ্প | ১৫৫.৩৫ লাখ |
| ২) ৰড়িয়া মীন পোনা পাম | ঐ | ২৫.০০ লাখ |
| ৩) জালাহ মীন পোনা পাম | ঐ | ৫.০০ লাখ |
| ৪) কেওঁটকুচী মীন পোনা পাম | ৰৌ, ভকুৱা, মিৰিকা | ১৭.৩৫ লাখ |
| ৫) মাটিলাং মীন পোনা পাম | ঐ | ৬.৪৮ লাখ |
| ৬) বোৱালিয়া মীন পোনা পাম | ঐ | ১০.৯৫ লাখ |
| ৭) হাজাৰা মীন পোনা পাম | ঐ | ৬৮.৯৮ লাখ |
| ৮) উপহুপাৰা মীন পোনা পাম | ঐ | ৫৫.০০ লাখ |
| ৯) ৰাধাপুখুৰী মীন পোনা পাম | ঐ | ৭.৭৫ লাখ |
| ১০) জালুকনী মীন পোনা পাম | ঐ | ০.৮৯ লাখ |
| ১১) পহুগড় মীন পোনা পাম | ঐ | ১১.৫০ লাখ |
| ১২) জয়সাগৰ মীন পোনা পাম | ঐ | ৭.১০ লাখ |
| ১৩) নলতলী মীন পোনা পাম | ঐ | ২১.৬৫ লাখ |
| ১৪) জঙালবলহুগড় মীন পোনা পাম | ৰৌ, ভকুৱা, মিৰিকা, চিলভাৰ কাৰ্প, গ্ৰাচকাৰ্প, কমন কাৰ্প | ১১০.০০ লাখ |
| ১৫) ৰাজাবদিঘি মীন পোনা পাম | ৰৌ, ভকুৱা, মিৰিকা | ২.৫২ লাখ |
| ১৬) ৰানাইমা মীন পোনা পাম | ঐ | ১৪.৯১ লাখ |
| ১৭) হাতীখালি মীন পোনা পাম | ঐ | ৭.০০ লাখ |